# তৃতীয় অধ্যায়

## ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্ম ৯৪-১৭১


৩.১ ভূপেন হাজৰিকাৰ জীৱন-ৰেখা ৯৪

৩.১.১ জন্ম আৰু শিক্ষা ৯৪

৩.১.২ কৰ্ম জীৱন ৯৮

৩.১.৩ ব্যক্তিগত জীৱন ১০৪

৩.১.৪ গণনাট্য সংঘ আৰু ভূপেন হাজৰিকা ১০৮

৩.১.৫ ৰাজনৈতিক জীৱন ১১০

৩.১.৬ মৃত্যু ১১২

৩.২ ভূপেন হাজৰিকাৰ সাহিত্যকৃতি ১১২

৩.৩ ভূপেন হাজৰিকা ঃ স্বীকৃতি আৰু সন্মান ১৩৩

৩.৪ গীতিকাৰ ভূপেন হাজৰিকা ১৩৮

৩.৫ সংগীতকাৰ ভূপেন হাজৰিকা ১৫৮


Created by Universal Document Converter

# তৃতীয় অধ্যায়

## ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্ম

### ৩.১ ভূপেন হাজৰিকাৰ জীৱন-ৰেখা

#### ৩.১.১ জন্ম আৰু শিক্ষা ঃ

কথাশিল্পী , কলাবিদ ভূপেন হাজৰিকা এজন মানৱপ্ৰেমী, সমাজ সচেতক, সমাজ সংগঠক, সমাজ সংস্কাৰকামী মনোভাৱ সম্পন্ন ব্যক্তি হোৱাৰ লগতে একেধাৰে গীতিকাৰ, সুৰকাৰ , চিত্ৰকাৰ , ৰূপকাৰ , পৰিচালক , সুবক্তা , সুলেখক, হাস্যৰসিক, কবি ,অনুবাদক আদি বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি। ভূপেন হাজৰিকাৰ জন্ম হৈছিল ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত শদিয়াত। (হাজৰিকা(অ,লি) , ২০১১,পৃঃ ৭) তেওঁৰ পিতৃ নীলকান্ত হাজৰিকা আৰু মাতৃৰ নাম শান্তিপ্ৰিয়া হাজৰিকা। নীলকান্ত হাজৰিকাই শদিয়াৰ এম, ই স্কুল এখনত শিক্ষকৰ চাকৰি কৰিছিল আৰু তাতেই নীলকান্ত আৰু শান্তিপ্ৰিয়াৰ বৰপুত্ৰ হিচাপে ভূপেন হাজৰিকাৰ জন্ম হয়। ভূপেন হাজৰিকাৰ চাৰিবছৰমান বয়সত নীলকান্ত হাজৰিকাই কটন কলেজিয়েট হাইস্কুলত চাকৰি পাই গুৱাহাটীলৈ পৰিয়ালসহ উভটি আহিল। তেওঁ সপৰিয়ালে ভৰলুমুখত শহুৰেকৰ ঘৰৰ চৌহদতে থাকিবলৈ ল'লে। (হাজৰিকা (অ,লি), ২০১১, পৃঃ ৩)

ভূপেন হাজৰিকাই শৈশৱৰ প্ৰথম ছোৱাত ঘৰত থাকিয়েই শিক্ষা আৰম্ভ কৰে। পিছত ১৯৩৩ চনত তেওঁক ভৰলুমুখৰ সোণাৰাম স্কুলত তৃতীয়মান শ্ৰেণীত নাম লগাই দিয়া হয়। ১৯৩৫ চনত নীলকান্ত হাজৰিকাই ধুবুৰীত বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শকৰ চাকৰিত যোগদান কৰে। গতিকে ভূপেন হাজৰিকাৰ সৈতে গোটেই পৰিয়ালটোকো নীলকান্ত হাজৰিকাই ধুবুৰীলৈ আনে। এইবাৰ ধুবুৰী প্ৰাইমেৰী স্কুলত ভূপেন হাজৰিকাক নাম লগাই দিয়া হয়। তাত ছমাহমান থকাৰ পিছতেই নীলকান্ত হাজৰিকাই অসামৰিক সেৱাৰ পৰীক্ষাত

Created by Universal Document Converter

উত্তীৰ্ণ হৈ চাব ডেপুটি কালেক্টৰ হিচাবে চাকৰিত মকৰল হৈ পৰিয়ালসহ তেজপুৰলৈ যায়। তেজপুৰত ভূপেন হাজৰিকাক ষষ্ঠ শ্ৰেণীত ভৰ্তি কৰোৱা হয়। ১৯৪০ চনত ভূপেন হাজৰিকাই প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীৰ কটন কলেজত পঢ়িবলৈ আহে । কটন কলেজত পঢ়ি থাকোঁতে ভূপেন হাজৰিকাই বাণীকান্ত কাকতি, সূৰ্য্য কুমাৰ ভূঞা , বিৰিঞ্চি কুমাৰ বৰুৱা আদিৰ দৰে নমস্য শিক্ষাগুৰুসকলৰ সান্নিধ্য আৰু আশিস লাভ কৰে। ১৯৪২ চনত ভূপেন হাজৰিকাই আই, এ পাছ কৰে। ইতিমধ্যে ভাৰতৰ স্বাধীনতা আন্দোলনেও গা কৰি উঠে। সেই আন্দোলনত জন-গণৰ লগতে অসমৰ শিক্ষক আৰু ছাত্ৰসকলেও যোগদান কৰাত অসমৰ শৈক্ষিক বাতাবৰণ সম্পূৰ্ণ নষ্ট হৈ যায়। সেই সময়ছোৱাত এফালে গণ আন্দোলন হোৱাৰ লগতে আনফালে দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰভাৱো অসমতো পৰাৰ ফলত এক অশান্তিময় পৰিস্থিতিৰ উদ্ভৱ হয়। অসমৰ বিভিন্ন ঠাইত ছাউনি পতাৰ লগতে গুৱাহাটীৰ কটন কলেজতো ছাউনি পাতি বৃটিছৰ সৈন্যই দপ্‌দপাবলৈ ধৰিলে। এফালে বিশ্বযুদ্ধ , আনফালে গান্ধীজীৰ ‘কৰেংগে য়া মৰেংগে’ ; Do or Die ৰ দৰে আন্দোলন। ফলত কটন কলেজৰ শ্ৰেণীসমূহ সম্পূৰ্ণ বন্ধ হৈ যায় ; চুডমাৰ্চন হল পৰ্যন্ত সেনাবাহিনীয়ে অধিকাৰ কৰে। ছাত্ৰসকলে শ্ৰেণীৰ পৰা বিৰত থাকিব লগীয়া অৱস্থাও হয়। ভূপেন হাজৰিকাৰ পিতৃয়ে ভূপেন হাজৰিকাৰ শৈক্ষিক বৰ্ষ নষ্ট হোৱাৰ ভয়ত তেওঁক বেনাৰস হিন্দু বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ পঠিয়ায়। সেইসময়ত অসমৰ ভালেমান ছাত্ৰই বেনাৰস বিশ্ববিদ্যালয়ত নাম ভৰ্তি কৰিবলৈ যোৱা বাবে প্ৰথমতে নাম ভৰ্তিৰ বাবে অসুবিধাৰ সন্মুখীন হয়। কিন্তু ভূপেন হাজৰিকাই বিচলিত নহৈ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য সৰ্বপল্লী ড০ ৰাধাকৃষ্ণনক সাক্ষাৎ কৰি ভঙা ভঙা ইংৰাজীত নিজৰ অসুবিধাৰ কথা ব্যক্ত কৰাত উপাচাৰ্যই ভূপেন হাজৰিকাৰ আবেদন মঞ্জুৰ কৰাৰ নিৰ্দেশ দিয়ে। সেই নিৰ্দেশ মৰ্মে ভূপেন হাজৰিকাই দৰ্শনত অনাৰ্চ লৈ বি, এ শ্ৰেণীত নামভৰ্তি কৰে।

( হাজৰিকা (অ.লি), ২০১১, পৃঃ ৫৭)

ৰাজনীতি বিজ্ঞান ভূপেন হাজৰিকাৰ এক প্ৰিয় বিষয়। ৰাজনীতি বিজ্ঞানৰ প্ৰতি থকা আগ্ৰহে ভূপেন হাজৰিকাক সেই সময়ত জনপ্ৰিয় হোৱা ভিন ভিন আদৰ্শৰ ৰাজনৈতিক চিন্তাধাৰাসমূহৰ লগত চিনাকি হোৱাত সমল যোগালে । বেনাৰসত ছাত্ৰ হৈ থকা কালত ভূপেন হাজৰিকাই মদন মোহন মালব্য, উপাচাৰ্য

Created by Universal Document Converter

সৰ্বপল্লী ৰাধাকৃষ্ণন আদি বিশিষ্ট পণ্ডিত সকলৰ সান্নিধ্যত শিক্ষা আহৰণ কৰাৰ সুযোগ পালে। বাৰাণসীত থকাৰ সময়তেই ভূপেন হাজৰিকা চিত্ৰকলাৰ প্ৰতিও বিশেষ ভৰে আকৰ্ষিত হয়। সেয়েহে সেই সময়ৰ প্ৰখ্যাত ৰণদাচৰণ উকীলৰ ‘স্কুল অফ আৰ্টচ’ নামৰ চিত্ৰাংকন বিদ্যালয়ত নাম ভৰ্তি কৰে। সেই সময়ত ভূপেন হাজৰিকাই ভালেমান সুন্দৰ ছবিও আঁকে, কিন্তু সংৰক্ষণৰ অভাৱত সেই ছবিবোৰ কালৰ বুকুত হেৰাই যায় ।১৯৪৬ চনত ভূপেন হাজৰিকাই বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। স্নাতকোত্তৰ পৰীক্ষাত তেওঁ দ্বিতীয় শ্ৰেণীৰ পঞ্চম স্থান অধিকাৰ কৰে। উল্লেখযোগ্য যে সেই বছৰ প্ৰথম শ্ৰেণী কোনো ছাত্ৰই লাভ কৰা নাছিল আৰু বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা সেই বছৰত স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা তেৱেঁই কনিষ্ঠতম ছাত্ৰ । মাথোঁ কুৰি বছৰ বয়সতে ভূপেন হাজৰিকাই এম ,এ ডিগ্ৰী লাভ কৰে। তেওঁ হাৰ্ডিং বিশ্ববিদ্যালয়ৰ আৰ্ল ল কলেজতো নাম লিখায় কিন্তু ঘৰৰ আৰ্থিক অৱস্থাৰ বাবে সেয়া সম্ভৱ হৈ নুঠিল ।

( হাজৰিকা(অ.লি), ২০১১, পৃঃ ৬২-৬৩)

ভূপেন হাজৰিকাই ১৯৪৯ চনত উচ্চ শিক্ষা লাভৰ উদ্দেশ্যেৰে চৰকাৰী জলপানি লৈ আমেৰিকাৰ ßÁ ¥ûþ±Âô ÷ôõÊü ûþÂMass Communication অত গৱেষণা কৰিবলৈ যায়। পিছে ইতিমধ্যে তেওঁ ৰাজনীতি বিজ্ঞানৰহে স্নাতকোত্তৰ বাবে কলম্বিয়া বিশ্ববিদ্যালয়ত পুনৰ গণসংযোগত এম ,এ পঢ়িব লগীয়া হয় যদিও অতি কম সময়ত অৰ্থাৎ প্ৰায় ডেৰ বছৰৰ ভিতৰতেই তেওঁ গণসংযোগত সুখ্যাতিৰে এম, Û Âô±åÃßÁ¦ áË›øį ±ı ßÁ÷ Õ±y ßÁË1¼ öÂÊÂò ýÃÂeÃßÁ±ı áË›øį ±ı ¡Âøûþýÿ Ãü, “India’s Basic Educators to use Audio-Visual Techniques in Adult Education”। ১৯৪৯ চনত নিউ ইয়ৰ্কত থাকোতে ভূপেন হাজৰিকাই ভাৰতীয় ছাত্ৰ সংস্থাৰ মুখপত্ৰ *New India* ৰ সম্পাদনা কৰাৰো সুযোগ লাভ কৰে। ভূপেন হাজৰিকাই আমেৰিকাত গৱেষণা কৰিবলৈ ভাৰত আৰু অসম চৰকাৰৰ বৃত্তি লাভ কৰে। কিন্তু তাৰ দুমাহৰ পিছতেই চিকাগো বিশ্ববিদ্যালয়ৰ পৰাও তেওঁ আন এটা শিক্ষামূলক বৃত্তি লাভ কৰে। চিকাগো বিশ্ববিদ্যালয়ৰ পৰা লাভ কৰা এই বৃত্তি অনুযায়ী ছাত্ৰ-ছাত্ৰীসকলে গৱেষণা পত্ৰ জমা দিয়াৰ পিছত তেওঁলোকৰ

Created by Universal Document Converter

নিজৰ ইচ্ছামতে যিকোনো ঠাইলৈ অভিজ্ঞতা অৰ্জনৰ কাৰণে যাব পাৰে। ভূপেন হাজৰিকাই তাৰ বাবে হলিউডলৈ যোৱাৰ সিদ্ধান্ত লয়। সৰ্বমুঠ তিনি বছৰ কাল ভূপেন হাজৰিকাই বিদেশী জলপানি লাভ কৰি অধ্যয়ন অব্যাহত ৰাখে। নিউ ইয়ৰ্কত এইবোৰৰ লগতে আন আন ভালেমান দিশতো ভূপেন হাজৰিকাই প্ৰতিভা বিকাশৰ সুযোগ লাভ কৰে। তাৰে ভিতৰত পল ৰ'বছনৰ 'জেকাৰছন স্কুল অফ ছছিয়েল চায়েন্স'ত যোগদান, Prang Education Centre অত একক চিত্ৰ প্ৰদৰ্শনীৰ আয়োজন , Art Student League অত যোগদান , ভাৰতীয় লোক সংগীতৰ পৰিৱেশনেৰে এলিনা ৰুজভেল্টৰ পৰা সোণৰ পদক লাভ আদি উল্লেখযোগ্য। গণসংযোগত এম ,এ পঢ়ি থকাৰ সময়তেই ভূপেন হাজৰিকাই নিউ ইয়ৰ্ক চহৰৰ টেলিভিছনত প্ৰথম বাৰৰ বাবে অনুষ্ঠান পৰিৱেশনৰ সুযোগো লাভ কৰে। ১৯৫২ চনত ভূপেন হাজৰিকাই তেওঁৰ বহু আকাংক্ষিত ডক্টৰেট ডিগ্ৰীটো লৈ স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰে। (হাজৰিকা(অ,লি) ,২০১১, পৃঃ ৫১৪,১১৭,১২১)

### ৩.১.২ কৰ্ম জীৱন ঃ

এজন স্পষ্টবাদী আৰু নিৰপেক্ষ সাংবাদিক হোৱাই ভূপেন হাজৰিকাৰ জীৱনৰ প্ৰথম লক্ষ্য আছিল। (হাজৰিকা (অ.লি) , ২০১১, পৃঃ ৬৯) কিন্তু বেনাৰস বিশ্ববিদ্যালয়ৰ শিক্ষা সাং কৰি ঘৰলৈ উভটি অহা ভূপেন হাজৰিকাই পৰিয়ালৰ বৰপুত্ৰ হিচাপে সংসাৰৰ দায়িত্ব কিছু পৰিমাণে লব লগাত পৰে। সেয়েহে ১৯৪৬ চনত এম, এ পাছ কৰি আহি শিক্ষকৰ পৰিয়ালৰ ব্যক্তি হিচাপে শিক্ষকতাকে শ্ৰেয় জীৱিকা হিচাপে মানি লৈ ভূপেন হাজৰিকাই গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত অধ্যাপকৰ চাকৰিত যোগদান কৰে। পিছে উতনুৱা ছাত্ৰীসকলে হাজৰিকা ৰচিত গীতক লৈ পিছফালৰ পৰা উপলুঙা কৰিবলৈ ধৰাত ক্ষুণ্ণ হৈ তেওঁ অধ্যাপকৰ চাকৰিৰ পৰা পদত্যাগ কৰে। কিছুদিন পিছত বি. বৰুৱা মহাবিদ্যালয়ৰ নৈশ শাখাত ভূপেন হাজৰিকাই পুনৰ অধ্যাপনা কৰিবলৈ লয়। পিছে মাত্ৰ ছমাহ পিছতেই ভূপেন হাজৰিকাই সেই চাকৰিৰ পৰাও ইস্তফা দিয়ে। কলেজত অধ্যাপনা কৰাৰ সময়ত ভূপেন হাজৰিকাৰ দৰমহা আছিল মাত্ৰ ১২৫ টকা। বি. বৰুৱা মহাবিদ্যালয়ত অধ্যাপনা কৰি থকা সময়তে ভূপেন হাজৰিকাৰ চাকৰিত দৰমহা অতি কম বুলি জানি সূৰ্য্য কুমাৰ ভূঞাই তেওঁক মাহে ৭৫ টকা বৃত্তি দি পুৰাতত্ত্ব বিভাগত Research Scholar হিচাপে কাম কৰাৰ সুযোগ দিয়ে।

Created by Universal Document Converter

তেওঁৰ কাম আছিল হাতে লিখা বুৰঞ্জীবোৰৰ শ্ৰেণী বিভাজন কৰা আৰু সেইবোৰ ইংৰাজীলৈ অনুবাদ কৰা।

(হাজৰিকা(অ.লি),২০১১, পৃঃ ৬৯-৭০)

১৯৪৮ চনত আকাশবাণীৰ গুৱাহাটী- শ্বিলং কেন্দ্ৰ স্থাপিত হয়। 'অল ইণ্ডিয়া ৰেডিও'ৰ দুটা শাখাৰ ভিতৰত এটা গুৱাহাটীত আৰু আনটো শ্বিলং চহৰত প্ৰতিষ্ঠিত হয়। চাকৰি বিচাৰি কৰা আবেদন অনুসৰি ভূপেন হাজৰিকাই প্ৰথমতে শ্বিলং কেন্দ্ৰত প্ৰগ্ৰেম এচিষ্টেন্ট ৰূপে যোগদান কৰে। একেটা বছৰতে ভূপেন হাজৰিকাই সতী বেউলা বোলছবিত সংগীত পৰিচালনা কৰে আৰু চিৰাজ বোলছবিত সংগীত পৰিচালনাৰ লগতে অভিনয়ো কৰে। তাৰ পিছত দিল্লীত এটা ডেৰমহীয়া চৰকাৰী প্ৰশিক্ষণৰ অন্তত তেওঁ গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত একেই পদত যোগ দিয়ে। সেই সময়ত আকাশবাণীৰ কৰ্ম-কৰ্তাসকলে অসমীয়া আৰু জনগোষ্ঠীয় শিল্পী বিচাৰি অসমৰ চুকে-কোণে ঘূৰি ফুৰিব লগীয়া হৈছিল। চাকৰিত থকা কালত তেওঁ কেইবাটিও বহুমূলীয়া গীত ৰচনা কৰে। অনাতাঁৰ কেন্দ্ৰত যোগদান কৰাৰ ডেৰ বছৰ পিছত ভূপেন হাজৰিকাই আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ত গৱেষণা কৰাৰ সুযোগ লাভ কৰাত চাকৰিৰ পৰা স্ব-অব্যাহতি লয়। (হাজৰিকা (অ.লি), ২০১১,পৃঃ ৭৩,৭৭, ৭৮, ৫১৪)।

সৰুৰে পৰা ভূপেন হাজৰিকাই শ্ৰমৰ মৰ্যাদা ভালকৈয়েই বুজি পাইছিল। সেয়েহে আমেৰিকাত থাকোতে ইণ্টাৰনেছনেল হাউছত হাত খৰচ উলিওৱাৰ বাবে এঘণ্টাকৈ লিফ্‌ট চলোৱাৰো দায়িত্ব লয়। তাৰ বাবদ ভূপেন হাজৰিকাই প্ৰতি ঘণ্টাত চাৰি ডলাৰকৈ উপাৰ্জন কৰিবলৈ সক্ষম হয়। আনকি আমেৰিকাত থকা সময়ত কেতিয়াবা ছুইমিংপুলৰ স্নানাগাৰত মহিলাসকলে এৰি থৈ যোৱা বিকিনিসমূহ ৰ'দত শুকুৱাবলৈ দিয়াৰ চাকৰি পৰ্যন্ত কৰিবলৈ তেওঁ সংকোচ কৰা নাছিল । কাৰণ তাৰ বাবদ তেওঁ উচিত পাৰিশ্ৰমিক পাইছিল। প্ৰকৃততে ভূপেন হাজৰিকাৰ মনত কেতিয়াও কৰ্মৰ সৰু -বৰ নাই। সেয়েহে সুযোগ আৰু সুবিধা পালেই তেওঁ অবাবত সময় নষ্ট নকৰি বিভিন্ন কামত আত্ম-নিয়োজন কৰি অহা দেখা যায়। অমেৰিকাত থকা সময়ত বিশ্ববিদ্যালয়ৰ গৰমৰ বন্ধৰ সময়ছোৱাত ভূপেন হাজৰিকাই হলিউডত গৈ চিনেমাৰ শ্বুটিঙৰ সহায়কাৰী

Created by Universal Document Converter

হিচাপে কাম কৰে। তাৰ বিনিময়ত দুপৰীয়াৰ সুস্বাদু আহাৰ আৰু উচিত পাৰিশ্ৰমিক লাভ কৰে। আমেৰিকাত থকা কালত মাহে ১০০ ডলাৰ পাৰিশ্ৰমিকৰ বিনিময়ত দহ মাহৰ বাবে ৰাষ্ট্ৰসংঘত কাম কৰাৰ সুযোগো পায়। (হাজৰিকা (অ.লি), ২০১১,পৃঃ ৯৫-৯৬,১০৩,১১৭)

১৯৫২ চনত আমেৰিকাত গৱেষণা শেষ কৰি ভূপেন হাজৰিকা গুৱাহাটীলৈ উভটি আহে। অসমলৈ অহাৰ কিছুদিনৰ পিছতেই ১৯৫৪ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপকৰ পদত যোগদান কৰে। তাত গণ-সংযোগ বিভাগটো নথকাত ভূপেন হাজৰিকাই 'ফিলছফী অফ এডুকেশ্যন ' পঢ়াবলৈ লয়। গুৱাহাটী বিশ্ববিদ্যালয়ত যোগদান কৰাৰ আগতে তেওঁ 'ডেপুটি ডাইৰেক্টৰ অব ফিল্মছ' ৰ পদ, পেৰিছৰ এয়াৰ ইণ্ডিয়া ইন্টাৰনেশ্বনেলৰ মাচ কমিউনিকেশ্যন অফিচাৰৰ পদ আদিৰ দৰে লোভনীয় চাকৰি লাভ কৰিও প্ৰত্যাখ্যান ক ৰে। তেওঁ নিজৰ মাতৃভূমিলৈ প্ৰত্যাৱৰ্তন কৰিবলৈ বিচৰাই হ'ল তাৰ প্ৰধান কাৰণ। ভূপেন হাজৰিকাই গুৱাহাটী বিশ্ববিদ্যালয়ত যোগদান কৰাৰ সময়ত কৃষ্ণকান্ত সন্দিকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আছিল। প্ৰতি সপ্তাহে ভূপেন হাজৰিকাই তেৰটাকৈ ক্লাচ লব লগা হয়। ভূপেন হাজৰিকাই নিষ্ঠাৰে শিকোৱাৰ ফলত ছাত্ৰসকলে পৰীক্ষাত বৰ ভাল ফল দেখুৱায়। (হাজৰিকা (অ.লি), ২০১১,পৃঃ ১৩৩-১৩৪,১৪৪) সেই বছৰতেই ভূপেন হাজৰিকাই কলিকতাৰ ওৱেলিংটন স্কোৱেৰত গণনাট্য সংঘৰ প্ৰথম প্ৰাদেশিক সন্মিলনত সংগীত পৰিৱেশন কৰে আৰু পাটনা ,মাদ্ৰাজ আৰু বোম্বাইত মঘাই ওজাৰ দ্বাৰা ঢোল পৰিবেশন কৰোৱাৰ লগতে নিজেও গীত পৰিবেশন কৰে। ইয়াৰ উপৰি হেমাংগ বিশ্বাসৰ সহযোগত গুৱাহাটীতো গণনাট্য সংঘৰ অধিৱেশন পাতে ।১৯৫৫ চনত দিল্লীত অনুষ্ঠিত আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱত ভূপেন-হাজৰিকাৰ পৰিচালনাত গুৱাহাটী বিশ্ববিদ্যালয়ে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে।

(পাঠক আৰু পাঠক ডাকুৱা ,২০০৯ , পৃঃ ১৯)

১৯৫৫ চনত ভূপেন হাজৰিকাই গণনাট্য সংঘৰ উদ্যোগত ভাৰতীয় সাংস্কৃতিক দলৰ সদস্য ৰূপে ৰাছিয়া হৈ বিশ্ব শান্তি সন্মিলনত ভাগ লবলৈ ফিনলেণ্ডৰ হেলচিংকিলৈ যায়। ( ভূঞা ,২০১১ , পৃ ঃ ৯২)

Created by Universal Document Converter

সেই সময়ত বিশ্ব শান্তি সন্মিলনত ভাগ লোৱাটো এটা যথেষ্ট সন্মানজনক কথা বুলি ভবা হৈছিল। কিন্তু উভটি আহোতে তিনিদিন পলম হোৱাত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই কৰ্তব্যত অৱহেলা কৰাৰ অজুহাতত তেওঁৰ তিনিদিনৰ দৰমহা কৰ্তন কৰে। ইয়াতে ক্ষুণ্ণ হৈ ভূপেন হাজৰিকাই চাকৰি ইস্তফা দিয়ে আৰু পৰিয়াল সহ টালি-টোপোলা বান্ধি কলিকতালৈ গুচি যায়। কলিকতাত ভূপেন হাজৰিকাৰ শিল্পী মনৰ সহায়ত আৰু জীৱিকাৰ তাগিদাত কৰ্ম জীৱনৰ এক নতুন অধ্যায়ৰ সূচনা হ'ল। (হাজৰিকা (অ.লি), ২০১১, পৃঃ ১৬৩) বিশ্ববিদ্যালয়ৰ চাকৰি এৰাৰ সিদ্ধান্ত লোৱাৰ সময়তেই নটসূৰ্য ফণী শৰ্মাই তেওঁক নৱ-নিৰ্মিত বোলছবি পিয়লি ফুকনৰ সংগীত পৰিচালনাৰ ভাৰ দিলে। কলিকতালৈ যোৱাৰ সময়ত ভূপেন হাজৰিকাৰ হাতত আছিল মাত্ৰ পঁইত্ৰিশটা টকা। ফণী শৰ্মাই তেওঁক বোলছবি খনৰ বাবদ প্ৰাপ্য ধন দিয়াৰ প্ৰতিশ্ৰুতি দি আগধন হিচাপে নগদ এশ টকা দিয়ে। কলিকতালৈ আহি ভূপেন হাজৰিকাই স্বৰচিত কাহিনীৰে এখন নতুন অসমীয়া বোলছবি নিৰ্মাণ কৰাৰো পৰিকল্পনা কৰে। বোলছবি খনৰ নাম ৰখা হয় 'এৰা বাটৰ সুৰ '। তাৰ পিছত আৰু ভূপেন হাজৰিকা থমকি ৰ'ব লগা হোৱা নাই। আজীৱন তেওঁ অসমীয়া, বঙালী আৰু হিন্দী ভাষাত ভালেমান কথাছবি নিৰ্মাণ কৰে। আৰু লগতে ভালেমান কথাছবিৰ সংগীত পৰিচালনাৰ দায়িত্ব নিয়াৰিকৈ আৰু নিষ্ঠাৰে পালন কৰি গ'ল। ভূপেন হাজৰিকাই ভালেসংখ্যক কথাছবিত সংগীত পৰিচালনাৰ দায়িত্ব লয় যদিও সেই সময়ত পাৰিতোষিক পৰ্যাপ্ত নাছিল। সেয়েহে আৰ্থিক দিশত ঘাত-প্ৰতিঘাতৰ মাজেৰে ভূপেন হাজৰিকাৰ জীৱনৰ ডিঙা আগবাঢ়িছিল।

১৯৭৭ চনত ভূপেন হাজৰিকা ৯ বছৰৰ বাবে ভাৰতীয় চলচ্চিত্ৰৰ কেন্দ্ৰীয় বৰ্ডৰ সদস্য মনোনীত হয়। ১৯৮৫ চনত ভূপেন হাজৰিকাক দূৰদৰ্শনৰ জুৰি বৰ্ডৰ চেয়াৰমেন দায়িত্ব অৰ্পণ কৰা হয়। সেই একে বছৰতে তেওঁ All India Radio ৰ Emeritus Producer ৰূপে স্বীকৃতি লাভ কৰে। ১৯৮৫ চনতেই ভূপেন হাজৰিকা ভাৰতৰ ৰাষ্ট্ৰীয় কথাছবি বঁটাৰ জুৰি বৰ্ডৰ অধ্যক্ষও মনোনীত হয়। ১৯৮৬ চনত ভূপেন হাজৰিকা জাতীয় স্তৰত দূৰদৰ্শনৰ বাবে চলচ্চিত্ৰ কিনা আৰু বাছনি কমিটিৰ সদস্য মনোনীত হয়। সেই বছৰতেই চাৰি বছৰৰ কাৰণে ফিল্ম ফাইনেন্স কৰ্পৰেশ্বনৰ (পূব ভাৰত ) Script

Created by Universal Document Converter

Committee ৰ সদস্য আৰু ১৯৯০ চনত All India Film Development Corporation অৰ Board of Directors অৰ সদস্য মনোনীত হয়। ১৯৯১ চনত ভূপেন হাজৰিকা ৰাষ্ট্ৰীয় চলচ্চিত্ৰ উন্নয়ন নিগম আৰু পুৰস্কাৰ সমিতিৰ ১৭জন জুৰিৰ অন্যতম সদস্যৰূপে মনোনীত হয়। সেই একে বছৰতে তেওঁ কেৰালাৰ ত্ৰিবান্দ্ৰমত অনুষ্ঠিত আন্তৰ্জাতিক শিশু চলচ্চিত্ৰ মহোৎসৱ উপলক্ষে চিলড্ৰেন ফিল্ম চ'চাইটিৰ দ্বাৰা গঠিত Board of Directors অৰ অন্যতম সদস্য মনোনীত হয়। ১৯৯৪ চনত তেওঁ কলকাতাত অনুষ্ঠিত ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ উপলক্ষে ইণ্ডিয়ান পেনোৰামা শাখাৰ চলচ্চিত্ৰ নিৰ্বাচক মণ্ডলীৰ চেয়াৰমেন আৰু ২০০১ চনত সংগীত নাটক অকাদেমীৰ সভাপতি ৰূপে নিযুক্তি লাভ কৰে। ২০০৩ চনত ইলেক্ট্ৰনিক প্ৰচাৰ মাধ্যমৰ সৰ্বোচ্চ কৰ্তৃপক্ষ প্ৰসাৰ ভাৰতী বৰ্ডৰ সদস্য মনোনীত হয়। (হাজৰিক(অ.লি),২০১১, পৃঃ ৫১৮, ৫২১, ৫২৫,৫২৬,৫২৮) ভূপেন হাজৰিকাই ১৯৫৭ চনত 'গতি' নামৰ আলোচনী এখনো সম্পাদনা কৰে। কিছুকাল তেওঁ *আমাৰ প্ৰতিনিধি* নামৰ আলোচনী খনো সম্পাদনাৰ দায়িত্ব লয়। ভূপেন হাজৰিকাই *বিন্দু* নামৰ এখন অণু আলোচনীৰো সম্পাদক হয় আৰু নিয়াৰিকৈ মুঠ ৮ টা সংখ্যা সম্পাদনা কৰি উলিয়াইছিল। এই আলোচনীখন প্ৰথম প্ৰকাশ হয় ১৯৭০ চনত। ১৯৮৩ চনত *প্ৰতিধ্বনি* নামৰ আলোচনী এখনৰো তেওঁ সম্পাদক হয় ।

(হাজৰিকা (অ.লি), ২০১১, পৃঃ ৫৩০, ৫১৬, ৫২০)

**ভূপেন হাজৰিকাই কাহিনী আৰু চিত্ৰনাট্য লিখা কথাছবিসমূহ** ঃ— এৰা বাটৰ সুৰ (১৯৫৬), মাহুত বন্ধুৰে (১৯৫৮) , শকুন্তলা ( ১৯৬১ ) , লটিঘটি ( ১৯৬৬ ) , চিকমিক বিজুলী ( ১৯৬৯ ) , ৰূপকোৱঁৰ জ্যোতি প্ৰসাদ আৰু জয়মতী (১৯৭৬) , ভাগ্য (হিন্দী চিনেমা তকদীৰৰ অসমীয়া ৰূপ , ১৯৬৮ )

(পাঠক আৰু পাঠক ডাকুৱা , ২০০৯ , পৃ ঃ .২২)

**ভূপেন হাজৰিকাই পৰিচালনা কৰা কথাছবি আৰু তথ্য-চিত্ৰসমূহ** ঃ—এৰা বাটৰ সুৰ (১৯৫৬) , মাহুত বন্ধুৰে (১৯৫৮), শকুন্তলা ( ১৯৬১ ) , প্ৰতিধ্বনি (১৯৬৪) , লটিঘটি ( ১৯৬৬ ) , ভাগ্য (১৯৬৮ ),

Created by Universal Document Converter

চিকমিক বিজুলী ( ১৯৬৯ ) , মেৰা ধৰম মেৰী মা ( ১৯৭৫), ৰূপকোৱঁৰ জ্যোতি প্ৰসাদ আৰু জয়মতী (১৯৭৬) , থ্ৰ' মেল'ডী এণ্ড ৰীদম্ (১৯৭৭), মন প্ৰজাপতি (১৯৭৯) , এলং দ্য ৰিভাৰ ব্ৰহ্মপুত্ৰ (১৯৮১) , সত্ৰজ এণ্ড নামঘৰছ অব আছাম (১৯৮১), চিৰাজ (পুনৰ্নিৰ্মাণ ১৯৮৯) , মিৰি জীয়ৰী ( ১৯৯০), গ্লিম্পছেছ অব দ্য মিষ্টী ইষ্ট (১৯৯৬) আৰু দ্য ব্ৰহ্মপুত্ৰ ঃ আন এণ্ডলেছ জাৰ্ণি (২০০৬)

( ওজা (সম্পা) , ২০১৩ , পৃ ঃ ১৩১)

**ভূপেন হাজৰিকাই সংগীত পৰিচালনা কৰা কথা অসমীয়া ছবিসমূহ** ঃ— সতী বেউলা (১৯৪৮), চিৰাজ (১৯৪৯) , পিয়লি ফুকন ( ১৯৫৫) , এৰা বাটৰ সুৰ (১৯৫৬) , ধুমুহা (১৯৫৭), কেঁচা সোণ (১৯৫৯) , পুৰতি নিশাৰ সপোন (১৯৫৯) , শকুন্তলা (১৯৬১), মণিৰাম দেৱান ( ১৯৬৩) , প্ৰতিধ্বনি (১৯৬৪) , লটিঘটি ( ১৯৬৬ ) , ভাগ্য (১৯৬৮ ), চিকমিক বিজুলী (১৯৬৯ ) , চামেলি মেমচাব (১৯৭৫) , খোজ (১৯৭৫), পলাশৰ ৰং (১৯৭৬), ৰূপকোৱঁৰ জ্যোতি প্ৰসাদ আৰু জয়মতী (১৯৭৬) , বনহংস (১৯৭৬) , বনজুঁই (১৯৭৭), বৃন্দাবন (১৯৭৮), মন প্ৰজাপতি, (১৯৭৯), অকণ (১৯৮০) , অপৰূপা (১৯৮০), মা (১৯৮৩), অংগীকাৰ (১৯৮৫), যুগে যুগে সংগ্ৰাম (১৯৮৬), সংকল্প ( ১৯৮৬), স্বীকাৰোক্তি ( ফিল্ম ডিভিজনৰ বাবে নিৰ্মিত অসমীয়া কাহিনী চিত্ৰ ,১৯৮৬) , প্ৰতিশোধ (১৯৮৭ ), চিৰাজ (১৯৮৯), মিৰি জীয়ৰী ( ১৯৯০), পানী (১৯৯০), প্ৰিয়জন ( ১৯৯৩), অশান্ত প্ৰহৰ (১৯৯৪) আৰু সতী ৰাধিকা (২০০৪)। (পাঠক আৰু পাঠক ডাকুৱা , ২০০৯ , পৃ ঃ .২২)।

**ভূপেন হাজৰিকাই সংগীত পৰিচালনা কৰা বঙালী কথাছবিসমূহ** ঃ — জীৱন-তৃষ্ণা (১৯৫৭) , কড়ি ও কমল (১৯৫৭) , অসমাপ্ত (১৯৫৭), মাহুত বন্ধুৰে (১৯৫৮), জোনাকীৰ আলো (১৯৫৮), দুই বেচাৰা (১৯৫৯), এখানে পিঞ্জৰ ( ১৯৭১), দম্পতি (১৯৭৬), মহুয়া (১৯৭৭) , সীমানা পেৰিয়ে (বাংলাদেশ ,১৯৭৭), নাগিনী কন্যাৰ কাহিনী (১৯৭৯), কালো সিদুঁৰ (১৯৮৪), চামেলি মেমচাব , কোমল গান্ধাৰ আৰু বন্ধু । (পাঠক আৰু পাঠক ডাকুৱা , ২০০৯ , পৃ ঃ .২২) ।

Created by Universal Document Converter

**ভূপেন হাজৰিকাই সংগীত পৰিচালনা কৰা হিন্দী কথাছবিবোৰ** —আৰোপ (১৯৭৩), মেৰা ধৰম মেৰী মা (১৯৭৫), অপেক্ষা (১৯৮৪), একপল (১৯৮৬), চামেলি মেমচাব, ৰুদালি (১৯৯২), মিল গয়া মঞ্জিল মুঁঝে, দৰমিয়া (১৯৭৭), সাজ (১৯৯১), গজ গামিনী (২০০১) আৰু কিউ (২০০৩)

(পাঠক আৰু পাঠক ডাকুৱা, ২০০৯, পৃঃ.২২)।

ইয়াৰ উপৰিও ভূপেন হাজৰিকাই 'লোহিত কিনাৰে' (১৯৮৮) নামৰ দূৰদৰ্শনৰ হিন্দী ধাৰাবাহিক ,'সত মাইয়া কা মহিমা' নামৰ ভোজপুৰী কথাছবি ,'ৰিং আং তং' (১৯৮৭) নামৰ কাৰ্বি কথাছবি, 'দেশদানম্' (১৯৯৭) নামৰ মালয়ালম কথাছবি আদিৰো সংগীত পৰিচালনা কৰিছিল।আত্মাৰামৰ 'য়ে গুলিস্তা হামাৰা' নামৰ হিন্দী কথাছবি খনৰ তেওঁ উপদেষ্টাও হয়।

(পাঠক আৰু পাঠক ডাকুৱা, ২০০৯, পৃঃ.২২)

### ৩.১.৩ ব্যক্তিগত জীৱন ঃ

এক বৰ্ণাঢ্য জীৱন অতিবাহিত কৰা ভূপেন হাজৰিকাৰ ব্যক্তিগত জীৱন গাথাঁও বৈচিত্ৰ্যপূৰ্ণ। ভূপেন হাজৰিকাৰ পিতৃ-প্ৰদত্ত সম্পূৰ্ণ নামটো হ'ল ভূপেন্দ্ৰ কুমাৰ হাজৰিকা। ভূপেন হাজৰিকাৰ মাক শান্তিপ্ৰিয়া হাজৰিকা এগৰাকী সুকণ্ঠী গায়িকা আছিল। তেওঁ বৰগীত, লোকগীত, বিয়ানাম আদি অতি সুন্দৰকৈ গাব জানিছিল। সংগীতৰ আদিপাঠ শিশু ভূপেন হাজৰিকাই মাতৃৰ পৰাই লাভ কৰিছিল আৰু অতি সোনকালে মাকে শিকোৱা সুৰবোৰ আয়ত্ত কৰিব পাৰিছিল। ১৯৩০ চনৰ ৩০ জানুৱাৰী তাৰিখে কটন কলেজিয়েট স্কুলত আয়োজিত হোৱা ছাত্ৰসকলৰ এখন সভাত প্ৰথমবাৰৰ বাবে পাঁচবছৰীয়া শিশু ভূপেন হাজৰিকাই গীত এটি গাইছিল ।সেইখন সভাত উপস্থিত থকা লক্ষ্মীনাথ বেজবৰুৱাই গীতটো শুনি শ্ৰোতা-দৰ্শকৰ লগতে অতিশয় মুগ্ধ হৈ ভূপেন হাজৰিকাক এটি চুমা যাচি কৈছিল,—"বৰ ডাঙৰ শিল্পী হ'ব এওঁ।" এই একেটা কথাকে বেজবৰুৱাই তেখেতৰ আত্মজীৱনী *মোৰ জীৱন সোঁৱৰণ*তো এইবুলি লিখিছে —

Created by Universal Document Converter

গুৱাহাটীৰ গৱৰ্ণমেণ্ট স্কুলৰ ছাত্ৰসকলৰ বিশেষ অনুৰোধত আবেলি তেওঁলোকৰ সভালৈ গ'লোঁ। ছাত্ৰসকলৰ সভাত এটি অতি কম বয়সীয়া ল'ৰাই (শিশু বুলিলেই হয় ) হাৰ্মনিয়ামৰ সহায়ত সুন্দৰকৈ এটি গান গাইছিল। মই মুগ্ধ হৈ আসনৰ পৰা উঠি সভাতে ল'ৰাটিৰ গালত এটি চুমা খালোঁগৈ। তাহানি কলিকতাত 'মাষ্টাৰ মদন' বোলা তেনেকুৱা গান গোৱা ল'ৰা এটিৰ গান শুনিছিলো। আজি অসমীয়া 'মাষ্টাৰ মদনক 'দেখি বৰ সন্তোষ পালো।

(বেজবৰুৱা, ২০০৫,পৃঃ ২৩৮-২৩৯)

তেজপুৰত স্কুলত পঢ়ি থকা কালত বঙালী ষ্টেজত হোৱা ৰবীন্দ্ৰ সংগীত প্ৰতিযোগিতাত ভূপেন হাজৰিকাই ৰবীন্দ্ৰ সংগীত গাই সোণৰ পদক লাভ কৰিছিল। সপ্তম শ্ৰেণীত পঢ়ি থকা সময়ত শংকৰদেৱৰ তিথিত মাকে শিকাই দিয়া শংকৰদেৱ বিৰচিত 'জয় জয় যাদৱ জলনিধি জাধৱ ধাতা' শীৰ্ষক বৰগীতটি আৰু এটি কাবুলীসকলে গোৱা গীত গাই কিশোৰ ভূপেন হাজৰিকাই সকলোৰে মন মুহি নিছিল। এটি সুকণ্ঠৰ অধিকাৰী হোৱা বাবে ভূপেন হাজৰিকা সোনকালেই জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ চকুত পৰে। ভূপেন হাজৰিকাই সাংস্কৃতিক ক্ষেত্ৰ স্বৰূপ তেজপুৰত ৰূপকোৱঁৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু নটসূৰ্য ফণী শৰ্মাৰ সান্নিধ্য লাভ কৰে। (হাজৰিকা (অ.লি), ২০১১, পৃঃ২৮- ২৯) ১৯৩৬ চনত ভূপেন হাজৰিকাই তেওঁৰ প্ৰথম গীত 'কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে ' শীৰ্ষক গীতটি ৰচনা কৰে। ১৯৩৭ চনত ভূপেন হাজৰিকাই জ্যোতিপ্ৰসাদ আৰু বিষ্ণু ৰাভাৰ লগত কলিকতালৈ যোৱাৰ সুযোগ পায়। তাত কিশোৰ ভূপেন হাজৰিকাই *জয়মতী কুৱঁৰী* আৰু *শোণিত কুৱঁৰী* নামৰ নাট দুখনৰ বাণী-বন্ধনৰ সময়ত নাৰী- কণ্ঠৰ গীতত কণ্ঠদান কৰে। ভূপেন হাজৰিকাই কণ্ঠদান কৰা প্ৰথম গীতটি আছিল 'সখীহে কি কম দুখৰে কথা' শীৰ্ষক এটি গীত। তাৰ লগে লগেই বিষ্ণু-জ্যোতিৰ পৰিচালনাত আন এখন ৰেকৰ্ডত ভূপেন হাজৰিকাই দুটি গীত গায়। গীত দুটি হ'ল, ' উলাহতে নাচি বাগি হ'লি বিয়াকুল ' আৰু 'কাষতে কলচী লৈ যায় ঐ ৰচকী বাই'। ১৯৩৭ চনতেই এই ৰেকৰ্ডখনো প্ৰকাশ পাইছিল। ১৯৩৯ চনত ভূপেন হাজৰিকাই ইন্দ্ৰমালতী নামৰ কথাছবিখনত প্ৰথম কণ্ঠদান কৰে। তাৰ পিছত ক্ৰমাৎ ইটোৰ পিছত সিটোকৈ গীত ৰচনা কৰি ভূপেন হাজৰিকা অসমৰ এজন লেখত লব লগীয়া গীতিকাৰ ৰূপে পৰিচিত হ'ল।

(হাজৰিকা (অ.লি.), ২০১১,পৃঃ ৩৬-৩৭)

Created by Universal Document Converter

ছাত্ৰ জীৱন শেষ কৰি গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত চাকৰি কৰি থকা সময়ত শ্বিলঙৰ এগৰাকী গায়িকাৰ লগত ভূপেন হাজৰিকাৰ প্ৰেমৰ সম্পৰ্কই গঢ় লয় যদিও সমাজৰ বাধাত সেই সম্পৰ্ক স্থায়ী নহ'ল। কিছুদিন পিছত ছোৱালী জনীৰ বিয়া হৈ গ'ল। তাৰ পিছত আমেৰিকাত গৱেষণা কৰিবলৈ যাওঁতে নিউ ইয়ৰ্কতেই ১৯৫০ চনত ভূপেন হাজৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ত অধ্যয়নৰত ভাৰতীয় মূলৰ ছাত্ৰী প্ৰিয়ম্বদা পেটেলৰ লগত চিনাকি হয়। সেই চিনাকিৰ পৰা ক্ৰমে প্ৰেম আৰু শেষত সেই বছৰৰে আগষ্ট মাহৰ এক তাৰিখে দুয়ো বিবাহ পাশত আবদ্ধ হয়। মেধাৱী ছাত্ৰী প্ৰিয়ম্বদা পেটেল আছিল চৰ্দাৰ বল্লভ ভাই পেটেলৰ পৰিয়ালৰ। বিয়াৰ কিছুদিন পিছতেই পঢ়া সাং কৰি প্ৰিয়ম্বদা পেটেল বৰোদালৈ উভটি যায়। বৰোদাতেই ভূপেন হাজৰিকা আৰু প্ৰিয়ম্বদা পেটেলৰ যুগ্ম জীৱনৰ সাক্ষী স্বৰূপ একমাত্ৰ পুত্ৰ তেজৰ (পোছাকী নাম পুন্নাগ বি হাজৰিকা) জন্ম হয়। (হাজৰিকা (অ.লি.), ২০১১, পৃঃ ৭৬, ২০৯)

১৯৫২ চনত গৱেষণাৰ কাম শেষ কৰি ভূপেন হাজৰিকা অসমলৈ উভটি আহে। ভূপেন হাজৰিকাৰ পত্নী প্ৰিয়ম্বদায়ো পুত্ৰ তেজৰ সৈতে ভূপেন হাজৰিকাৰ লগত সংসাৰ কৰিবলৈ অসমলৈ আহে। সেইখিনি সময়ত নীলকান্ত হাজৰিকায়ো চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। ইতিমধ্যে জ্যোতিপ্ৰসাদ আগৰৱালাৰো মৃত্যু হৈছিল। অসমলৈ উভটি আহি ভূপেন হাজৰিকাই হেমাংগ বিশ্বাসৰ সৈতে গুৱাহাটীৰ নবীন চন্দ্ৰ বৰদলৈ হলত জ্যোতি প্ৰসাদৰ মৃত্যু দিৱস পালন কৰে। সংগীত আৰু বোলছবি জগতৰ লগত একাণপতীয়াকৈ জড়িত হৈ থকা ভূপেন হাজৰিকাই ১৯৫৫ চনৰ পৰা কলিকতাত আৰু আশীৰ দশকৰ মাজ ভাগৰ পৰা কৰ্তব্যৰ আহ্বানত মুম্বাই মহানগৰীতো থাকিবলৈ লয়। ভূপেন হাজৰিকাৰ বিবাহিত জীৱনটোলৈ সোনকালেই অশান্তি নামি আহে। পাৰিবাৰিক অশান্তিৰ ফলত বুজা পৰাৰ মাজেৰে ১৯৬৩ চনত ভূপেন হাজৰিকা আৰু প্ৰিয়ম হাজৰিকাই বেলেগে থকাৰ সিদ্ধান্ত গ্ৰহণ কৰে। একমাত্ৰ সন্তান তেজক মাকৰ লগতেই ৰখাৰ সিদ্ধান্ত লোৱা হ'ল। পিছলৈ কানাডাত বসবাস কৰা প্ৰিয়মে কিন্তু দ্বিতীয় বিবাহ নকৰালে আৰু নিজৰ নামৰ পিছত ব্যৱহাৰ কৰা ভূপেন হাজৰিকাৰ নামটোও ত্যাগ নকৰিলে। সেইদৰে ভূপেন হাজৰিকায়ো আজীৱন আন কাকো পত্নীৰ মৰ্যাদা নিদিলে। জীৱনৰ শেষ বয়সলৈকে দুয়ো বন্ধু হৈ থাকিল।

Created by Universal Document Converter

জীৱনৰ এক গুৰুত্বপূৰ্ণ সময় অসমৰ বাহিৰত কটালেও ভূপেন হাজৰিকাই তেওঁৰ জীৱনৰ মূল শিপাডালৰ আহ্বানত সঘনাই অসমলৈ লৰি আহিছিল। অসম আৰু অসমীয়া সংস্কৃতি আছিল তেওঁৰ ৰচনা, নিৰ্মিত বোলছবি, গীত আটাইবোৰৰে মূল উপাদানস্বৰূপ। ভূপেন হাজৰিকাৰ নিজৰ ভাষাৰে,

> ১৯৫৫ - ৫৬ চনতেই মই অসম এৰি গৈ কলিকতাত থাকিবলৈ লৈছিলো। প্ৰায় ৫০ টা বছৰ মোৰ কলিকতাৰ ঠিকনা আছিল ৭৭, বি গল্ফ ক্লাব ৰোড, টালিগঞ্জ, কলিকতা৭০০০৩৩। কলিকতাকে মই দ্বিতীয় মাতৃভূমি বুলি গ্ৰহণ কৰিছিলো। কিন্তু কোনোদিনেই অসম কিম্বা উত্তৰপূৰ্বাঞ্চলৰ পৰা একেবাৰে বিচ্ছিন্ন হৈ যোৱা নাই মই। মোৰ ঘাই শিপাডাল আছে ৰূপহী অসমী আইৰ ৰসাল মাটিত।মোৰ এই নাড়ীৰ সম্পৰ্ক কোনোদিনেই ছিঙি যোৱাৰ প্ৰশ্নই নুঠে। (হাজৰিকা (অ.লি.), ২০১১, পৃঃ ৩৬৪)

এক যাযাবৰী জীৱন কটোৱা ভূপেন হাজৰিকাই এই বহল বিশ্বৰ এক বিস্তীৰ্ণ অঞ্চল জুৰি গীত গাই ফুৰিছিল। ৰাছিয়া , জাৰ্মানী , ইংলেণ্ড , নেদাৰলেণ্ড , থাইলেণ্ড , শ্যামদেশ , জাপান, বাংলাদেশ , উত্তৰ আমেৰিকাৰ বিভিন্ন অঞ্চল আদিলৈ নিমন্ত্ৰিত হৈ মানুহৰ মাজত মানুহৰ বাবে মধুৰ কণ্ঠেৰে গীত গাই হেজাৰ শ্ৰোতাক সন্মোহিত কৰিছিল। ভূপেন হাজৰিকাৰ শিল্পী সত্তাৰ লগত বন্ধুত্ব ঘটিছিল ভালেমান মহান ব্যক্তিৰ। তাৰে ভিতৰত লতা মংগেশকাৰ, আত্মাৰাম , বলৰাজ চাহানী, হেমাংগ বিশ্বাস,ঋত্বিক ঘটক, এম, এফ হুছেইন , শচীনদেৱ বৰ্মণ ,পল ৰবছন আদিৰ নাম উল্লেখযোগ্য। বিশেষকৈ মৃত্যুৰ শেষ দিন পৰ্যন্ত ভূপেন হাজৰিকাই পল ৰবচনৰ সান্নিধ্যৰ কথা বাৰে বাৰে দোহাৰি আহিছিল। আমেৰিকাত গৱেষণা কৰিবলৈ গৈ পদাৰ্পণ কৰোঁতেই 'টেম্পল অফ ফ্ৰীডম' নামৰ বাওঁপন্থী চিন্তাধাৰাৰ কিতাপ এখনৰ লিখক বুলি সন্দেহ কৰি আমেৰিকাৰ আৰক্ষীয়ে ইলিচ আইলেণ্ডত বন্দী কৰি থওঁতে, তাৰেই সহবন্দী বৃদ্ধ নিগ্ৰো এজনে তেওঁক ৰবচনৰ বিষয়ে জনাইছিল। নিৰ্দোষী বুলি মুক্তি পোৱাৰ পিছত গৱেষণা কৰি থকাৰ সময়ছোৱাত ভূপেন হাজৰিকাই কৃষ্ণাংগ সকলৰ মুক্তিৰ চিন্তাত গীত গোৱা গায়ক ৰবচনক ঘনিষ্ঠভাৱে লগ পাইছিল আৰু হাজৰিকাৰ সৃষ্টিশীলতাও ৰবচনৰ দ্বাৰা প্ৰভাৱিত হৈছিল। ভূপেন হাজৰিকাৰ পিতৃ নীলকান্ত হাজৰিকাৰ ১৯৬৯ চনত আৰু মাক

Created by Universal Document Converter

শান্তিপ্ৰিয়াৰ ১৯৭১ চনত মৃত্যু হয়। (হাজৰিকা (অ.লি.),২০১১ পৃঃ ৬৮-৬৯)।

### ৩.১.৪ গণনাট্য সংঘ আৰু ভূপেন হাজৰিকা ঃ

বিংশ শতিকাৰ ভাৰতীয় সমাজত গণনাট্য সংঘই এক সাংস্কৃতিক আন্দোলনৰ সূচনা কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধ চলি থকাৰ সময়তেই অৰ্থাৎ ১৯৪৩ চনত ভাৰতৰ সাংস্কৃতিক বিপ্লৱৰ সূচনাৰে বোম্বাই মহানগৰীত বলৰাজ চাহানী, ৰাজ কাপুৰ আদিৰ দৰে শিল্পীৰ সহযোগত ভাৰতীয় গণনাট্য সংঘৰ জন্ম হয়। ইতিমধ্যেই দুখনকৈ বিশ্বযুদ্ধই কঁপাই যোৱাৰ ফলত অসমৰ শিল্পী-সাহিত্যিকসকলৰ মাজতো এক নতুন চেতনা জাগ্ৰত হৈছিল। সেইবাবেই *জয়ন্তী* গোষ্ঠীৰ উদ্যোগত ১৯৪৪ চনত অসমত গঠন হোৱা 'সদৌ অসম প্ৰগতিশীল শিল্পী-সাহিত্যিক সংঘ'ৰ তৎপৰতাত গুৱাহাটীতো গণনাট্য সংঘৰ শাখা গঠন হয়। গুৱাহাটী শাখাৰ সভাপতি আৰু সম্পাদকৰূপে ক্ৰমে ৰঘুনাথ চৌধাৰী আৰু আনন্দিৰাম দাসে দায়িত্ব গ্ৰহণ কৰে। সেইসময়তেই বেনাৰছ হিন্দু বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লোৱা ভূপেন হাজৰিকাই সতীৰ্থ ব্ৰজেন বৰুৱাৰ সৈতে লগলাগি উক্ত সংঘত যোগ দিয়ে আৰু ১৯৪৬ চনত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পিছত সংঘৰ সাংস্কৃতিক কাৰ্য-কলাপত সক্ৰিয় অংশ গ্ৰহণ কৰিবলৈ লয়। পিছে ১৯৪৯ চনত উচ্চ শিক্ষাৰ বাবে আমেৰিকালৈ যাব লগীয়া হোৱাত সেই কাৰ্যত কিছুদিনলৈ যতি পৰে। পৰৱৰ্তী সময়ত হেমাংগ বিশ্বাসৰ উদ্যোগত সংঘৰ প্ৰাদেশিক সমিতি গঠনৰ প্ৰক্ৰিয়াও আৰম্ভ হয়। জ্যোতিপ্ৰসাদ আগৰৱালাই ১৯৪৭ চনত গঠন হোৱা গণনাট্যৰ প্ৰাদেশিক সমিতিৰ সভাপতিৰ ভাৰ গ্ৰহণ কৰে আৰু হেমাংগ বিশ্বাস সম্পাদকৰূপে নিৰ্বাচিত হয়। (বৰ্মন আৰু পাঠক (সম্পা) ,২০১১, পৃ ঃ ৮৭) নগেন কাকতি, কেশৱ মহন্ত, আব্দুল মালিক আদিয়েও এই সংঘত যোগদান কৰে। অসমৰ গণনাট্য সংঘ স্থাপন সম্পৰ্কে হেমাংগ বিশ্বাসে এনেদৰে কৈছে,

> আধুনিক অসমীয়া গীত-মাতত এফালেদি এটা সস্তীয়া প্ৰেমৰ সুৰ বাজি আহিছিল আৰু আনফালেদি পুৰণি ঐতিহ্যৰ নামত জীৱনমুখী এক অসাৰ সংসাৰৰ মনোভাবে অসমীয়া গীতৰ ভালেমান অংশ চুই গৈছিল। আধুনিকতাৰ নামত এহাতে সুৰ জগতত অসুৰৰ উৎপাত চলিছিল— বিজতৰীয়া ভেজাল সুৰে পৰিৱেশ বিকৃত কৰি তুলিছিল , আনহাতেদি

Created by Universal Document Converter

পুৰণি কৃষ্টি ৰক্ষাৰ নামত নতুন প্ৰগতিশীল চিন্তাধাৰাক উপলুঙা কৰা হৈছিল। এই দুই সমাজৰ প্ৰগতিবিৰোধী ধাৰাক সলনি কৰি অসমৰ সুৰ জগতলৈ নতুন প্ৰবাহ আনে গণনাট্য সংঘই। ( ভূঞা (সম্পা) , ২০১২ , পৃ ঃ ১৫ )

১৯৫২ চনত ডক্টৰেট ডিগ্ৰী লৈ স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰাৰ পিছত গণনাট্য সংঘৰ সৈতে ভূপেন হাজৰিকাই পুনৰ সম্পৰ্ক স্থাপন কৰে। ১৯৩৯ চনত অৰ্থাৎ মাত্ৰ তেৰ বছৰ বছৰ বয়সতে অগ্নিযুগৰ ফিৰিঙতি হৈ শোষণ মুক্ত সমাজৰ পৰিকল্পনাৰে নতুন ভাৰত গঢ়াৰ সপোন দেখা ভূপেন হাজৰিকাৰ আদৰ্শৰ সৈতে থকা গণনাট্য সংঘৰ আদৰ্শৰ মিল, ভূপেন হাজৰিকাৰ গুৰু সদৃশ জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদৰ উক্ত সংঘৰ সৈতে থকা সম্পৰ্ক আদিয়ে এই সংঘৰ সৈতে ওতঃপ্ৰোত ভাৱে জড়িত হোৱাত উৎসাহ যোগালে। ইয়াৰ পিছতেই যেন আৰম্ভ হৈছিল ভূপেন হাজৰিকাৰ সৃষ্টিশীলতাৰ এক নতুন অধ্যায়। সংঘৰ বলিষ্ঠ আদৰ্শত অনুপ্ৰাণিত হৈ ভূপেন হাজৰিকাই ইটোৰ পিছত সিটোকৈ জনপ্ৰিয় গীত ৰচনা কৰিবলৈ লয়। খাটি খোৱা মানুহ, শ্ৰমিক, মজদুৰ , দোলাভাৰী আদি ভূপেন হাজৰিকাৰ মানৱতাবাদী গীতৰ বিষয়বস্তু হৈপৰে। 'দোলা, হে দোলা' , ভাঙ্ ভাঙ্ ভাঙোতা শিল ভাঙ্ আদি গীত গণনাট্য সংঘৰ সৈতে জড়িত হৈ থকা সময়তেই সৃষ্টি হৈছিল। এইখিনিতে অসমৰ গণনাট্য সংঘৰ কাৰ্য আৰু ভূপেন হাজৰিকাৰ ভূমিকা সম্পৰ্কত হেমাংগ বিশ্বাসৰ মন্তব্য অৱশ্যেই প্ৰণিধানযোগ্য,

বিশেষকৈ ড০ ভূপেন হাজৰিকাৰ গীতে আজিৰ অসমৰ জনজীৱনৰ বিভিন্ন স্তৰত প্ৰকৃত সামাজিক বাস্তৱতা আনি দিলে। অসমৰ গণজীৱনৰ 'শিল ভাঙোতা' , ' ৰে'ল চালক ' . ' চাহ বনুৱাৰ জগনু (যথা) , 'গাঁৱৰ ৰংমন' , 'ৰহদৈ' , 'দোলাভাৰী' আদি আহি আজি ইমান দিনৰ নৈৰ্ব্যক্তিক সমাজ-চেতনাহীন গীতৰ ঠাইত প্ৰতিষ্ঠা লাভ কৰিলেহি। সুৰৰ ক্ষেত্ৰতো সংকীৰ্ণতা বিসৰ্জন দি জাতীয় ঐতিহ্যৰ ওপৰত ভিত্তি কৰি অসমৰ বিভিন্ন সুৰৰ লগত ভাৰতৰ , আনকি বিশ্বৰ সংগীতৰ শ্ৰেষ্ঠ ধাৰাৰ সুস্থ আৰু অপূৰ্ব সমন্বয় সাধনৰ প্ৰচেষ্টা গণনাট্য সংঘই কৰিছে। গণনাট্য সংঘৰ অসংখ্য গীতে খেতিয়ক, নাৱৰীয়া, চাহবনুৱা ড্ৰাইভাৰ, লাইনছমেন আদি অগণন জন-জীৱনৰ পৰা আৰম্ভ কৰি নগৰৰ বিদগ্ধসকলৰ মাজ পৰ্যন্ত জাতীয় জীৱনৰ সকলো স্তৰতে বিয়পি পৰি এক সামগ্ৰিক জাতীয় ঐতিহ্যৰ সৃষ্টি কৰিছে। ( ভূঞা (সম্পা) , ২০১২ , পৃ ঃ ১৫ )

Created by Universal Document Converter

হেমাংগ বিশ্বাসৰ মন্তব্য আৰু ভূপেন হাজৰিকাৰ গীতত উত্তৰপূৰ্বাঞ্চলৰ বিভিন্ন লোকগীতৰ লগতে প্ৰয়োজন অনুসৰি পশ্চিমীয়া সুৰৰ ব্যৱহাৰে এই কথাই প্ৰতীয়মান কৰে যে ভূপেন হাজৰিকাই গণনাট্য সংঘৰ প্ৰভাৱতেই সংকীৰ্ণতা এৰি নিজৰ গীতৰ ওপৰত বিভিন্ন সুৰৰ পৰীক্ষা-নিৰীক্ষাৰে এক নতুন মানৰ সৃষ্টিশীল গীত ৰচনা কৰিছিল। এই সাংস্কৃতিক বাহিনীৰ যাত্ৰাৰ পথতেই ৰচিত হৈছিল ভূপেন হাজৰিকাৰ অন্যতম অমৰ সৃষ্টি — ‘ মানুহে মানুহৰ বাবে’ শীৰ্ষক গীতটি। উল্লেখযোগ্য যে ভূপেন হাজৰিকাৰ প্ৰথম গীতৰ সংকলন ‘জিলিকাব লুইতৰে পাৰ’ গণনাট্য সংঘৰ অসম শাখাই ১৯৫৫ চনত প্ৰকাশ কৰে। যাঠিৰ দশলৈকে গণনাট্য সংঘৰ কাম কাজ ক্ৰমাৎ স্তিমিত নোহোৱালৈকে ভূপেন হাজৰিকাই এই সংঘৰ আদৰ্শেৰে ৰচনা কৰি গৈছিল এলানি জনপ্ৰিয় মানৱতাবাদী গীত।

### ৩.১.৫ ৰাজনৈতিক জীৱন ঃ

বাৰাণসীত ছাত্ৰ হৈ থাকোঁতেই ভূপেন হাজৰিকা ছাত্ৰ ৰাজনীতিৰ প্ৰতি আকৰ্ষিত হৈছিল। সুনেতৃত্বৰে ছাত্ৰসকলক পৰিচালনা কৰাৰ বাসনা এটা তেওঁৰ মনত জাগ্ৰত হৈছিল। সেয়েহে ছাত্ৰসকলৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি বিপক্ষৰ প্ৰতিদ্বন্দীক বৰ শোচনীয় ভাবে পৰাস্ত কৰি তেওঁ ছাত্ৰৰ কমন ৰুমৰ সম্পাদক ৰূপে নিৰ্বাচিত হৈছিল। সেই নিৰ্বাচনত ভূপেন হাজৰিকাৰ বিপক্ষে উঠিছিল ছায়লানাৰ মহাৰাজকুমাৰ ।ৰাজকুমাৰৰ মাকে নিৰ্বাচন পৰিচালনা কৰিবৰ বাবে দুখন গাড়ী দি পঠিয়াইছিল। তাৰ বিপৰীতে ভূপেন হাজৰিকাই নিৰ্বাচনৰ নামত খৰচ কৰিছিল মাত্ৰ কুৰিটা টকা ।(হাজৰিকা, ২০১১, পৃঃ ৬১) ভূপেন হাজৰিকাই যেতিয়া গৱেষণা কৰাৰ উদ্দেশ্যে নিউইয়ৰ্কৰ বিমান বন্দৰত পদাৰ্পণ কৰিছিল, তেতিয়া তাৰ প্ৰশাসনে তেওঁক ইলিচ নামৰ এটা দ্বীপত এসপ্তাহ বন্দী কৰি থৈছিল। এসপ্তাহ পিছতহে ভূপেন হাজৰিকাই গ্ৰেপ্তাৰৰ কাৰণ জানিব পাৰিছিল। ভূপেন হাজৰিকাই কিশোৰ অৱস্থাতেই দৰিদ্ৰ -নিপীড়িতসকলৰ উদ্দেশ্যে ‘অগ্নি যুগৰ ফিৰিঙতি মই’ শীৰ্ষক এটি গীত লিখিছিল। এই গীতটি বিষ্ণুপ্ৰসাদ ৰাভাই তেওঁৰ *মুক্তিদেউল* নামৰ কিতাপ এখনত সন্নিবিষ্ট কৰিছিল। *মুক্তি দেউল*ৰ পাতনিত বিষ্ণু ৰাভাই

Created by Universal Document Converter

নিজেই লিখি থৈ গৈছিল,— 'কিছুমান গান ভূপেন হাজৰিকাৰ মৌ-কোঁহৰ পৰা আনি জুৰিলো' । (ওজা (সম্পা), ২০১৩, পৃঃ ৫৯) সেই সময়ত বিষ্ণুপ্ৰসাদ ৰাভা R.C.P.I ৰ সক্ৰিয় সদস্য আছিল । অমেৰিকাৰ প্ৰশাসনেও ভূপেন হাজৰিকাক R.C.P.I ৰ সদস্য বুলি ভুল কৰিহে বন্দী কৰি থৈছিল, কিন্তু পিছত কথাটো বুজি পোৱাত সসন্মানে এৰি দিয়ে । (হাজৰিকা (অ.লি), ২০১১, পৃঃ ৮৫-৮৭)১৯৬৮ চনত ৰাইজৰ বিপুল দাবীত ভূপেন হাজৰিকাই নাওবৈচা সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী হিচাবে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি অসম বিধানসভাৰ বিধায়ক নিৰ্বাচিত হয়। অৱশ্যে ১৯৭১ চনত অসমৰ এটি আঞ্চলিক দল 'জন গণ তান্ত্ৰিক অসম দল'ৰ হৈ মংগলদৈ লোকসভা সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰাৰ্থিত্ব গ্ৰহণ কৰি পৰাজিত হয়। তাৰ পিছত পুনৰ ২০০৪ চনত জীৱনত শেষ বাৰৰ বাবে লোকসভা নিৰ্বাচনত গুৱাহাটী লোকসভা সমষ্টিৰ পৰা ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থিত্ব গ্ৰহণ কৰে যদিও সেইবাৰো তেওঁ সফল হ'ব নোৱাৰিলে। (হাজৰিকা (অ.লি), ২০১১,পৃঃ ৫১৬)

ভূপেন হাজৰিকাই আজীৱন অসমৰ কলা সংস্কৃতিক বিশ্বৰ বৰপথাৰলৈ উলিয়াই লৈ যাবলৈ অহোপুৰুষাৰ্থ কৰিছিল। সেয়েহে সংগীত নাটক অকাদেমীৰ অধ্যক্ষৰ পদ শুৱনি কৰি থকাৰ সময়তেই তেওঁৰ উদ্যোগত অসমৰ সত্ৰীয়া নৃত্যই শাস্ত্ৰীয় নৃত্যৰ স্বীকৃতি লাভ কৰিছিল। এইখিনিতে অসমৰ সংস্কৃতিক্ষেত্ৰৰ সকলো দিশতে নিজৰ প্ৰতিভা প্ৰকাশ কৰিবলৈ সক্ষম হোৱা ভূপেন হাজৰিকাৰ বিষয়ে উমেশ ডেকাই কৰা মন্তব্য অৱশ্যেই প্ৰণিধানযোগ্য,

It naturally followos that GUINEIS strives for research on even personalities from NE India who have left indelible marks on various fields of its corporate life. It endeavours to study and document the life and activities of renowned academicians, astists, social and political stalwarts, literatures, administrators, etc. who have made NE proud by their varied activities. In the contemporary milieu, the foremost figure from NE must be that of Bhupenda who had left his marks on almost all areas

Created by Universal Document Converter

of NE's corporate life. Be it songs, lyrics, cinema, poetry and literature , academics or politics, national integration or be it allegiance to a lesser known tribe - Bhupen Hazarika was a virtuoso in all these fields. In brief, he was one without whom the identity of modern NE India remains incomplete.

(Deka (ed), 2013, p. vi )

### ৩.১.৬ মৃত্যু

গীত, সুৰ, সাহিত্য আৰু কথাৰ মায়াজালেৰে বিশ্ববাসীৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হোৱা এইগৰাকী লুইত পৰীয়া শিল্পী ভূপেন হাজৰিকাই ২০১১ চনৰ ৫ নৱেম্বৰত কোকিলাবেন ধীৰুভাই আম্বানী হস্পিতালত জীৱনৰ শেষ নিশ্বাস ত্যাগ কৰে। ৯ নৱেম্বৰৰ দিনা গুৱাহাটী বিশ্ববিদ্যালয়ৰ জালুকবাৰী চৌহদত ভূপেন হাজৰিকাৰ নশ্বৰ দেহ পঞ্চভূতত মিহলি হৈ যায়।

## ৩.২ ভূপেন হাজৰিকাৰ সাহিত্যকৃতি

সাহিত্যৰ মূল উপাদানেই হৈছে মানুহৰ জীৱন আৰু সমাজ। মানুহৰ সৈতে মানুহৰ, হৃদয়ৰ সৈতে হৃদয়ৰ মিলনে যেনেদৰে আপোন ভাবৰ এখন সমাজৰ সৃষ্টি কৰে , ঠিক তেনেদৰে আৰু ভাবৰ সৈতে ভাষাৰ মিলনে এক উচ্চ মানৰ সাহিত্যৰ জন্ম দিয়ে। এক সুৰুচিপূৰ্ণ মন আৰু দূৰদৰ্শী দৃষ্টি সম্পন্ন ব্যক্তিসকলে স্বকীয় ভাষা শৈলীৰ সহযোগত প্ৰকাশ মাধ্যমত যুগান্তকাৰী মনোৰম সাহিত্যৰ সৃষ্টি কৰে। এনে সাহিত্যই, সাহিত্যৰ সমূহ ক্ষেত্ৰকে সামৰি ল'ব পাৰে। গীতিকাৰ সুৰকাৰ হিচাবে খ্যাতি অৰ্জন কৰা ভূপেন হাজৰিকা এগৰাকী উচ্চ পৰ্যায়ৰ সাহিত্যিক। ভূপেন হাজৰিকাৰ কাব্যিক সৌন্দৰ্যেৰে পৰিপূৰ্ণ গীতি-কবিতাৰ ধাৰাটো তেওঁৰ অনন্য শৈলীৰে সমগ্ৰ বিশ্বৰ মাজত স্বীকৃত হৈ পৰিছিল যদিও সীমিত পাঠকৰ জৰিয়তে হ'লেও তেওঁৰ নিজস্ব গদ্যশৈলীয়ে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। আজন্ম যাযাবৰ ভূপেন হাজৰিকাই য'তেই

Created by Universal Document Converter

ৰঙৰ খনি দেখিছিল, তাকেই ভগাই দিয়াৰ মানসেৰে ধৰাৰ দিহিঙে দিপাঙে লৰৰি , এক দৃঢ় সংকল্পৰে,সুন্দৰৰ সাধনাৰে সৃষ্টিৰ সৌধ নিৰ্মাণ কৰি উলিয়াইছিল। (পৰাশৰ আৰু গোস্বামী, পৃঃ ১৯৪)

অসমীয়া সাহিত্যৰ ক্ষেত্ৰত ভূপেন হাজৰিকাই গীতিকাৰ, কবি , গদ্যলেখক আৰু সাংবাদিক হিচাবে পৰিচয় ৰাখি থৈ গৈছে। ভূপেন হাজৰিকাৰ জীৱিত কালত সম্ভৱতঃ অসমত এনে এখন আলোচনী নাই য'ত ভূপেন হাজৰিকাৰ লিখা প্ৰকাশ পোৱা নাছিল। তেখেতৰ গীতসমূহ যেনেদৰে হৃদয়স্পৰ্শী, কবিতাসমূহ প্ৰাণোচ্ছল, গদ্যৰাজি বিশ্লেষণাত্মক আৰু সাংবাদিকতা নিৰ্ভীক আৰু বাস্তৱভিত্তিক। তেখেতৰ সকলো ৰচনাতে উচ্চ আদৰ্শ, সৌন্দৰ্যবোধ আৰু জীৱন- দৰ্শন অপৰিহাৰ্য উপাদান হিচাবে ব্যৱহৃত হৈ আহিছে। এসময়ৰ গণ-সংযোগৰ ছাত্ৰ ভূপেন হাজৰিকাই তেখেতৰ সাহিত্যক গণ-সংযোগৰ মূল মাধ্যম ৰূপে ব্যৱহাৰ কৰি জন গণৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হৈছিল। ভূপেন হাজৰিকাৰ সাহিত্যকৰ্মৰ সৰ্বাধিক জনপ্ৰিয় আৰু আলোচ্য বিষয়টো হ'ল তেখেতৰ গীতি-সাহিত্য। আন্তৰ্জাতিক খ্যাতি সম্পন্ন এই গণশিল্পী জনৰ গীতৰ বিষয়-বস্তুও হ'ল বহুধা প্ৰসাৰিত। বিষয়বস্তুৰ বৈচিত্ৰ্য অনুযায়ী তেওঁৰ গীতৰাজিত সমাজৰ বিভিন্ন দিশৰ প্ৰতিচ্ছবি জিলিকি থকা দেখা যায়। প্ৰায় চাৰিশ গীতৰ ৰচক ভূপেন হাজৰিকাৰ সাংগীতিক লয়যুক্ত কাব্যিক সৌন্দৰ্যৰে ভৰা গীতসমূহ একো একোটি অনুপম কবিতা স্বৰূপ। সাহিত্যিক যজ্ঞেশ্বৰ শৰ্মাদেৱে কবিতাৰ উপাদানৰ বিষয়ে এনেদৰে মন্তব্য কৰিছে,

> কাব্যত ঘাইকৈ তিনিটা উপাদান থাকে, সংগীত চিত্ৰ আৰু চিন্তা।....কাব্যৰ স্থায়িত্ব নিৰ্ভৰ কৰে ভাৱ ব্যঞ্জকতা, শ্ৰুতি মধুৰতা, বিশ্বজনীনতা আদি সমষ্টিগত অনেক গুণৰ ওপৰত। এই সকলোবোৰ গুণ ভূপেন হাজৰিকাৰ মানৱতাবাদী, প্ৰেম-বিৰহৰ, সমাজসচেতনতাৰ ওপৰত লিখিত গীতসমূহত বিদ্যমান। ড০ ভূপেন হাজৰিকাই নিজেই কৈছে, — "কবিতাৰ উপলব্ধিও ৰূপময়—গীতি-সাহিত্যৰ সেয়ে। গীতৰ উপলব্ধি আবেগ জড়িত, কবিতাৰো। দুয়োৰে আবেদন প্ৰধানতঃ হৃদয়ৰ নিচেই কাষত। (দাস, ২০১২, পৃঃ ২০)

Created by Universal Document Converter

শব্দ-চয়ন, ভাষাশৈলী, যথোপযুক্ত ছন্দ, অলংকাৰৰ সুন্দৰ প্ৰয়োগ , অনুপ্ৰাসৰ প্ৰাচুৰ্য আৰু ভাৱৰ বিচিত্ৰতাই ভূপেন হাজৰিকাৰ গীতসমূহক অনুপম কবিতাৰ শাৰীলৈ তুলিছে। ভূপেন হাজৰিকাৰ কবিতাধৰ্মী গীত সম্পৰ্কে সাহিত্যক মহেন্দ্ৰ বৰাই *গীতাৱলী-ড০ ভূপেন হাজৰিকাৰ গীত সমগ্ৰ*ৰ ভূমিকাত এনেদৰে কৈছে,

> কবিতা হিচাবে এয়া ৰীতিমতে মৰ্মস্পৰ্শী —মেজাজটো অতন্ত্য ৰমন্যাসিক, অথচ গাথঁনিটো নিটোল ধ্ৰুৱবাদী। পৰম স্পন্দনশীল, কিন্তু দৃঢ়পিনদ্ধ। লক্ষ্য কৰিবলগীয়া গুণকেইটা হ'ল ঃ ক'তো কোনো গুৰুচণ্ডালীৰ আঁৰ নাই— সাধাৰণতে গীত বুলি ক'লেই যিটো লক্ষণে ভাষাৰ শৈলীত ভুমুকিয়াই থৈ যায়হি, মিল আৰু অনুপ্ৰাসৰ প্ৰাচুৰ্যৰে অপূৰ্ব মসৃণতা আৰু ভাৱবস্তুৰ সংহতিৰে মধুময় বিস্তাৰৰ প্ৰতীতি।
>
> ( হাজৰিকা (সম্পা),২০১০, পৃ.উ.না)

ভূপেন হাজৰিকাই মাথোঁ সংগীতৰ মায়াজাল সৃষ্টি কৰাতে ক্ষান্ত নাথাকি বিভিন্ন সময়ত বিভিন্ন বিষয়ৰ ওপৰত স্বকীয় শৈলীৰে চিন্তাশীল আৰু বিশ্লেষণাত্মক গদ্যও ৰচনা কৰি অসমীয়া গদ্য সাহিত্যৰ ভঁৰালটোকো চহকী কৰিছে । সেয়েহে মনোৰম গদ্য সাহিত্যৰো এক কৃতবিদ্য সাহিত্যিক ৰূপে তেওঁৰ এক সুকীয়া পৰিচয় আছে। ভূপেন হাজৰিকাৰ প্ৰত্যেকটো ৰচনাতে পোৱা যায় এক বলিষ্ঠ প্ৰকাশভংগী, প্ৰগতিশীল চিন্তাধাৰা, গীতিময়তা আৰু সুখপাঠ্যতা। মহেশ্বৰ নেওগৰ মতে ভূপেন হাজৰিকাৰ গদ্যৰ এক সুকীয়া শৈলী আছে—যিটো আন সকলো অসমীয়া সাহিত্যিকতকৈ সুকীয়া। তেওঁৰ গদ্য সাহিত্যৰ বিষয়বৈচিত্ৰ্যও বিশেষভাবে মন কৰিবলগীয়া। (পৰাশৰ, গোস্বামী , ২০১১ ,পৃ ঃ ২০১) ভূপেন হাজৰিকাৰ অধ্যয়নৰ পৰিসৰো বিশাল। পঠন ক্ষমতাও তেওঁৰ অতি দ্ৰুত। আনহাতে স্মৃতি শক্তিও প্ৰখৰ । সেইবাবেই কম সময়তে বহুত পঢ়িব পাৰে আৰু সেই কম সময় পঢ়িয়েই বহুকথা মনতো ৰাখিব পাৰে। (কলিতা, ২০০৭, পৃঃ ৪৭) অধ্যয়নপুষ্ট হোৱা বাবেই খুব সম্ভৱ ভূপেন হাজৰিকাৰ লিখনীসমূহে সাহিত্যৰ মননশীল ক্ষেত্ৰত উচ্চ শিখৰত আৰোহণ কৰি অধিক সমৃদ্ধিশালী হ'ব পাৰিছে। ভূপেন হাজৰিকাই ৰচনা কৰা গীত, প্ৰবন্ধ আদি সময়ে সময়ে সম্পাদিত ৰূপত গ্ৰন্থৰ আকাৰত প্ৰকাশিত হৈ আহিছে। ভূপেন হাজৰিকা ৰচিত গ্ৰন্থসমূহ হ'ল

Created by Universal Document Converter

এনেধৰণৰ—

*জিলিকাব লুইতৰে পাৰ* (গীতৰ সংকলন)ঃ

প্ৰথম প্ৰকাশ ঃ ১৯৫৫ চন

প্ৰকাশক ঃ ভাৰতীয় গণনাট্য সংঘ, অসম শাখা

ভূপেন হাজৰিকাই নিজে এই পুথিখনৰ বেটুপাত অংকন কৰিছিল। হেমাংগ বিশ্বাসে সম্পাদনা কৰা এই গীতৰ সংকলনখনিত তেখেতৰ ছাব্বিশটা গীত সন্নিবিষ্ট কৰা হৈছিল।

*সংগ্ৰাম লগ্নে আজি* (গীতৰ সংকলন) ঃ

প্ৰথম প্ৰকাশ ঃ ১৯৬২ চন

প্ৰকাশক ঃ গতি প্ৰকাশ

চীন-ভাৰত যুদ্ধৰ পটভূমিত ভূপেন হাজৰিকাই ৰচনা কৰা পাঁচটা গীত থুপ খুৱাই এই দ্বিতীয় গীতৰ সংকলনখন প্ৰকাশিত হৈছিল। এই পুথিখনৰ প্ৰকাশক আছিল ভূপেন হাজৰিকাৰ ভাতৃ অমৰ হাজৰিকা।

*আগলি বাঁহৰে লাহৰী গগনা* (গীতৰ সংকলন)ঃ

প্ৰথম প্ৰকাশ ঃ ১৯৬৪ চন

প্ৰকাশক ঃ গতি প্ৰকাশ

ভূপেন হাজৰিকাৰ এই তৃতীয়খন গীতৰ সংকলনত বাৰটা গীত সন্নিবিষ্ট কৰা হৈছে। উল্লেখযোগ্য গীতকেইটা হ'ল — 'মদাৰৰে ফুল হেনো', 'আহ আহ ওলাই আহ', 'চিৰযুগমীয়া ঢৌ তুলি ঢৌ তুলি' , 'প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক', 'নেকান্দিবা নেকান্দিবা মোৰে নতুন কইনা' আদি। পুথিখনৰ বেটুপাত অংকন কৰিছিল খ্যাতনামা চিত্ৰশিল্পী ও, চি, গাংগুলীয়ে।

Created by Universal Document Converter

*সুন্দৰৰ নতুন দিগন্ত* ঃ

প্ৰথম প্ৰকাশ ঃ ১৯৬৭ চন

প্ৰকাশক ঃ লয়াৰ্চ বুক ষ্টল

বিভিন্ন পটভূমিত ৰচনা কৰা এঘাৰটা উচ্চমানবিশিষ্ট প্ৰবন্ধ সন্নিবিষ্ট হৈ থকা এই সংকলনখনৰ বেটুপাত ও, চি, গাংগুলীৰ আৰু অংগ-সজ্জা বেণু মিশ্ৰৰ। এই গ্ৰন্থখনত থকা প্ৰবন্ধসমূহৰ বাছনি নিৰোদ চৌধুৰীৰ। ১৯৬৩ চনত নাজিৰাত বহা অসম সাহিত্য সভাৰ অধিবেশনৰ সাংস্কৃতিক সন্মিলনৰ সভাপতিৰূপে ভূপেন হাজৰিকাই প্ৰদান কৰা অভিভাষণটোও এই সংকলনটোত তুলি দিয়া হৈছে।

*চিক্‌মিক্ বিজুলী* ( চলচিত্ৰৰ চিত্ৰনাট্য) ঃ

প্ৰথম প্ৰকাশ ঃ ১৯৭১ চন

প্ৰকাশক ঃ লয়াৰ্চ বুক ষ্টল

এই পুথিখন হ'ল ভূপেন হাজৰিকা ৰচিত অসমীয়া ভাষাত প্ৰকাশিত অসমীয়া বোলছবিৰ প্ৰথম চিত্ৰনাট্য।

*সুন্দৰৰ সৰু-বৰ আলিয়েদি*

প্ৰথম প্ৰকাশ ঃ ১৯৮০ চন

প্ৰকাশক ঃ বাণী মন্দিৰ

এই পুথিখন দৈনিক আৰু সাপ্তাহিক জনমভূমি কাকতত একে নামেৰে প্ৰকাশিত ভূপেন হাজৰিকাৰ পোন্ধৰটা প্ৰবন্ধৰ সংকলন। এই প্ৰবন্ধকেইটা গভীৰ বিশ্লেষণাত্মক আৰু ব্যাখ্যাপূৰ্ণ তথ্যৰে ভৰপূৰ।

*বহ্নিমান ব্ৰহ্মপুত্ৰ*

Created by Universal Document Converter

প্ৰথম প্ৰকাশ ঃ ১৯৮০ চন

প্ৰকাশক ঃ বাণী মন্দিৰ

এইখনো এখন ভূপেন হাজৰিকাৰ গীতৰ সংকলন। এই সংকলনৰ গীতসমূহ অসম আন্দোলনক লৈ লিখা হৈছিল। গীত কেইটি সংগ্ৰহ কৰি সংকলনখন যুগুতাই উলিয়াইছিল নিৰোদ চৌধুৰীয়ে। বেটুপাত আৰু অলংকৰণ বেণু মিশ্ৰৰ। ছয়ত্ৰিশটা গীতৰ এই সংকলনখনিত অসম আৰু লুইতে প্ৰাধান্য পাইছে।

*সময়ৰ পখীঘোঁৰাত উঠি* ঃ

প্ৰথম প্ৰকাশ ঃ ১৯৮১ চন

প্ৰকাশক ঃ বাণী মন্দিৰ

সম্পাদক ঃ কুল গগৈ

বিভিন্ন আলোচনীত প্ৰকাশ হোৱা বিভিন্ন বিষয়ৰ চিন্তা-গধূৰ প্ৰবন্ধ সন্নিবিষ্ট হোৱা এইখন ভূপেন হাজৰিকাৰ তৃতীয় প্ৰবন্ধ সংকলন।

*সহস্ৰজনে মোক প্ৰশ্ন কৰে* ঃ

প্ৰথম প্ৰকাশ ঃ ১৯৮৩ চন

প্ৰকাশক ঃ সূৰ্য হাজৰিকা

আমাৰ প্ৰতিনিধি আলোচনীৰ একে নামৰ শিতানত দিয়া নিৰ্বাচিত প্ৰশ্নোত্তৰৰ সংকলন।

ভূপেন মামাৰ গীতে মাতে অ আ ক খ ঃ

প্ৰথম প্ৰকাশ ঃ ১৯৭৬ চন

প্ৰকাশক ঃ ভবানী পাব্লিচিং, কলিকতা

Created by Universal Document Converter

গীত আৰু পদ্যৰ দৰে শিশুৱে ভালপোৱা কথাৰে ভূপেন হাজৰিকাই শিশুৰ বাবে লিখা এই পুথিখন অৰ্থপূৰ্ণ ছবিৰে অলংকৃত কৰিছে ও,চি,গাংগুলীয়ে। এইপুথিখনে ৰাষ্ট্ৰপতিৰপুৰস্কাৰো লাভ কৰিছিল। ভূপেন হাজৰিকাৰ গীতসমূহত নিখুঁত শব্দ নিৰ্বাচন আৰু তাৰ শৃংখলাবদ্ধ প্ৰয়োগলৈ মন কৰিলে দেখা যায় যে সেই শব্দসমূহ কোনো কাৰণতেই ইফাল সিফাল কৰিব পৰা নাযায়। কাৰণ ভাবৰ লগত এই শব্দসমূহৰ নিবিড় সম্পৰ্ক আছে। গীতবোৰত কৰ'বাত তৎসম, কৰ'বাত অৰ্ধতৎসম, ক'ৰবাত সম্পূৰ্ণ থলুৱা শব্দৰ প্ৰয়োগ দেখা যায় যিবোৰে গীতবোৰক অধিক শ্ৰুতিমধুৰ কৰি তোলে। সেয়েহে ভূপেন হাজৰিকাৰ গীতৰ কথাত মেঘে ডুগ ডুগ ডম্বৰু বজায়, কপিলীয়ে ৰাংধালী ছোৱালীজনী হৈ নাচে। অস্ত আকাশে সাপোন ৰহণ সানি শাৰদীক ৰাণীৰ ৰূপত অভিষিক্তা কৰে। ১৯৯৯ চনৰ ২৭ জানুৱাৰীত ৰবীন্দ্ৰ ভৱনত সাংস্কৃতিক গোষ্ঠী 'জ্যোতিৰূপা'ই আয়োজন কৰা সম্বৰ্ধনা অনুষ্ঠানত দিয়া ভাষণত গীতিকাৰ হিচাবে ভূপেন হাজৰিকাৰ আত্ম উপলব্ধি এনেধৰণে প্ৰকাশ কৰিছে —

> ঈশ্বৰৰ কৃপাত মই গান লিখা আৰম্ভ কৰিলো। গানবিলাক এখন এখনকৈ স্নেপশটৰ নিচিনা কৰিব খুজিলো। গানবোৰ মোৰ কাৰণে গান নহয়, যেন একোখন ছবিহে।.....এনেকৈ কেতিয়াবা কবিতা হিচাবে ওলায় কেতিয়াবা গান হিচাবে ওলায়। কিন্তু বেছিভাগেই গান হয়।
>
> (পৰাশৰ আৰু গোস্বামী, ২০১১, পৃঃ ১২৮)

১৯৯৩ চনত ভূপেন হাজৰিকা যেতিয়া অসম সাহিত্য সভাৰ সভাপতিৰূপে নিৰ্বাচিত হৈছিল, তেতিয়া এটা প্ৰশ্ন উঠিছিল এইবুলি— " ভূপেন হাজৰিকা এজন গান গোৱা শিল্পীহে। কেইটামান গান লিখা আৰু গোৱাৰ বাহিৰে তেওঁ আৰুনো কি কৰিছে? তেওঁতো সাহিত্যিক নহয়। তেওঁনো কেইখন কিতাপ লিখিছে? সাহিত্যৰ কিতাপ তেওঁ এখনো লিখা নাই। তেনেহ'লে কি যুক্তিত এই গান গোৱা মানুহজনক সাহিত্যসভাৰ সভাপতিৰ আসনত বহুৱাব লগা হ'ল ? দেশ আৰু জাতিটোৰ বাবে তেওঁনো কি কৰিছে?"— কিন্তু গীত তেওঁ যিমান লিখিছে গদ্য তাতকৈ কম লিখা নাই, বৰং সংখ্যাৰ হিচাবত গদ্যৰ সংখ্যা কিছু বেছি বুলিয়েই ক'ব পাৰি।

Created by Universal Document Converter

স্বকীয় ভাষা শৈলী আৰু বৈচিত্ৰ্যপূৰ্ণ বিষয় বস্তুৰ চমকপ্ৰদ সৃষ্টিয়ে ভূপেন হাজৰিকাক কৃতবিদ্য সাহিত্যিক হিচাবে পৰিচিত কৰি তুলিছিল। (পৰাশৰ আৰু গোস্বামী, পৃঃ ১৯৬) এচাম কটু সমালোচকে ভূপেন হাজৰিকাৰ সাহিত্যিক প্ৰতিভাৰ ওপৰত সন্দেহ ব্যক্ত কৰা দেখি আন এচাম হিতৈষী সাহিত্যিকে ভূপেন হাজৰিকাৰ সমূহ সাহিত্য কৰ্মক পাঠক সমাজৰ আগলৈ উলিয়াই আনিবলৈ ইচ্ছা প্ৰকাশ কৰিলে আৰু তেওঁলোকৰ এই আশাক বাস্তৱ ৰূপ দি বাণী মন্দিৰ প্ৰকাশনৰ হৈ সূৰ্য হাজৰিকাই পোন্ধৰখন পুথি প্ৰকাশ কৰি ভূপেন হাজৰিকাৰ সাহিত্যৰাজি সংৰক্ষণৰ প্ৰচেষ্টা চলায়। তাৰে ভিতৰত ১৯৯৩ ৰ পৰা ২০১১ চনলৈকে ভূপেন হাজৰিকাৰ তেৰখন পুথি সম্পাদনা কৰে ৰতিমোহন নাথে। এই গ্ৰন্থাৱলীৰ মাজত আছে,

১) *সাহিত্যৰ নানা কথা* ঃ সাহিত্য বিষয়ক তত্ত্ব গধূৰ প্ৰবন্ধমালা

২) *কৃষ্টিৰ পথাৰে পথাৰে* ঃ কলা-সংস্কৃতি-সাহিত্য সম্পৰ্কীয় চিন্তাগধূৰ প্ৰবন্ধৰ সংকলন।

৩) *দিহিঙে দিপাঙে*

৪) *বহাগ মাথোঁ এটি ঋতু নহয়* ঃ বহাগ বিহু আৰু অসমীয়া সমাজ-সংস্কৃতি বিষয়ক এলানি প্ৰবন্ধ।

৫) *জ্যোতি ককাইদেউ* ঃ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ সান্নিধ্য আৰু তেখেতৰ প্ৰতিভাৰ বিষয়ে আলোকপাত।

৬) *বিষ্ণু ককাইদেউ* ঃ কলাগুৰু বিষ্ণুৰাভাৰ সান্নিধ্য আৰু তেখেতৰ প্ৰতিভাৰ বিষয়ে আলোকপাত।

৭) *নন্দন তত্ত্বৰ কৰ্মীসকল* ঃ যাযাবৰ ভূপেন হাজৰিকাৰ অগতানুগতিক ভ্ৰমণ কাহিনী।

৮) *সুন্দৰৰ পূজাৰী*

৯) *বহ্নিমান লুইতৰ পাৰে পাৰে* ঃ অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ বিষয়ে যুগুতোৱা প্ৰবন্ধ সংকলন।

১০) *দেশ বিদেশৰ সাময়িক প্ৰসংগ*

১১) *অন্য ভাষালৈ অনুদিত গীত*

১২) *ভূপেন হাজৰিকাৰ কবিতা*

Created by Universal Document Converter

১৩) *সাক্ষাৎকাৰ*

একেদৰে সূৰ্য্য হাজৰিকাৰ দ্বাৰা সম্পাদিত গ্ৰন্থ সমূহ হৈছে —

১) *গীতাৱলী* ঃ এই গীতৰ সংকলনটিত ভূপেন হাজৰিকাৰ ৩০৭ টা গীত সন্নিবিষ্ট হৈ আছে। এই পুথিখনৰ ভূমিকা লিখিছে ড° মহেন্দ্ৰ বৰাই। পুথিখনৰ প্ৰথম প্ৰকাশ ঃ ১৯৯৩ চন।

২) *মই এটি যাযাবৰ* ঃ ভূপেন হাজৰিকাৰ যাযাবৰী জীৱনৰ ব্যস্ততাৰ বাবে ভূপেন হাজৰিকাৰ আত্মজীৱনী প্ৰথমে ষাঠিটা বাণীবদ্ধ সঁফুৰাৰ অনুলেখনৰ মাজেদি ভূপেন হাজৰিকাৰ আত্মজীৱনীখন প্ৰস্তুত কৰা হৈছিল। এই আত্মজীৱনীখনৰ অনুলেখক আছিল সূৰ্য হাজৰিকা। ১৯৯৩ চনত এই পুথিখন পোন প্ৰথম বাৰৰ বাবে প্ৰকাশিত হয়।

৩) *চিত্ৰনাট্য* ঃ ভূপেন হাজৰিকাই ৰচনা কৰা চিত্ৰনাট্যসমূহৰ সংকলন

৪) *ভূপেন হাজৰিকাৰ ভাষণ সমগ্ৰ*

৫) *বিধান সভাত ভূপেন হাজৰিকা*

৬) *ভূপেন মামাৰ গীতে মাতে অ আ ক খ*

পিছলৈ *মই এটি যাযাবৰ* আৰু *গীতাৱলীৰ* পৰিবৰ্ধিত সংস্কৰণো প্ৰকাশিত হৈছিল। *গীতাৱলীৰ* নতুন নামকৰণ হৈছিল *গীতাৱলী - ড° ভূপেন হাজৰিকাৰ গীতসমগ্ৰ* বুলি আৰু তাত ৩৪২ টা গীত সন্নিবিষ্ট কৰা হৈছিল। ভূপেন হাজৰিকাৰ *সম্পাদকীয়* আৰু *প্ৰসংগ সুন্দৰৰ* নামৰ আন দুখন গদ্যপুথি সম্পাদনাৰে যুগুতাই উলিয়াইছিল শেখৰজ্যোতি ভূঞাই। সেইদৰে হেমেন দাসৰ সম্পাদনাত প্ৰকাশিত ভূপেন হাজৰিকাৰ গ্ৰন্থখনি হ'ল, — *মোৰ দেশ ঃ মোৰ মনৰ কথা*। (পৰাশৰ আৰু গোস্বামী, পৃঃ ২০৩) অতি কম বয়সতে গীতৰ জগতত প্ৰৱেশ কৰা ভূপেন হাজৰিকাৰ মাথোঁ ন-বছৰ বয়সতেই সৃষ্টিকৰ্মৰ অংকুৰণ ঘটিছিল। জীৱনৰ প্ৰথম ৰচনাতেই ভূপেন হাজৰিকাই পৈণত সৃষ্টিশীল প্ৰতিভাৰ আভাস দিবলৈ সক্ষম হৈছিল। ভূপেন

Created by Universal Document Converter

হাজৰিকাৰ পৰিয়ালত থকা বৈষ্ণৱ সংস্কৃতিৰ প্ৰভাৱে ভূপেন হাজৰিকাক শংকৰদেৱৰ ব্যক্তিত্বৰ প্ৰতি আকৰ্ষিত কৰিছিল। এজন ভাল গায়ক হ'ব পাৰিব বুলি নভবা ভূপেন হাজৰিকাই কিন্তু শৈশৱৰ পৰাই সমাজৰ প্ৰতি দায়িত্বশীল হোৱাৰ চিন্তা মনত পুহি ৰাখিছিল। (হাজৰিকা (অ.লি), ২০১১, পৃঃ ২৩) সৰুৰে পৰা বৰগীত, নামঘোষা আদিৰ সুৰৰ সৈতে সম্পৰ্ক স্থাপন কৰা ভূপেন হাজৰিকাই শংকৰদেৱৰ আদৰ্শেৰে সমাজক এক গোট কৰিব বিচাৰিছিল। সেই মানসেৰে শৈশৱ কালতেই এটি গীত ৰচনা কৰিছিল,

অ' মোৰ গুৰু ঐ

কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে

ধৰিছিল নামৰে তান,

নামৰে সুৰতে আনন্দত নাচিছিল

পবিত্ৰ বৰদোৱা থান। (হাজৰিকা (সম্পা), ২০১০, পৃঃ ১)

এইক্ষেত্ৰত শৈশৱতে ভূপেন হাজৰিকাৰ কণ্ঠৰ গীত শুনি মুগ্ধ হৈ ভূপেন হাজৰিকাক ভৱিষ্যতে ডাঙৰ কণ্ঠ শিল্পী হ'বলৈ আশীৰ্বাদ দিয়া লক্ষ্মীনাথ বেজবৰুৱাৰ গীতৰ প্ৰভাৱ ভূপেন হাজৰিকাৰ অজানিতেই উল্লেখিত গীতটিত পৰিছিল বুলি ভবাৰ থল আছে। শংকৰদেৱক জগতৰ গুৰু বুলি ঘোষণা কৰি বেজবৰুৱাই লিখা ' প্ৰেম প্ৰেম বুলি জগতে ঘূৰিলোঁ ...' আৰু ভূপেন হাজৰিকাৰ প্ৰথম গীত 'কুসুম্বৰ পুত্ৰ' ৰ ভাৱাৰ্থৰ মাজত এটি মিল থকা যেন অনুভৱ হয় । পৰৱৰ্তী সময়ত সমাজবাদী চিন্তাধাৰাৰে ভূপেন হাজৰিকাই গীতৰ জগতত যি এক অবিৰত যাত্ৰাৰ পাতনি মেলিছিল, সেই যাত্ৰাই দিনে দিনে ভূপেন হাজৰিকাক সমাজৰ পৰিৱৰ্তনকামী এগৰাকী চিন্তাশীল স্ৰষ্টা কৰি তুলিছিল। গীতৰ মাজেৰেই ভূপেন হাজৰিকাই সমাজ গঢ়াৰ পৰিকল্পনা কৰিছিল। সৰু সৰু মানুহৰ শ্ৰম আৰু দৈন্যকো গীতৰ বিষয় হিচাবে বাচি লৈ সহস্ৰজনৰ কণ্ঠ হৈ এখন নতুন অসম , এখন নতুন ভাৰত গঢ়াৰ সপোন দেখিছিল। ১৯৪৮ চনত ভূপেন হাজৰিকা ভাৰতীয় গণনাট্য সংঘৰ সদস্য হয় আৰু সৰ্বহাৰা , নিপীড়িতসকলৰ মুক্তিৰ বাবে কেইবাটিও গীত ৰচে। সেইখিনি সময়ত বিষ্ণু ৰাভাই তেওঁৰ *মুক্তি*

Created by Universal Document Converter

*দেউল* নামৰ গ্ৰন্থ খনত ভূপেন হাজৰিকা ৰচিত ‘ অগ্নিযুগৰ ফিৰিঙতি মই’ , আৰু ‘ব’ল আগুৱাই ব’ল’ শীৰ্ষক গীত দুটি সন্নিবিষ্ঠ কৰে। নিজৰ গীত সৃষ্টিৰ সন্দৰ্ভত ভূপেন হাজৰিকাই লিখিছে,

> সকলো সুন্দৰ গীত সৃষ্টিতে, সকলো ভাল ফৰ্মতে ভাল কণ্টেণ্ট লাগে। সেই কণ্টেণ্টৰ বিষয়ে, অন্তৰৰ গভীৰতম ঠাইৰ পৰা উপলব্ধি লাগে, শব্দ প্ৰয়োগত সংযম লাগে, মনত সুৰ লাগে, নিঃশ্বাসত ছন্দ লাগে, এটি ভাল গীতত ভাল ‘আদি’ লাগে, ‘মধ্য’ লাগে, ভাৱৰ ৰেখা উৰ্ধমুখী হৈ শিখৰ এটিলৈ উঠিব লাগে আৰু লাগে গীতিকাৰে শ্ৰোতাৰ মনোবিশ্লেষণ কৰিব পৰা কিঞ্চিৎ ক্ষমতা। (দাস, ২০১২, পৃঃ ২২-২৩)

ভূপেন হাজৰিকাই প্ৰায় দুকুৰিৰ ওপৰ কবিতা ৰচনা কৰিছে। কুৰিতকৈয়ো অধিক কবিতা অনুবাদো কৰিছে। ৰচনা আৰু অনুবাদ উভয়তে তেওঁৰ স্বকীয় সৌন্দৰ্য আৰু বুদ্ধিমত্তাৰ প্ৰকাশ ঘটা দেখা যায়। সম-সাময়িক বিষয়, সাম্প্ৰতিক যুগৰ সমস্যা, ভ্ৰমণৰ অভিজ্ঞতা আদি বিভিন্ন বিষয় লৈ তেওঁ কবিতাসমূহ ৰচনা কৰিছে। কেতিয়াবা ৰমন্যাস আৰু কেতিয়াবা কঠোৰ বাস্তৱ উভয়েই যেন ভূপেন হাজৰিকাৰ কবিতাত চিত্ৰিত হৈছে। কোনাৰ্কৰ স্থাপত্যৰ সংগমৰত যুগল মূৰ্তিৰ মাজতো হাজৰিকাই দৰ্শন কৰা আধ্যাত্মিকতাৰ সুবাসে তেওঁৰ কবিতাক সুন্দৰ কৰি তুলিছে। ‘ঊষা আৰু নিশা’ কবিতাটিৰ মাজেৰে যেন মানুহৰ কৰ্ম , কৰ্তব্য আৰু উদ্যমৰ কথাহে ক’ব বিচাৰিছে। সেইদৰে জগন্নাথ মন্দিৰৰ ধৰ্মীয় বাতাৱৰণৰ মাজতো দেখা পাওঁৱাৰ লোভে হাজৰিকাৰ মন ভাৱাক্ৰান্ত কৰি তুলিছে আৰু তাৰেই প্ৰকাশ ঘটিছে ‘জগন্নাথ মন্দিৰ ’ শীৰ্ষক কবিতাটোত। সেইদৰে ‘টোপনি’ , ‘মোৰ পুৰণি ঘৰ ’ আদি শীৰ্ষক কবিতাসমূহত ভূপেন হাজৰিকাৰ নষ্টালজিয়াৰ উমান পোৱা যায়। নৱকান্ত বৰুৱাৰ মৃত্যুত লিখা ‘কবিতাৰ দিন’ শীৰ্ষক কবিতাটো সুকোমল শব্দ চয়নেৰে আৰু নৱকান্ত বৰুৱাৰ প্ৰিয় শব্দসমূহৰ ব্যৱহাৰেৰে সুন্দৰ কৰি তুলিছে। তেনেদৰে ভাতৃ জয়ন্ত হাজৰিকাৰ মৃত্যুত লিখা ‘জয়ন্তৰ আত্মাৰ উদ্দেশ্যে ’ নামৰ কবিতাত ফুটি উঠা কৰুণ ৰসে ভাতৃৰ প্ৰতি থকা তেওঁৰ স্নেহৰ পৰিচয় দিছে। ৰোমাণ্টিক আৰু যুদ্ধোত্তৰ যুগৰ কবি হিচাপে ভূপেন হাজৰিকাৰ কবিতাত ৰমন্যাস আৰু কঠোৰ বাস্তৱৰ জ্বলন্ত সমস্যা একেলগে চিত্ৰিত হৈছে। ‘তুলা, জোনাক, নিয়ৰ ’ শীৰ্ষক কবিতাত এহাতে প্ৰকৃতিৰ অপৰূপ

Created by Universal Document Converter

ৰূপৰ বৰ্ণন আৰু আনহাতে বহুতৰে হুমুনিয়াহৰ বৰ্ণনাই কবিতাটোক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। হাজৰিকাৰ ৰমন্যাসধৰ্মী কবিতাতো সোমাই আছে সমাজবাদী চিন্তা। 'শৰতৰ মণ্টাজ' শীৰ্ষক কবিতাত তেনে চিন্তাই আগ স্থান পোৱা যেন লাগে,

সহস্ৰজনৰ প্ৰাৰ্থনা

বাস্তৱ হয় যেন সকলো কল্পনা

কাৰ কেনে কল্পনা —

আমিও এক শ্ৰেণী।

ভূপেন হাজৰিকাৰ এটি উল্লেখযোগ্য কবিতা ' পাৰ্ছপেক্‌টিভ' ত ভূপেন হাজৰিকাৰ এখন বিশ্বব্যাপী গাওঁ আৰু এখন গঠনমুখী সমাজৰ সপোনৰ চিন্তাৰ উমান পোৱা যায়। হাজৰিকাই কবিতাটোত লিখিছে ,

নিউইয়ৰ্কত

শ্যাম দেশৰ ডেকাজন পালোঁ

এনে লাগিল

যেন সি বহুদিনৰ চিনাকি

মোৰ শদিয়াৰ পাহুৱাল ডেকাহে।

মোৰ পাৰ্ছপেক্‌টিভত

মানুহ ইতিবাচক।

সেইদৰে 'আজি' শীৰ্ষক কবিতাটো বামপন্থী চিন্তাধাৰাৰে সিক্ত হৈছিল ; 'ইন্টাৰভিউ' শীৰ্ষক কবিতাটোত ৰাজনীতিৰ প্ৰতি ক্ষোভ ফুটি উঠিছিল ; ' প্ৰকাশ নিঃশব্দ ঃ সময়' শীৰ্ষক কবিতাত সশস্ত্ৰ বিদ্ৰোহৰ বিপৰীতে

Created by Universal Document Converter

শান্তি স্থাপনৰ কামনা ; 'আয়না' শীৰ্ষক কবিতাত কবিৰ আত্মবিশ্লেষণ ; ' লুকা ভাকু' শীৰ্ষক কবিতাত নোপোৱাৰ বেদনা আদিৰ দৰে বিভিন্ন বিষয়ে ভূপেন হাজৰিকাৰ নাতি-দীৰ্ঘ কবিতাসমূহক উচ্চমান বিশিষ্ট সাহিত্যত উপনীত কৰাইছে। ভূপেন হাজৰিকাৰ কবিতাৰ সন্দৰ্ভত পুলিন কলিতাইএনেদৰে মন্তব্য কৰিছে,

> ভূপেন হাজৰিকা এজন সফল কবিও। ছেগা- চোৰোকাকৈ তেওঁ ভালেমান কবিতা লিখিছে, বিদেশী কবিৰো ভালেমান কবিতা তেওঁ অসমীয়ালৈ অনুবাদ কৰিছে। এইবোৰ অৱশ্যে থুপাই সংকলিত হোৱা নাই আৰু সেইবাবেই তেওঁৰ কবি প্ৰতিভাৰ মূল্যায়নো হোৱা নাই। পিছে তেওঁ যিখিনি গীত লিখিছে, এইবোৰৰ প্ৰতিটোৱেই একোটা উত্তম কবিতাও। উল্লেখযোগ্য যে কবিসকল গীতিকাৰ নহ'লেও হয়, কিন্তু গীতিকাৰসকল কবি হ'বই লাগিব। এই চৰ্ত যথাৰ্থভাৱেই পূৰণ কৰিছে ভূপেন হাজৰিকাই। (কলিতা, ২০০৭, পৃঃ ৯৭)

২০০৮ চনত সূৰ্য হাজৰিকা শৈক্ষিক ন্যাসৰ সৌজন্যত ভূপেন হাজৰিকাৰ ৰচনাৰাজিক একত্ৰিত কৰি প্ৰকাশিত হয় ' ড° ভূপেন হাজৰিকা ৰচনাৱলী'ৰ তিনিটা খণ্ড। ৰচনাৱলীখনৰ তিনিটা খণ্ডত ভূপেন হাজৰিকাৰ সমূহ গীত, অসমীয়া আৰু ইংৰাজী প্ৰবন্ধ, আত্মজীৱনী, ভ্ৰমণ কাহিনী, স্ব-ৰচিত কবিতা, অনূদিত কবিতা, শিশু সাহিত্য, ভূপেন হাজৰিকাৰ ভাষণাৱলী , স্ব-ৰচিত চিত্ৰনাট্য ( চলচ্চিত্ৰৰ), স্ব-সম্পাদিত আলোচনীৰ সম্পাদকীয়সমূহ, তেখেতৰ গৱেষণা গ্ৰন্থ "India's Basic Educators to use Audio - Visual Techniques in Adult Education" , বিধান সভাত আগবঢ়োৱা তেখেতৰ বক্তব্য আদিৰ লগতে বিভিন্ন সময়ত বিভিন্ন কাকত আলোচনী আদিত প্ৰকাশিত সাক্ষাৎকাৰসমূহকো সামৰি লোৱা হৈছে। এই ৰচনাৱলী খনৰ সূচীপত্ৰৰ অলংকৰণত অধিক গুৰুত্ব দিয়া হৈছে। বিষয়বস্তুৰ গুৰুত্ব অনুযায়ী ৰচনাৱলীখন তিনিটা ভাগত ভাগ কৰা হৈছে।

১৯৫৭ চনত ভূপেন হাজৰিকাই প্ৰথম অসমীয়া আৰ্ট জাৰ্নেল *গতি* নামৰ আলোচনীখনৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। ১৯৬০ চনত কলিকতাৰ পৰা প্ৰকাশিত আলোচনী *আমাৰ প্ৰতিনিধি*ৰ তৃতীয় সংখ্যাৰ পৰা

Created by Universal Document Converter

*শিল্পীৰ পৃথিৱী* নামৰ শিতান এটাত লিখিবলৈ লয়। উক্ত শিতানটো আছিল কলা-সংস্কৃতি, বোলছবি বিষয়ক শিতান। পিছলৈ এই আলোচনীখনৰ সম্পাদনাৰ দায়িত্বও লৈছিল। ১৯৬৫ চনৰ পৰা ১৯৮১ চনলৈকে ভূপেন হাজৰিকাই একেৰাহে যোল্ল বছৰকাল এই আলোচনী খনৰ সম্পাদকৰ গুৰু দায়িত্ব গ্ৰহণ কৰে। (হাজৰিকা (অ.লি), ২০১১, পৃঃ ৫৩০ ; পৰাশৰ আৰু গোস্বামী, পৃঃ ২০১) সমাজত প্ৰধানকৈ গীতিকাৰ ৰূপেহে খ্যাত ভূপেন হাজৰিকাই নিজৰ গদ্য লিখাৰ সন্দৰ্ভত এনেদৰে কৈছে,

> এই শিতানত লিখিবলৈ লোৱাৰ আগলৈকে গদ্য মই বৰ বেছি লিখা নাছিলোঁ। কাৰণ গীত লিখাহে মোৰ বৃত্ত পথ আৰু শৈশৱৰ পৰা মই গানেই গাই আহিছোঁ। পিচে গদ্য মই ইয়াৰ আগতেও লিখিছিলোঁ। কিন্তু সংখ্যাত কম। সেয়াও লিখিছিলোঁ কোনো কোনো কাকত- আলোচনীৰ অনুৰোধত। মই নিয়মিত গদ্যৰ অনুশীলন কৰিব নোৱাৰাৰ কাৰণ —মোৰ এই যাযাবৰী জীৱন। তাৰেই মাজে মাজে যিখিনি গদ্য লিখিছোঁ, সেইবোৰৰো পটভূমিত আছে মোৰ যাযাবৰী জীৱনৰ অভিজ্ঞতা।
>
> (হাজৰিকা (অ.লি), ২০১১, পৃঃ ১৯৬)

ভূপেন হাজৰিকাৰ লিখনীৰ বিষয়-বস্তু আছিল নিত্য নতুন। চিন্তাশীল ৰচনাৰ লিখক বুলি খ্যাত হাজৰিকাৰ লিখনীয়ে এচাম পাঠকক সন্মোহিত কৰিব পাৰিছিল। সুন্দৰৰ সৰু বৰ আলিয়েদি সাহিত্যিক জীৱনৰ যাত্ৰা অব্যাহত ৰখা ভূপেন হাজৰিকাই স্ব-ৰচিত গদ্যৰ বিষয় নিৰ্বাচনৰ ক্ষেত্ৰত এনেদৰে মন্তব্য আগবঢ়াইছে,

> যেতিয়াই যি ঠাইত কোনো সামূহিক সমস্যাৰ তথ্য পাইছোঁ, তেতিয়াই সেই বিষয়ে ৰাইজৰ সৈতে কথা পাতিবলৈ মোৰ মন গৈছে। সেই কাৰণেই বিভিন্ন সময়ত, বিভিন্ন কাৰণত মই গদ্য লিখিছোঁ। মই লিখা গদ্যৰ সাহিত্যিক মূল্য আছেনে নাই, সেই বিষয়ে মই ভবা বা চিন্তা কৰা নাই। সেইটো মোৰ মুখ্য উদ্দেশ্যও নহয়, মুখ্য উদ্দেশ্য মোৰ প্ৰকাশ হে । মোৰ গদ্যৰ সহায়ত মই পঢুৱৈ সমাজৰ সৈতে কথা পাতিব খোজোঁ। (হাজৰিকা, ২০১১, পৃঃ ১৯৬)

Created by Universal Document Converter

ভূপেন হাজৰিকাৰ চিন্তাধাৰা সদায় আছিল সমাজতকৈ দুখোজ আগবঢ়া। সেয়েহে বিন্দুতেই সিন্ধুৰ সন্ধান বিচৰাৰ মানসেৰে ভূপেন হাজৰিকাই ১৯৭০ চনত *বিন্দু* নামৰ এখনি মিনি আলোচনী অসমীয়া ভাষাত প্ৰকাশ কৰিছিল। *বিন্দু*ৰ প্ৰথম বছৰ প্ৰথম সংখ্যাত ভূপেন হাজৰিকাই লিখা ৰসাল সম্পাদকীয়টোৰ এছোৱা এনেধৰণৰ—

> মিনি ফ্ৰণ্ট, মিনি এচেম্বলী, মিনি খাদ্য, মিনি দৰমহা, মিনি স্কাৰ্ট, মিনি সাহিত্য আহিল। কম পিন্ধি অধিক দৰ্শোৱা যুগ এয়া। সকলো মিনিকেই বদ্ বুলি সাধাৰণীকৰণ কৰাও বদ্ ,সৎ নহয় ।দেখা যাওক, অসমৰ সাহিত্যিকে নিয়ৰ কণিকাত মহাভাৰত আঁকিব পাৰেনে নোৱাৰে। এটি চেলেঞ্জ। হয় চেলেঞ্জ। এই বিন্দুৰে।
>
> (হাজৰিকা, ২০০৮, পৃঃ ২৩)

এটা সময়ত *বিন্দু* আলোচনীখনো বন্ধ হৈ গৈছিল। *বিন্দু* সম্পৰ্কে ভূপেন হাজৰিকাই আত্মজীৱনীত এনেদৰে কৈছে,

> কিন্তু সেই 'বিন্দু' বেছি দিন টিকি নাথাকিল। মোৰ কৰ্মব্যস্ততাৰ সিন্ধুত বিন্দু এদিন বিলীন হৈ গ'ল। কিন্তু হেৰাই যোৱা নাই তাৰ বিন্দু পৰিমাণ অৰিহণাখিনি। (হাজৰিকা, ২০১১, পৃঃ ২৬৫)

পৰৱৰ্তী সময়ত ভূপেন হাজৰিকাই *প্ৰতিধ্বনি* নামৰ আলোচনী এখনৰো সম্পাদক ৰূপে কাৰ্য নিৰ্বাহ কৰিছিল। ১৯৮৩ চনৰ পৰা প্ৰকাশৰ পোহৰ দেখা এই আলোচনী খনৰ কাৰ্যকাল চলি আছিল ১৯৯০ চন পৰ্যন্ত।

(পৰাশৰ আৰু গোস্বামী,২০১১, পৃঃ ২০১)

১৯৪৬ চনতেই ভূপেন হাজৰিকাই 'সুকুমাৰ কলা ঃ মন আৰু সমাজ' নামৰ এটি চুটি প্ৰবন্ধ লিখিছিল। এইটোৱেই সম্ভৱতঃ হাজৰিকাৰ প্ৰথম গদ্য ৰচনা। তেতিয়া তেওঁ বেনাৰস হিন্দু ইউনিভাৰ্ছিটিৰ ছাত্ৰ। জীৱন সম্পৰ্কে গঢ় লোৱা এক স্বচ্ছ ধাৰণাৰে পুষ্ট এই নিবন্ধৰ আধাৰত ভূপেন হাজৰিকাই কলা সংস্কৃতিৰ লক্ষ্য

Created by Universal Document Converter

নির্ধাৰণ কৰাৰ প্ৰয়াস কৰিছিল। ভূপেন হাজৰিকাই সংস্কৃতি সম্পৰ্কীয় অধ্যয়ন গভীৰভাৱে কৰাৰ প্ৰমাণ এই প্ৰবন্ধটোতেই পোৱা যায়। একাণপতীয়াকৈ লাগি থাকিলে ভূপেন হাজৰিকা নিঃসন্দেহে এজন প্ৰথম শ্ৰেণীৰ কলা সমালোচক হ'ব পাৰিলেহেঁতেন। প্ৰবন্ধটিৰ জৰিয়তে ভূপেন হাজৰিকাই মানুহে জন্মগত ভাৱে লভা ক্ষুধা আৰু কাম প্ৰবৃত্তিৰ বাহিৰেও যে কলাত্মক মন এটাৰ সহায়ত গতিশীল জীৱন এটা লাভ কৰিব পাৰে তাক মননশীলতাৰে বিশ্লেষণ কৰি দেখুৱাইছে। ভূপেন হাজৰিকাৰ প্ৰবন্ধৰ সন্দৰ্ভত পুলিন কলিতাই এনেদৰে কৈছে,

> তেতিয়ালৈ অসমৰ বিদ্বৎ মহল হয় বিশুদ্ধ সাহিত্য লৈ নহ'লেবা বিশুদ্ধ সাহিত্যতত্ত্ব লৈ ব্যস্ত আছিল; কলা-সংস্কৃতি সম্পৰ্কীয় চিন্তা-চৰ্চা তেতিয়ালৈ হোৱাই নাছিল। এইখিনিতে প্ৰণিধানযোগ্য যে কলা-সংস্কৃতি সম্বন্ধীয় সৰ্বশ্ৰেষ্ঠ অসমীয়া নিবন্ধ জ্যোতিপ্ৰসাদৰ 'শিল্পীৰ পৃথিৱী'ত প্ৰকাশ হৈছিল ১৯৪৮ চনতহে। এইফালৰ পৰা ভূপেন হাজৰিকাক পথিকৃৎ বুলিব লাগে—। (কলিতা, ২০০৭, পৃঃ ১৪)

ভূপেন হাজৰিকাৰ ব্যতিক্ৰমী চিন্তাধাৰাৰ সুস্পষ্ট প্ৰমাণ পোৱা যায় তেওঁৰ সকলো ধৰণৰ লিখনীত। সাধাৰণ পাৰ্থিৱ বস্তু এটাও তেখেতৰ চকুত অসাধাৰণ হৈ দেখা দিছিল আৰু তাৰ প্ৰকাশ ঘটিছিল উপমাৰ জৰিয়তে। প্ৰথম আমেৰিকা ভ্ৰমণৰ সময়ত দৰ্শন কৰা চহৰসমূহৰ বিষয়ে তেখেতে এনেদৰে লিখিছিল,

> সৌৱা কলম্বো চহৰ , সেউজীয়া চুলি মেলি ধুনীয়া গাভৰু লংকাজনীয়ে যেন ভাৰত মহাসাগৰত গা ধুই ৰ'দ পুৱাইছে। প্লে'নৰ পৰা দেখি ৰোমাঞ্চিত হৈ পৰিছিলোঁ, ওচৰ পাই দেখিলোঁ, তাই বিকিনি ছুইমিং কষ্টিউমো পিন্ধিছে।
>
> (হাজৰিকা,২০১১,পৃঃ৮০)

ভূপেন হাজৰিকাৰ প্ৰিয় বিষয় আছিল লোককৃষ্টি আৰু গৱেষণাৰ বিষয় আছিল গণসংযোগ। তত্ত্বমূলক আৰু ব্যৱহাৰিক দুয়োটা দিশৰ পৰাই ভূপেন হাজৰিকা লোকসংস্কৃতিবিদ আছিল। ছোভিয়েট ৰাছিয়াৰ লাটাভিয়াৰ ৰাজধানী ৰিগাত দিয়া এটি ভাষণত ভূপেন হাজৰিকাই এজন লোকসংগীতৰ সংগ্ৰাহক আৰু ব্যাখ্যাকাৰক বুলি

Created by Universal Document Converter

নিজৰ পৰিচয় দিছিল। সেইকাৰণেই ভূপেন হাজৰিকাৰ ভালেমান গদ্যত দেখিবলৈ পোৱা গৈছিল লোকসংগীতৰ সৰল ব্যাখ্যা। তেনেবোৰ লিখনীত ভূপেন হাজৰিকাৰ বিদগ্ধতাৰ পৰিচয় পোৱা যায়। (কলিতা,২০০৭,পৃঃ২৩-২৫) জন্মসূত্রে পোৱা সুকণ্ঠই ভূপেন হাজৰিকাক গায়ক ৰূপে প্রতিষ্ঠিত কৰালে যদিও, এই দিশটোক তুলনামূলকভাবে বহল প্রতিষ্ঠাৰ পৰা আতৰাই থলে। গায়ক হিচাবে সময় খৰচ নকৰা হ'লে ভূপেন হাজৰিকা গৱেষক পণ্ডিত হিচাবেও অনায়াসে সুপ্রতিষ্ঠিত হ'ব পাৰিলেহেঁতেন। ভূপেন হাজৰিকাৰ সর্ব ভাৰতীয় চিন্তাধাৰাৰ কেতবোৰ লিখনীত আঞ্চলিকতাবাদী ৰাজনৈতিক ভাৱাদর্শৰো পৰিচয় পোৱা যায়। যদিও ভূপেন হাজৰিকাই সদায় আঞ্চলিকতাবাদৰ বিপৰীতে মত পোষণ কৰি আহিছে , তথাপিও তেখেতৰ লিখনীত স্বতঃস্ফূর্ত ভাৱে নিজৰ অঞ্চলটোৰ জয়গানে প্রাধান্য পাই অহা দেখা গৈছে। বিশেষ এটা উদাহৰণলৈ নগৈ তেওঁৰ গীত আৰু অন্যান্য লেখাৰ মাজত সঘনাই ধ্বনিত হোৱা অসম, অসমীয়া সংস্কৃতিৰ প্রতি প্রেম, ইয়াৰ ন্যায্য প্রতিষ্ঠাৰ বাবে তেওঁৰ প্রয়াসৰ প্রতি সামগ্রিক দৃষ্টি দিলেই এই কথা পৰিষ্কাৰ হৈ পৰে।

কলা-সংস্কৃতিৰ জগতখনত ভূপেন হাজৰিকাই লোকসংগীতক লৈও গভীৰ চিন্তা-চর্চা কৰিছিল আৰু অসমীয়া, বাংলা আৰু ইংৰাজী এই তিনিওটা ভাষাতে ভালেমান প্রবন্ধ লিখিছিল। তেওঁ লিখা অসমীয়া প্রবন্ধ 'লোকসংগীতত জন-হৃদয়ৰ চিত্র' , 'ছাঁ-নাটনো কি?' , বাংলা প্রবন্ধ 'লোক-সংগীতে জন-চিত্তেৰ প্রকাশ', ইংৰাজীত লিখা ' Thoughts on Indian Folk Songs ', 'Mass Comuunication Media vis-a-vis Folk Culture' আদিৰ দৰে চিন্তাকর্ষক ভাষণ পত্রসমূহত তেওঁ লোককৃষ্টিৰ তত্ত্বগত দিশটোৰ বিষয়ে কৰা গভীৰ চিন্তাৰ নমুনা পোৱা যায়। পুলিন কলিতাই এই সন্দর্ভত কৈছে,

> গণসংযোগ বিষয়ৰ আন্তঃৰাষ্ট্রীয়মানৰ এই সন্মিলনখনত তেওঁ দিয়া ভাষণৰ বিষয় আছিল লোকসংগীত আৰু গণ-সংযোগ। এনে এটা বিষয়ত বক্তৃতা দিবৰ বাবে ভূপেন হাজৰিকা যে এজন উপযুক্ত ব্যক্তি তাত সন্দেহ নাই। গণসংযোগ বিষয়টোৰে নির্দিষ্ট গঢ় এটা লৈ উঠাৰ আগতেই তেওঁ পি এইচ ডি কৰিছিল এই বিষয়টোত। আমি ভাবো, জীৱনটো জুৰি মানুহৰ সৈতে সম্পর্ক ৰক্ষা কৰাত তেওঁক তেওঁৰ প্রাকযৌৱনৰ এই বিষয়টোৰে যথেষ্ট

Created by Universal Document Converter

সহায় কৰিছে। .................................... এই ভাষণত, আৰম্ভণিতেই তেওঁ লোক-সংগীতক 'প্ৰজ্ঞাৰ এক ৰূপ, ইতিহাস, কিংবদন্তী আৰু জনশ্ৰুতিৰ জ্ঞানৰ সঁফুৰা' বুলি চিহ্নিত কৰি নিজৰ বিশাল প্ৰজ্ঞাৰে চিনাকি দিছিল। তেওঁৰ ব্যাখ্যাত—'লোকসংগীত ঋজুতা আৰু সৰলতাপূৰ্ণ, ই কোনো এক স্থানীয় নিৰ্দিষ্ট বিষয়ৰ লগত জড়িত আৰু এই সংগীত সৰল।' ইয়াৰ পিছত তেওঁ সঠিকভাৱেই মন্তব্য কৰে যে , 'এই বৈশিষ্ট্যসমূহে লোক-সংগীতক গণ-সংযোগৰ আদৰ্শ বাহক কৰাৰ লগতে শৈক্ষিক বাণী প্ৰচাৰৰো আদৰ্শ মাধ্যমৰ ৰূপ দিছে।

(কলিতা,২০০৭, পৃ ২৩), (হাজৰিকা(সম্পা), ২০০৮, পৃ ১৩১২-১৩২৩)

ভূপেন হাজৰিকাৰ লিখনীৰে সমৃদ্ধ হোৱা মাহেকীয়া আলোচনী *আমাৰ প্ৰতিনিধিয়ে* সেইসময়ত অসমীয়া সাহিত্যৰ জগতত এটি নতুন যুগৰ সূচনা কৰিবলৈ সমৰ্থ হৈছিল। এইখন যথাৰ্থতে আছিল কলা-সাংবাদিকতাৰ বাটকটীয়া স্বৰূপ। উল্লেখযোগ্য যে *আমাৰ প্ৰতিনিধি* ৰ মুখ্য আকৰ্ষণ আছিল ভূপেন হাজৰিকাৰ ৰচনাৰ শিতানকেইটিহে।

তাৰে 'সুন্দৰৰ সৰু-বৰ আলিয়েদি' শিতানত সম্পাদক ড০ ভূপেন হাজৰিকাই পোহাৰ মেলিছিল কলা-সংস্কৃতি জগতৰ অলেখ প্ৰসংগৰ। শিতানটিত ঠাই পাইছিল অসমৰ উপৰি সেই সময়ৰ কলিকতা, বোম্বে, হলিউড আদিৰ অনেক সাংস্কৃতিক বাৰ্তাই। বিষয়-বৈচিত্ৰ্যও আছিল ভাবিব নোৱাৰাকৈ বিশাল। তাৰ লগত সংযোজিত হৈছিল হাজৰিকাদেৱে দিয়া পাণ্ডিত্যপূৰ্ণ টীকা-টিপ্পনি। মুঠতে কলাৰসিক অথবা সংস্কৃতিপ্ৰেমী পঢ়ুৱৈৰ বাবে ৰহঘৰা স্বৰূপ আছিল এই শিতানটি। (ওজা, ২০১৩, পৃঃ ১৪২)

*আমাৰ প্ৰতিনিধি* ৰ আন এটি জনপ্ৰিয় শিতান আছিল 'সহস্ৰজনে মোক প্ৰশ্ন কৰে'। এই শিতানটোত পঢ়ুৱৈসকলৰ নানা প্ৰশ্নৰ উত্তৰ ভূপেন হাজৰিকাই অতি লঘু অথচ মনোবৈজ্ঞানিক দৃষ্টিকোণেৰে দিবলৈ প্ৰয়াস কৰিছিল আৰু সফলো হৈছিল। একেদৰে ভূপেন হাজৰিকা পৰিচালিত বা সম্পাদিত আলোচনীসমূহৰ অধিক জনপ্ৰিয় শিতান আছিল তেওঁৰ লিখনীৰ সম্পাদকীয়সমূহ। সমসাময়িক একোটা গুৰুত্বপূৰ্ণ বিষয় নিৰ্বাচন কৰি

Created by Universal Document Converter

তেওঁ নিজস্ব দৃষ্টি ভংগীৰে সম্পাদকীয়সমূহক সামাজিক আবেদনপুষ্ট কৰি তুলিছিল। লঘু-গুৰু সকলো পৰ্যায়ৰ বিষয়-বস্তুৱেই তেখেতৰ কলমৰ আগত প্ৰাণ পাই উঠিছিল। শব্দ গাম্ভীৰ্যৰে পৰিপূৰ্ণ এই সম্পাদকীয়সমূহৰ চিৰিয়াচ বিষয়-বস্তুবোৰত আছিল উপযোগী ট্ৰিটমেণ্ট। (ওজা, ২০১৩, পৃঃ ১৪৩) ভূপেন হাজৰিকাই ৰচনা কৰা প্ৰৱন্ধসমূহৰ শিৰোনামসমূহ বিশেষভাবে মনোগ্ৰাহী আছিল। বিভিন্ন বিষয় নিৰ্বাচন কৰি লিখা তেখেতৰ লিখনীসমূহৰ শিৰোনামসমূহ পঢ়িলেই পাঠকে নিজকে সম্পূৰ্ণকৈ প্ৰৱন্ধটো পঢ়াৰ পৰা বিৰত ৰাখিব নোৱাৰিছিল। 'জ্ঞান ইণ্ডাষ্ট্ৰি' , 'নাৰ্গিচ ফুলৰ পাপৰি' , 'ভৈলন্ত উদিত চন্দ্ৰ পূৰ্ব দিশ হন্তে', 'উলংগতা যদি লাগে থাকিব' , 'শ্বমা আৰু প্যাৰৰ দুনিয়াত' , 'সুন্দৰী পতিতা কিলাৰে ক্লিওপেট্ৰাকো আঘাত দিছে' ইত্যাদি। মাথোঁ 'বহাগৰ মিঠা মিঠা গীত' গায়েই ক্ষান্ত নাথাকি ভূপেন হাজৰিকাই স্বকীয় দৃষ্টিভংগী, অৰ্থবহ আৰু বলিষ্ঠ লিখনীৰে বিহু বিষয়ক এলানি প্ৰৱন্ধ ৰচনা কৰিছিল । অসমীয়া জাতিটোক তেওঁলোকৰ মূল শিপাৰ লগত পৰিচয় কৰোৱাই দি ভৱিষ্যতে গ্ৰহণ কৰিব লগা কৰ্মসূচীৰে তথ্যগধূৰ এই প্ৰৱন্ধৰাজিৰ মাজেৰেই ভূপেন হাজৰিকাই সমাজখনক নিজস্বতা নেহেৰুৱাবলৈ সততে সঁকিয়াই দিছিল। প্ৰৱন্ধসমূহৰ দৰেই বিভিন্ন সভা-সমিতি , শিক্ষা-সংস্কৃতিমূলক আলোচনা সভা আদিত দিয়া ভূপেন হাজৰিকাৰ ভাষণসমূহেও তেওঁৰ বাগ্মিতাৰ পৰিচয় দিয়ে। এই ভাষণ সন্দৰ্ভত সূৰ্য হাজৰিকাই ভূপেন হাজৰিকাৰ ৰচনাৱলীৰ পাতনিত এনেদৰে কৈছে,

> যুগজয়ী শিল্পী ভূপেন হাজৰিকাই তেওঁৰ গীতসমূহ যিদৰে চমকপ্ৰদ শব্দচয়নেৰে মায়াবী কৰি তোলে আৰু গদ্যসমূহ যিদৰে স্বকীয় কথনশৈলীৰে মনোৰম কৰি তোলে, সেইদৰে সভা-সমিতিত আগবঢ়োৱা ভাষণবোৰো স্বকীয় বচন ভংগীৰে মনোগ্ৰাহী কৰি তোলে। অতি কম কথাৰে বহুতো অৰ্থবহ কথা প্ৰকাশ কৰাটো তেওঁৰ ভাষণৰ এক সুকীয়া বিশেষত্ব। এইদৰে স্বদেশ আৰু বিদেশৰো বিভিন্ন ধৰণৰ সভা আৰু গুৰুত্বপূৰ্ণ ছেমিনাৰত শিল্পী গৰাকীৰ মৌখিক আৰু লিখিত ভাষণসমূহো সময়ে সময়ে প্ৰকাশ পাইছিল বিভিন্ন আলোচনীৰ পাতত। এনে সাৰগৰ্ভ ভাষণসমূহৰ প্ৰাসংগিকতা আজিও হেৰাই যোৱা নাই। (হাজৰিকা (সম্পা), ২০০৮, পৃঃ ০.২১)

ভাষা আৰু সাহিত্য অধ্যয়নৰ আনুষ্ঠানিক ছাত্ৰ নাছিল যদিও ভূপেন হাজৰিকাই অসমীয়া ভাষাৰ

Created by Universal Document Converter

কালিকাৰ ওপৰত আয়ত্ত কৰা পাৰ্গতালিৰে শব্দ প্ৰয়োগ আৰু বাক্যবিন্যাসৰ ক্ষেত্ৰত নিজাববীয়াকৈ পৰীক্ষা-নিৰীক্ষা কৰি সফল ভাৱে নিজৰ গদ্যত তাক প্ৰয়োগ কৰিছিল। আৰু সেইবাবেই তেওঁৰ লিখনী আছিল অধিক মনোগ্ৰাহী। উদাহৰণ স্বৰূপে 'সেৰা কৰিম'ৰ ঠাইত 'সেৰিম' আৰু 'পূজা কৰিমৰ ঠাই'ত 'পূজিম'ৰ ব্যৱহাৰ মনকৰিবলগীয়া। (ওজা, ২০১৩, পৃঃ ১৪২-১৪৫) ভূপেন হাজৰিকা নিয়ম ভঙা কলাকাৰ। যিগৰাকী শিল্পীয়ে 'নিয়ম ভঙাকেই নতুন নিয়ম' বুলি ভাবে, সেইগৰাকীৰ গদ্যত 'ব্যাকৰণৰ সাধাৰণ ৰীতি'ৰ ব্যতিক্ৰম ঘটিবই। (পৰাশৰ আৰু গোস্বামী, পৃঃ ২০২) ভূপেন হাজৰিকাৰ গদ্য সাহিত্যত ভাষাৰ এটা প্ৰধান বৈশিষ্ট্য হ'ল যে তেওঁ অসমাপিকা ক্ৰিয়াযুক্ত দীঘল বাক্য প্ৰয়োগ কৰা দেখা যায়। এনে বাক্যৰ প্ৰয়োগে প্ৰেক্ষাপটৰ বিশদ বিৱৰণ (detailing) ৰ কাম কৰে। উদাহৰণস্বৰূপে —

> 'কলিকতাত দুমাহ থাকি, আমাৰ প্ৰতিনিধি পূজা সংখ্যা সম্পাদনা কৰি 'জ্যোতিপ্ৰসাদৰ পূৰ্ণ দৈৰ্ঘ্যৰ প্ৰামাণ্য ছবি কৰি 'চামেলি মেমচাব'ৰ সংগীত শেষ কৰি মাত্ৰ তিনিদিনৰ বাবে গুৱাহাটীলৈ গৈ 'চামেলি মেমচাব'ৰ প্ৰেছ শ্ব'ত উপস্থিত থাকি, আকৌ লৰালৰিকৈ উৰা মাৰিব লগীয়া হ'ল বিখ্যাত বঙালী সাহিত্যিক বিভূতি মুখোপধ্যায় ডাঙৰীয়াই লিখা উপন্যাস 'দৈনন্দিন'ৰ ভেটিত নিৰ্মাণ কৰা বাংলা বোলছবি 'দম্পতী'ৰ দুটি গীত বাণী বদ্ধ কৰাৰ বাবে।
>
> (বৰা (সম্পা), ২০১৩, পৃঃ ১৮)

ভূপেন হাজৰিকাই ভাষা মনোৰম আৰু সুখপাঠ্য কৰি তুলিবলৈ বিভিন্ন শৈলী প্ৰয়োগ কৰে। বিভিন্ন প্ৰবন্ধত সাধাৰণতে চুটি চুটি বাক্য ব্যৱহাৰ কৰি সুখপাঠ্য কৰি তোলে । তেনে বাক্য সমূহৰ উদাহৰণ হ'ল — " বিহুৰ উৰুকা। ১৩ এপ্ৰিল । ১৯৮১ চন। ৰোগশয্যাত। বোম্বেত। বাতৰিকাকত পঢ়িছো। " — এনে চুটি বাক্যসমূহে পাঠকক লেখকৰ ওচৰ চপাই নিয়ে। সম্পূৰ্ণ ঘৰুৱা কথন ভংগীৰে লেখক পাঠকৰ কাষ চাপি যায়। মাথোঁ কিতাপ প্ৰকাশ কৰাৰ মানসেৰে ভূপেন হাজৰিকাই কেতিয়াও গদ্য ৰচনা কৰা নাছিল। কিন্তু তথাপিও তেওঁৰ গুণমুগ্ধ সকলৰ প্ৰচেষ্টাত ভূপেন হাজৰিকাৰ প্ৰৱন্ধসমূহৰ পৰা তিনিখন গ্ৰন্থ প্ৰৱন্ধৰ সংকলন হিচাবে প্ৰকাশিত হয়। কিতাপ তিনিখন হ'ল, *সুন্দৰৰ ন-দিগন্ত*, *সুন্দৰৰ সৰু-বৰ আলিয়েদি* আৰু *সময়ৰ পক্ষীৰাজত*

Created by Universal Document Converter

*উঠি*। কৰ্মব্যস্ত জীৱন অতিবাহিত কৰা ভূপেন হাজৰিকাই গদ্যৰ সাধনাত নিজকে ব্ৰতী কৰাৰ সন্দৰ্ভত এনেদৰে কৈছে,

........সুন্দৰৰ পথাৰত খোজ কাঢ়ি, লৰৰি , কেতিয়াবা এন্ধাৰত বোকা গচকিছোঁ- কেতিয়াবা ৰাইজে যঁচা পদুমৰ সুঘ্ৰাণো সাৱটি লৈছোঁ। এই লৰৰাৰ বাটত প্ৰতি মূহুৰ্ততে সংঘাতে মোক কিঞ্চিৎ অভিজ্ঞতা দিছে। বিৰাট এই সুন্দৰৰ গতিৰে যাযাবৰী জীৱনত আগুৱাওঁতে মই নিজকে চিৰ ছাত্ৰ বুলি ভাবি লৈছো—লৈ কেতিয়াবা সাংস্কৃতিক সমস্যাৰ তথ্য বা বাতৰি পাই ৰাইজৰ সৈতে একেলগে কথা পতাৰ লোভ সামৰিব পৰা নাই। মাজে মাজে অসহায়তাত ৰাইজক গোচৰো দিছোঁ—কিজানিবা সহায় পাওঁ সংগ্ৰামত। সেই বাবেই কেতিয়াবা কাপ হাতত লৈ বিভিন্ন কাৰণত বিভিন্ন সময়ত গদ্য লিখিছোঁ।

(পৰাশৰ আৰু গোস্বামী, ২০১১, পৃঃ ২০১)

সাহিত্যৰ ক্ষেত্ৰত তেখেতৰ বহুমূলীয়া অৱদানৰ বাবে ১৯৬৩ চনত ভূপেন হাজৰিকা অসম সাহিত্য সভাৰ নাজিৰাত বহা ত্ৰিংশতিতম অধিবেশনৰ সাংস্কৃতিক সন্মিলনৰ সভাপতি আৰু তাৰ পিছত ১৯৯৩ চনত অসম সাহিত্য সভাৰ ৫৯ তম শিৱসাগৰ অধিৱেশনৰ সভাপতি নিৰ্বাচিত হয় ।(হাজৰিকা, ২০১১, পৃঃ ৫১৬-৫২৪) ভূপেন হাজৰিকাক তেওঁৰ ৰসাল, ব্যক্তিত্বপূৰ্ণ, বলিষ্ঠ , লিখনীৰ বাবে অসম সাহিত্য সভাই ২০০৮ চনত সাহিত্যাচাৰ্য উপাধিৰে সন্মানিত কৰে। গীতেৰে, গদ্যৰে, কণ্ঠেৰে আগবঢ়োৱা সাহিত্যৰ বৰঙণিসমূহ নতুন প্ৰজন্মৰ বাবে চিৰ অনুকৰণীয়। সাহিত্যৰ জগতলৈ অতুলনীয় অৱদান আগবঢ়োৱা ভূপেন হাজৰিকাৰ অনবদ্য লিখনীয়ে অসমৰ কলা-সংস্কৃতি- সাহিত্যৰ জগতখনৰ অসমীয়া পাঠকসকলৰ বাবে এক যুগান্তকাৰী অভিলেখৰ সৃষ্টি কৰি থৈ গ'ল।

Created by Universal Document Converter

## ৩.৩ ভূপেন হাজৰিকা ঃ স্বীকৃতি আৰু সন্মান

ভূপেন হাজৰিকা আছিল এজন বিৰল ব্যক্তিত্বৰ অধিকাৰী পুৰুষ। সংগীত জগতত নিৰলস সাধনাৰে ভূপেন হাজৰিকাই যথেষ্ট সুনাম অৰ্জন কৰাৰ লগতে অভিলেখ সংখ্যক সন্মান , বঁটা আৰু স্বীকৃতি লাভ কৰিছিল। জীৱিত কালতেই তেওঁ ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক পৰ্যায়ত যিমানবোৰ বঁটা লাভ কৰিছিল সেয়া হয়তো খুব কম সংখ্যক ভাৰতীয়ৰহে ভাগ্যত ঘটিছিল আৰু অসমীয়াৰ ক্ষেত্ৰত বিৰল বুলিয়েই কব পাৰি। তাৰে ভিতৰত উল্লেখনীয় বঁটা আৰু সন্মানসমূহৰ বিষয়ে তলত থোৰতে উনুকিওৱা হ'ল—

o শ্ৰেষ্ঠ লোক সংগীত পৰিৱেশক হিচাবে আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ পত্নী ইলীনৰ ৰুজভেল্টৰ পৰা সোণৰ পদক লাভ, ১৯৫০ চনত।

o ফিনলেণ্ডৰ ৰাজধানী হেলছিংকিৰ বিশ্ব শান্তি সন্মিলনত গীত গাই শ্ৰেষ্ঠ শান্তিৰ বাৰ্তা বাহক বঁটা লাভ কৰে ১৯৫৬ চনত।

o 'শকুন্তলা' ছবিৰ বাবে ৰাষ্ট্ৰপতিৰ পদক লাভ , ১৯৬১ চনত।
o 'প্ৰতিধ্বনি' কথাছবি নিৰ্মাণৰ বাবে ৰাষ্ট্ৰপতিৰ পদক লাভ, ১৯৬৪ চনত ।
o 'লটিঘটি' কথাছবিৰ বাবে ৰাষ্ট্ৰপতিৰ পদক লাভ, ১৯৬৬ চনত ।
o শ্ৰেষ্ঠ ৰাজনৈতিক সংগীত পৰিৱেশকৰ স্বৰ্ণপদক লাভ, বাৰ্লিন ১৯৭২ চনত ।
o শ্ৰেষ্ঠ কণ্ঠ শিল্পী আৰু শ্ৰেষ্ঠ সংগীতকাৰ ৰূপে 'ৰূপকাৰ চলচ্চিত্ৰ বঁটা' লাভ , ১৯৭৫চনত ।
o 'চামেলি মেমচাব' কথাছবিৰ সংগীত পৰিচালনাৰ বাবে ২৩ তম National Film Festival অত ৰাষ্ট্ৰপতিৰ পৰা স্বৰ্ণকমল বঁটা লাভ , ১৯৭৬ চনত ।

Created by Universal Document Converter

- বাংলা কথাছবি ‘দম্পতীৰ’ সংগীত পৰিচালনাৰ বাবে বাংলা চলচ্চিত্ৰ পুৰস্কাৰ সমিতিৰ দ্বাৰা শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ , ১৯৭৬ চনত।
- ভাৰতৰ ৰাষ্ট্ৰপতিৰ পৰা পদ্মশ্ৰী বঁটা গ্ৰহণ , ১৯৭৭ চনত ।
- ‘সীমানা পেৰিয়ে’ নামৰ বাংলা কথাছবিৰ সংগীত পৰিচালনাৰ বাবে বাংলাদেশ জাৰ্নেলিষ্ট এচ’চিয়েশ্বনৰ পৰা বঁটা লাভ , ১৯৭৭ চনত ।
- ‘মেৰা ধৰম মেৰী মা’ৰ সংগীত পৰিচালনাৰ বাবে অৰুণাচল চৰকাৰৰ পৰা সোণৰ পদক লাভ, ১৯৭৭ চনত।
- ইংলেণ্ডত বৰ্ণ-বৈষম্যৰ বিৰুদ্ধে গীত পৰিৱেশন কৰি B.B.C ৰ দ্বাৰা অভিনন্দিত ১৯৭৮ চনত।
- বাংলা এল, পি ৰেকৰ্ড ‘আমি একটা যাযাবৰ’ৰ বাবে H.M.V কোম্পানীৰ পৰা গোল্ডেন ডিস্ক লাভ, ১৯৭৮ চনত।
- All India Critic’s Associtaion অৰ পৰা ভাৰতৰ শ্ৰেষ্ঠ লোক-গীতি গায়ক ৰূপে সন্মান লাভ , ১৯৭৮ চনত।
- *ভূপেন মামাৰ গীতে মাতে অ আ ক খ* নামৰ শিশু গ্ৰন্থৰ বাবে ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ লাভ, ১৯৭৮চনত।
- ‘নাগিনী কন্যাৰ কাহিনী’ আৰু ‘মহুৱা সুন্দৰী’ নামৰ মঞ্চ নাটকৰ সংগীত পৰিচালনা কৰি শ্ৰেষ্ঠ সংগীত পৰিচালক ৰূপে ‘দিশাৰী পুৰস্কাৰ’ আৰু ‘ঋত্বিক ঘটক বঁটা’ লাভ, ১৯৭৯ চনত চনত।
- All India Critic's Associtaion অৰ বঁটা লাভ ,১৯৭৯ চনত।
- কলকাতাৰ H.M.V কোম্পানীৰ দ্বাৰা সমসাময়িক কালৰ ছজন বিখ্যাত কণ্ঠশিল্পীৰ ভিতৰত অন্যতম বিখ্যাত শিল্পী ৰূপে সন্মানিত , ১৯৮০ চনত।
- ‘মৰমী বধু’ যাত্ৰা-পালাৰ সুৰকাৰ ৰূপে চলচ্চিত্ৰ প্ৰচাৰ সমিতিৰ দশম বাৰ্ষিক প্ৰতিযোগিতাত শ্ৰেষ্ঠ যাত্ৰাৰ সংগীত পৰিচালক
- N.F.D.C ৰ Script Committee ৰ নিৰ্বাচিত সদস্য ১৯৮৩ চনত ।

Created by Universal Document Converter

O ‘কালো সিদুঁৰ’ বাংলা কথাছবিৰ বাবে বাংলা চলচ্চিত্ৰ প্ৰচাৰ সংসদৰ পৰা শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ, ১৯৮৪ চনত ।

O আমেৰিকাৰ নিউজাৰ্চি চহৰৰ মেয়ৰৰ পৰা Honorary Citizenship সন্মান, ১৯৮৫ চনত ।

O সদৌ অসম জনসাংস্কৃতিক পৰিষদৰ দ্বিতীয় ৰাজ্যিক অধিবেশনত সভাপতি ৰূপে আসন গ্ৰহণ, ১৯৮৫ চনত ।

O All India Radio ৰ Emeritus Producer নিৰ্বাচিত, ১৯৮৫ চনত ।

O ‘এক পল’ নামৰ কথাছবিৰ সংগীত পৰিচালনাৰ বাবে Bengal Film Journalist Association বঁটা লাভ , ১৯৮৬ চনত।

O Bengal Film Journalist Association অৰ পৰা ‘ইন্দিৰা গান্ধী স্মৃতি পুৰস্কাৰ’ ১৯৮৭ চনত ।

O Man of The Year , অসম চৰকাৰ , ১৯৮৭ চনত ।

O পশ্চিম বঙ্গত চিত্ৰ জগত পত্ৰিকাৰ পৰা ‘প্ৰমথেশ বৰুৱা পুৰস্কাৰ’ লাভ, ১৯৮৭ চনত ।

O অসম শিল্পী দিৱস সমিতিৰ দ্বাৰা আয়োজিত চলচ্চিত্ৰ মহোৎসৱত সন্মান লাভ , ১৯৮৭ চনত ।

O ‘ৰাষ্ট্ৰীয় একতা বঁটা’ লাভ, ১৯৮৭ চনত ।

O ‘শ্ৰীমন্ত শংকৰদেৱ বঁটা’ , ১৯৮৭ চনত ।

O ‘সংগীত নাটক অকাদেমী বঁটা’ ( ভাৰত চৰকাৰ ) ১৯৮৭ গ্ৰহণ ।

O গীত গোৱাৰ ৫০ বছৰ পূৰ্ণ হোৱাৰ উপলক্ষে ভৰলুমুখত সোণৰ বাঁহীৰ পুৰস্কাৰ , ১৯৮৭ চনত।

O আমেৰিকাৰ বিভিন্ন অঞ্চলত ভিন ভিন সংস্থাৰ দ্বাৰা সন্মানিত , ১৯৮৮ চনত ।

O নিখিল বড়ো সাহিত্য সভাৰ চতুৰ্বিংশতিতম অধিবেশনৰ শ্বহীদ সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠানৰ সভাপতি, ১৯৯১ চনত ।

O আমেৰিকাৰ বিভিন্ন সভা সমিতিত নিমন্ত্ৰিত অতিথি হিচাবে যোগদান কৰি গীত মাত পৰিবেশনৰ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ পৰা বঁটা আৰু সন্মান লাভ ,১৯৯২ চনত।

O সংগীত জগতলৈ যোগোৱা অৱদানৰ বাবে পশ্চিম বঙ্গ চৰকাৰ বঁটা , ১৯৯২ ।

Created by Universal Document Converter

- O বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ ছাত্ৰ মঞ্চৰ পৰা 'পণ্ডিত মদন মোহন মালব্য বঁটা', ১৯৯৩।
- O ৪০ তম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান মহোৎসৱত অনুষ্ঠানত 'দাদা চাহেব ফাল্কে বঁটা' লাভ, ১৯৯৩ চনত।
- O অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হয়, ১৯৯৩ চনত।
- O ভাৰতৰ ৰাষ্ট্ৰপতিৰ দ্বাৰা সংগীত নাটক অকাদেমীৰ অধ্যক্ষ মনোনীত হয়, ১৯৯৮ চনত ।
- O এচিয়া পেচিফিক আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত 'ৰুদালী' কথাছবিৰ বাবে বছৰৰ শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ, ১৯৯৩ চনত ।
- O ভাৰতৰ শ্ৰেষ্ঠ সংগীত শিল্পী ৰূপে বলৰাজ সাহানী বঁটা, ১৯৯৩ চনত ।
- O লোক সংগীত আৰু বাংলা সংগীত জগতলৈ আগবঢ়োৱা অবিস্মৰণীয় অৰদানৰ বাবে নিউইয়ৰ্কৰ Mitalee Cultural Association অৰ বঁটা লাভ, ১৯৯৩ চনত।
- O Bengal Film Journalist Association অৰ দিশাৰী বঁটা লাভ, ১৯৯৪চনত ।
- O ভাৰতে স্বাধীনতা লাভ কৰাৰ ৫০ বছৰ পূৰ্ণ হোৱা উপলক্ষে ভূপেন হাজৰিকালৈ ভাৰত চৰকাৰে আগবঢ়ায় Golden Citizen of India 1947-97 Award, ১৯৯৭চনত ।
- O কলা সংস্কৃতি জগতলৈ আগবঢ়োৱা জীৱন জোৰা অৰদানৰ বাবে আগবঢ়োৱা হয় 'Sur Singe Songsad Award' আৰু 'Meridian BFJA Award', ১৯৯৭চনত ।
- O গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সন্মানজনক D.Litt ডিগ্ৰী লাভ, ২০০০ চনত ।
- O ৰাষ্ট্ৰীয় 'লতা মঙ্গেশকাৰ বঁটা' (মধ্যপ্ৰদেশ চৰকাৰ) লাভ, ২০০০ চনত ।
- O তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ পৰা সন্মানজনক D.Litt ডিগ্ৰী লাভ, ২০০১ চনত ।
- O পদ্মভূষণ বঁটা ( ভাৰত চৰকাৰ ) লাভ, ২০০১চনত ।
- O কলিকতাৰ পৰা প্ৰকাশিত Cine Advance কাকত গোষ্ঠীৰ পৰা 'কলাকাৰ বঁটা' লাভ, ২০০১ চনত ।
- O অসমৰ সংগীত জগতলৈ আগবঢ়োৱা অবিস্মৰণীয় অৰদানৰ বাবে 'দেশৰত্ন বঁটা' লাভ,

Created by Universal Document Converter

২০০২ চনত ।

- O ভাৰতৰ ৫৬ তম স্বাধীনতা দিৱস উপলক্ষে অসম চৰকাৰৰ বিশেষ বঁটা লাভ, ২০০২ চনত ।
- O কলা সংস্কৃতিলৈ আগবঢ়োৱা জীৱন জোৰা অৱদানৰ বাবে 'Prag Cine Award' লাভ,২০০৩ চনত।
- O প্ৰসাৰ ভাৰতীৰ পৰা National Artist Award লাভ, ২০০৪ চনত ।
- O ২০০৭ চনৰ ২২ মাৰ্চত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় D.Litt উপাধি লাভ
- O Minority and Weaker Section Councilৰ পৰা ' Mother Teresa International Award' লাভ, ২০০৭ চনত ।
- O অসম চৰকাৰৰ পৰা লাভ কৰে জীৱন জোৰা সাধনাৰ বাবে 'অসম ৰত্ন বঁটা' লাভ, ২০০৮ চনত ।
- O পদ্মবিভূষণ ( ভাৰত চৰকাৰ ) বঁটা লাভ, ২০১২ চনত (মৰণোত্তৰ)।

ভূপেন হাজৰিকাই তেখেতৰ জীৱিত কালতেই বিভিন্ন অনুষ্ঠান , প্ৰতিষ্ঠানৰ পৰা ভালেমান সন্মানজনক উপাধি বা খিতাপ লাভ কৰিছিল । তেনে কেতবোৰ উপাধি হৈছে -

- O ১৯৬৮ চনত সেই সময়ৰ অসম সাহিত্য সভাৰ নৱ-নিৰ্বাচিত সভাপতি আনন্দ চন্দ্ৰ বৰুৱাৰ পৰা সুধাকণ্ঠ উপাধি লাভ কৰে ।
- O ১৯৮৮ চনত ৰাষ্ট্ৰীয় শংকৰদেৱ বিকাশ সমাজৰ দ্বাৰা 'সংগীত-সূৰ্য' উপাধি প্ৰদান ।
- O ১৯৯০ চনত All India Critic's Associationৰ পৰা 'কলা শিৰোমণি' উপাধি লাভ।
- O ১৯৯৩ চনত যোৰহাট পেনোৰামাৰ দ্বাৰা আয়োজিত চলচ্চিত্ৰ মহোৎসৱত 'পূৱৰ জ্যোতি' উপাধি লাভ।
- O ২০০১ চনত গুৱাহাটী লতাশিল বিহু সমিতিৰ দ্বাৰা 'লুইত ৰত্ন' উপাধি লাভ ।
- O গুৰুকূল গ্ৰামাৰ চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ পৰা 'অসমৰত্ন বঁটা' লাভ, ২০০৭ চনত ।

Created by Universal Document Converter

o ২০০৮ চনত অসম সত্ৰ মহাসভাৰ পৰা 'সংগীত চূড়ামণি' উপাধি লাভ।

o ২০০৮ চনত অসম সাহিত্য সভাৰ পৰা 'সাহিত্যাচাৰ্য' উপাধি লাভ ।

জনতাৰ মতে ভূপেন হাজৰিকা এজন সুকণ্ঠী গায়ক, বিশিষ্ট গীতিকাৰ আৰু সুৰকাৰ হোৱাৰ উপৰিও এজন প্ৰসিদ্ধ চলচ্চিত্ৰ নিৰ্মাতা, চলচ্চিত্ৰৰ কাহিনী আৰু সংলাপ লিখোঁতা আৰু চলচ্চিত্ৰৰ পৰিচালক। এই মহৎ গুণবোৰৰ কাৰণে ১৯৯৩ চনত তেওঁক ভাৰতীয় চলচ্চিত্ৰৰ সৰ্বশ্ৰেষ্ঠ পুৰস্কাৰ দাদা চাহেব ফাল্কে বঁটাৰে সন্মানিত কৰা হয় ।

## ৩.৪ গীতিকাৰ ভূপেন হাজৰিকা

বহুধা গুণৰ অধিকাৰী যদিও ভূপেন হাজৰিকাৰ প্ৰধান পৰিচিতি এগৰাকী প্ৰখ্যাত গীতিকাৰ ৰূপেহে। ভূপেন হাজৰিকাৰ গীতসমূহে সমাজৰ সকলো শ্ৰেণীকে সামৰি তেওঁলোকৰ হৃদয়ৰ বাণী প্ৰতিধ্বনিত কৰে। মন কৰিলে দেখা যায় যে ভূপেন হাজৰিকাই সুৰ সৃষ্টিৰ বাবে গীত নিলিখে, বৰং সুৰ আৰু কথা সমন্বিত বাঙ্ময়তাই তেওঁৰ গীতক অনন্য ৰূপ প্ৰদান কৰিছে। ভূপেন হাজৰিকাৰ ভাষাৰে, 'সুৰ হ'ল তাত গৌণ, চিন্তাহে মুখ্য....' । সেই অৰ্থত ভূপেন হাজৰিকাৰ গীতৰ কথাংশ অধিক গুৰুত্বপূৰ্ণ। মাথোঁ ন বছৰ বয়সতে গীত লিখাৰ পাতনি মেলা ভূপেন হাজৰিকাৰ প্ৰায় চাৰে তিনিশ ৰ ওচৰৰ গীতসমূহৰ বিষয়বস্তু প্ৰধানকৈ মানুহ, প্ৰকৃতি, সমাজ, সংস্কাৰ , প্ৰেম আৰু একান্ত ব্যক্তিগত অনুভৱ। কিন্তু এই সকলো ক্ষেত্ৰতে ভূপেন হাজৰিকাই গীতৰ কথাৰ সৈতে এক আত্মিক সম্পৰ্ক স্থাপন কৰি অহা দেখা যায়। আৰু সেইবাবেই হয়তো শ্ৰোতাই তেওঁৰ গীতবোৰ শুনি তাৰ সৈতে একাত্মবোধ অনুভৱ কৰে। ভূপেন হাজৰিকাৰ গীতৰ জনপ্ৰিয়তাৰ ই মূল কাৰণ বুলি ভবা হৈছে। ইতিমধ্যে উল্লেখ কৰাৰ দৰে ভূপেন হাজৰিকাই নিজেও কৈছে, — " গীত লিখাহে মোৰ বৃত্তপথ। মোৰ প্ৰকাশৰ প্ৰধান মাধ্যমটোৱেই হ'ল, গীত আৰু কণ্ঠ। সেয়ে, মই গানেই গাব লাগিব।" (পৰাশৰ, গোস্বামী

Created by Universal Document Converter

(সম্পা),২০১১, পৃ ঃ ১৯৫)

ভূপেন হাজৰিকাৰ গীতসমূহ বিশ্লেষণ কৰিলে কেইটিমান বৈশিষ্ট্য চকুত পৰে ,

ক) শ্ৰোতাৰ হৃদয় স্পৰ্শ কৰিব পৰা শব্দ সংযোজনা ৰীতি।

খ) চিত্ৰকল্প আৰু প্ৰতীকৰ ব্যৱহাৰেৰে গধুৰ বিষয়বস্তুকো শ্ৰুতিমধুৰ কৰি তোলা।

গ) আশাবাদী চিন্তা ।

ঘ) সমাজৰ সকলো স্তৰক গীতৰ মাজত সামৰাৰ চেষ্টা।

ঙ) কোমল সুৰত গীতৰ ৰচনা। ( হাজৰিকা (সম্পা) , ২০০১১-১২ , পৃ ঃ ২০৯)

ভূপেন হাজৰিকাৰ গীতৰ সৃষ্টি সন্দৰ্ভত লেখক-সাংবাদিক কনকসেন ডেকাই কৈছে

> তেওঁৰ জীৱন তৃষ্ণা কেৱল সৃষ্টিৰ। সেই সৃষ্টিৰ তাড়ণাত বিজৰিত হৈ আছিল নিপীড়িত মানুহৰ মুক্তিৰ বাসনা। ভ্ৰমণ কাহিনী, চলচিত্ৰ, চিত্ৰনাট্য ইত্যাদিৰ মাধ্যমত তেওঁ কেৱল সৃষ্টিয়ে কৰি গৈছিল ; কিন্তু এই সৃষ্টি কেৱল শব্দৰ বাবে শব্দ নাছিল, উদ্দেশ্যধৰ্মী এই সৃষ্টিৰ মুল লক্ষ্য মানুহ। নিপীড়িত মানুহৰ মুক্তি। ভূপেন হাজৰিকাৰ অসংখ্য ৰচনাত তাৰ নিদৰ্শন স্পষ্ট হৈ উঠিছে। ঝক ঝক ৰেল চলে, ভাং ভাং শিল ভাং, ৰুদ্ধ কাৰাৰ দুৱাৰ ভাঙি, পৰহি পুৱাতে টুলুঙা নাৱতে, তপ্ত তীখাৰে অগ্নি শক্তি, প্ৰথম নহয়, দ্বিতীয় নহয়, তৃতীয় শ্ৰেণীৰ যাত্ৰী আমি, আহ আহ ওলাই আহ সজাগ জনতা, ধাক ধাক ধাকেই বজালি আদি অসংখ্য গীতত সাধাৰণ শ্ৰমজীৱী জণগণৰ মুক্তিৰ গীত গাইছে।
>
> (ওজা(সম্পা) , ২০১৩, পৃ ঃ ৩)

ভূপেন হাজৰিকাৰ দীৰ্ঘদিনৰ সহযোগী শিল্পী গীটাৰবাদক তথা গীতিকাৰ কমল কটকীয়ে ভূপেন হাজৰিকাৰ মৃত্যুৰ পিছতেই *গৰীয়সী* আলোচনীৰ বাবে লিখা এটা প্ৰবন্ধত হাজৰিকাৰ গীতৰ মাজত ভিন ভিন সত্তা থকা

Created by Universal Document Converter

বুলি উল্লেখ কৰিছে। সেই অনুযায়ী একোটি উদাহৰণেৰে সত্তাসমূহ হ'ল—

আধ্যাত্মিক সত্তা ঃ ঈশ্বৰৰ প্ৰতি ভক্তি ভাৱ ৰাখি লিখা গীতসমূহ, যেনে — 'কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে / ধৰিলে নামৰে তান' .......

বিপ্লৱী সত্তা ঃ ৰাজনৈতিক আৰু সামাজিক বিপ্লৱৰ ধাৰণাৰে লিখা গীতসমূহ, যেনে — 'তপ্ত তীখাৰে / অগ্নি শক্তি/ৰক্ত বৰ্ণে জ্বলে'.....

মানৱীয় সত্তা ঃ হিংসা-দ্বেষ পৰিহাৰ কৰি মানৱপ্ৰেমত উদ্বুদ্ধ হৈ লিখা গীতসমূহ, যেনে — 'মানুহে মানুহৰ বাবে/ যদিহে অকণো নাভাবে'....

সামাজিক সত্তা ঃ সমাজৰ প্ৰতি থকা দায়বদ্ধতাক বুজি উঠি সমাজ-সংস্কাৰৰ বাবে লিখা গীতসমূহ , যেনে — 'যুৱতী অনামিকা গোস্বামী / আৰু যুৱক প্ৰশান্ত দাসে / বিয়াত হেনো কিছু বাধা পালে' ....

প্ৰেমৰ সত্তা ঃ অন্তৰত জগা প্ৰেমৰ মনোভাৱেৰে লিখা গীতসমূহ।

কমল কটকীয়ে এই গীতসমূহৰ গতি-প্ৰকৃতি অনুযায়ী পুনৰ সৰু সৰু ভাগত ভগাইছে। সেই ভাগবোৰ হ'ল—

ক) বিশ্বপ্ৰেমৰ সত্তা —সাৰ্বজনীন বিশ্বপ্ৰেমৰ মনোভাৱেৰে সমগ্ৰ বিশ্বক একত্ৰিত কৰাৰ প্ৰয়াসেৰে লিখা গীতসমূহ, যেনে— 'মই লুইতৰ পৰা মিছিছিপি হৈ /ভল্গাৰ ৰূপ চালোঁ/অটোৱাৰ পৰা অষ্ট্ৰিয়াহৈ/ পেৰিছ সাৱটি ল'লোঁ' ।

খ)যৌৱনৰ প্ৰেমৰ সত্তা ঃ নাৰীৰ প্ৰতি পুৰুষৰ আকৰ্ষণ যৌৱনত প্ৰেমলৈ ৰূপান্তৰিত হয়। সেই প্ৰেমো দুই ধৰণৰ —

১) মূৰ্ত প্ৰেমৰ সত্তা ঃ মূৰ্ত নাৰীৰ প্ৰতি ওপজা প্ৰেমক লৈ লিখা গীত, যেনে — 'আকাশী গংগা বিচৰা নাই'।

২) বিমূৰ্ত প্ৰেমৰ সত্তাঃ একান্ত ব্যক্তিগত প্ৰেমৰ সত্তা , যেনে — 'কি যে তোমাৰ সংগ প্ৰিয়া'।

গ) দেশপ্ৰেমৰ সত্তা ঃ দেশৰ প্ৰতি থকা সন্মান আৰু ভালপোৱাক লৈ লিখা গীতসমূহ, যেনে —' বুকু হম হম

Created by Universal Document Converter

কৰে’ (বৰা (সম্পা) , ২০১২,পৃ ঃ ৪৪-৪৮)

লেখক আৰু মনোৰোগ বিশেষজ্ঞ সুৰেশ চক্ৰৱৰ্তীয়ে মনস্তাত্ত্বিক দিশৰ পৰা আলোচনাৰ সুবিদাৰ্থে ভূপেন হাজৰিকাৰ গীত সমূহক আকৌ বেলেগ ধৰণে ভাগ কৰিছে। উদাহৰণৰ সৈতে ভাগ কেইটা এনেধৰণৰ —

১) বিপ্লৱী ভাৱাদৰ্শৰ গীত ঃ ‘অগ্নিযুগৰ ফিৰিঙতি মই’ , ‘ৰাইজ আজি ভাৱৰীয়া’ , ‘দোলা হে দোলা’

২) প্ৰেম আৰু যৌৱনৰ গীত ঃ ‘তোমাৰ দেখো নাম পত্ৰলেখা’ , শৈশৱতে ধেমালিতে তোমাৰে ওমলা’ , ‘গুপুতে গুপুতে কিমান খেলিম ’।

৩)সংহতি আৰু সমন্বয়ৰ গীত ঃ ‘আমি অসমীয়া নহওঁ দুখীয়া’ , ‘চিয়াঙৰে গালং লোহিতৰে খাম্‌টি’ , ‘অসমী আইৰে লালিতা পালিতা’।

৪)মহান মানৱতাৰ গীত ঃ ‘মানুহে মানুহৰ বাবে’ , ‘বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে’ , ‘গংগা মোৰ মা পদ্মা মোৰ মা’ ।

৫)দেশপ্ৰেমমূলক গীত ঃ ‘বুকু হম্ হম্ কৰে মোৰ আই’ , ‘ক’ত জোৱানৰ মৃত্যু হ’ল’ , ‘অসম আমাৰ ৰূপহী গুণৰো নাই শেষ’ ।

৬) আধ্যাত্মিক ভাৱাপন্ন গীত ঃ ‘কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৰে ’ , ‘অ’ মোৰ ধৰিত্ৰী আই’ , ‘অ’ হৰি ইখন স্ৰজিলা কিনো শান্তি নিকেতন’ ।

(পৰাশৰ, গোস্বামী (সম্পা) , ২০১১ ,পৃ ঃ ২৩৯-২৪৭)

ভূপেন হাজৰিকা ৰমন্যাসিক আৰু যুদ্ধোত্তৰ কালৰ সন্ধিক্ষণৰ গীতিকাৰ। ৰমন্যাসিক কালৰ গীত আৰু কবিতাসমূহৰ ঘাই লক্ষণ আছিল ব্যক্তিকেন্দ্ৰিকতা। কবি অথবা গীতিকাৰৰ একান্ত ব্যক্তিগত অনুভৱ গীতৰ মাজেৰে প্ৰকাশ কৰাই আছিল সেই যুগৰ গীতিকাৰ আৰু কবিসকলৰ প্ৰধান উদ্দেশ্য। কিন্তু চল্লিশৰ দশকৰ পিছত অসমীয়া কবিতাই গতি-প্ৰকৃতি সলোৱাৰ সময়তেই অসমীয়া গীতেও প্ৰগতিবাদী চিন্তাধাৰাক আকোঁৱালি লবলৈ ধৰিলে। ৰোমাণ্টিক ভাৱধাৰাৰ আবেগ সৰ্বস্বতা আৰু কল্পনা প্ৰৱণতাৰ সলনি বাস্তৱবাদী চিন্তাই যুদ্ধোত্তৰ

Created by Universal Document Converter

যুগৰ গীতিকাৰসকলৰ গীতত প্ৰাধান্য পোৱা দেখা গ'ল। ভূপেন হাজৰিকাৰ গীতৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম দেখা নগ'ল ।প্ৰগতিবাদী চিন্তাধাৰা, বাস্তৱমুখী চিত্ৰ আৰু সমাজৰ জ্বলন্ত সমস্যাই ভূপেন হাজৰিকাৰ গীতত প্ৰাধান্য পাবলৈ ধৰিলে যদিও দুটা কালৰ সন্ধিক্ষণৰ গীতিকাৰ হিচাপে ভূপেন হাজৰিকাই ৰোমাণ্টিকতাৰ প্ৰভাৱৰ পৰাও নিজকে সম্পূৰ্ণ মুক্ত কৰিব পৰা নাই। আধুনিক কবিতাৰ গতি-প্ৰকৃতি সম্পৰ্কত কৰবী ডেকা হাজৰিকাই উল্লেখ কৰাৰ দৰে ,কবি দেৱকান্ত বৰুৱাৰ কবিতাই যদি উল্লিখিত দুটি কালৰ কবিতাৰ সংযোগ সেতুৰ দৰে কাম কৰে (ডেকা হাজৰিকা(সম্পা),২০১৩, পৃঃ চ) তেন্তে ভূপেন হাজৰিকাৰ গীতেও দুটি কালৰ গীতৰ মাজত সেতু নিৰ্মাণ কৰা বুলি অনুভৱ হয়। বাস্তৱমুখী সমস্যাৰ কঠিনতাৰ মাজতো ভূপেন হাজৰিকাই ৰমন্যাসিক কোমলতাৰ পৰা নিজকে বিচ্ছিন্ন কৰিব পৰা নাই। উদাহৰণ স্বৰূপে,

এতিয়া টকা নাই সিকা নাই
বিহুৱানৰ সূতা নাই
ধানো গ'ল যোৱাটো বানত—বোলোঁ বানত
ময়ে চেনেহীয়ে মৰমত বাচিছোঁ
এনুৱা নিৰাশাৰ কালত হে'— ( হাজৰিকা(সম্পা), ২০১০, পৃঃ ২০০)

ভূপেন হাজৰিকাৰ এই মিশ্ৰ অনুভূতি, প্ৰেমৰ শৰীৰী ৰূপৰ বন্দনা, সমাজৰ বাস্তৱধৰ্মী সমস্যা, মানৱ প্ৰাণৰ চিৰন্তন সৌন্দৰ্যতৃষ্ণা, সমাজৰ নিম্নস্তৰৰ ব্যক্তিসকলৰ সপোন আৰু শ্ৰম, প্ৰিয়াৰ সংগ কামনা, বিভিন্ন জাতিৰ মাজত একতা আদি বিভিন্ন বিষয় সামৰি ভূপেন হাজৰিকাই লিখা গীতবোৰ বৌদ্ধিক দিশৰ পৰা উচ্চ খাপৰ হোৱা বুলি অনুৰাগী আৰু সমালোচকসকলে স্বীকাৰ কৰি আহিছে। প্ৰয়োজনত প্ৰতীক আৰু চিত্ৰকল্পৰ ব্যৱহাৰ কৰিও ভূপেন হাজৰিকাই গীতসমূহক উন্নত মানৰ সাহিত্য কৰি তুলিছে। পিছে সমূহ বিষয়বস্তুৰ ভিতৰত ভূপেন হাজৰিকাৰ গীতৰ সৰ্বাধিক সমাদৃত আৰু চৰ্চিত বিষয় হৈছে মানুহ। মানুহৰ হৃদয়ৰ অভ্যন্তৰত প্ৰৱেশ কৰি তেওঁলোকৰ হৰ্য-বিষাদ, দীনতা-স্বচ্ছন্দতা আৰু মানুহৰ অনুভূতিসমূহক গীতৰ কথাত মূৰ্ত কৰি তুলি

Created by Universal Document Converter

তেওঁ গীত ৰচনাৰ এক অনন্য আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছে। ভূপেন হাজৰিকাৰ ভালেমান গীতত মানুহৰ হকে ভাবিবলৈ , দুৰ্বল -অসহায়জনৰ প্ৰতি সহায়ৰ হাত আগবঢ়াবলৈ থকা দৃঢ় মানসিকতাৰ প্ৰতিফলন দেখিবলৈ পোৱা যায়। মানৱতাবাদী গীতিকাৰ হিচাপে মানুহকেই প্ৰধান বিষয় হিচাবে লৈ সংগীতৰ মাজেৰে মানুহৰ মনত মানৱ প্ৰেম জগাই তুলিবলৈ চেষ্টা কৰিছে। গীতৰ মাজেদি সমাজলৈ ইতিবাচক message বা বাৰ্তা প্ৰেৰণ কৰাৰ স্পৃহা ভূপেন হাজৰিকাই প্ৰথম গীতটি ৰচাৰ সময়ৰ পৰাই মনত কঢ়িয়াই আনিছে। সেয়েহে এই সম্পৰ্কত *শিল্পীৰ পৃথিৱী* আলোচনীৰ সম্পাদনা কক্ষৰ সৈতে হোৱা এটি সাক্ষাৎকাৰত ভূপেন হাজৰিকাই এনেদৰে কৈছে ,

> মই সৰুৰে পৰাই message থকাগীত লিখিম বুলি ভাবি আহিছোঁ। আৰু লিখি আহিছোঁ—আৰু ক'ৰবাত যদি কেনেবাকৈ লিখা নাই— তেনেহ'লে জানিব এইটো নাটকৰ বা কোনোবা চৰিত্ৰৰ বাবে লিখা।মোৰ ব্যক্তিগত প্ৰকাশৰ message যদি দিব খুজিছোঁ—তেতিয়াও এক message দি আহিছোঁ । গতিকে message আছে কাৰণেই মই জনপ্ৰিয় হৈছোঁ নেকি মই নাজানো—যদি হৈছোঁ—তেনেহলে বুজিব লাগিব—সমাজে গায়কৰ পৰা, বিশেষকৈ সুগম সংগীত গায়কৰ পৰা কেৱল আনন্দই বিচৰা নাই, কিবা message ও বিচাৰিছে। ( বৰা (সম্পা) , ১৯৮১, পৃ ঃ ৪৮)

ইজনে সিজনক সহায়ৰ হাত আগবঢ়ালেহে মানৱীয় মূল্যবোধৰ অধিকাৰী হ'ব পাৰিব বুলি গীতৰ মাজেৰে ভূপেন হাজৰিকাই বাৰম্বাৰ কৈ আহিছে। সেয়েহে তেওঁ সমাজৰ প্ৰতিগৰাকী সভ্য মানুহক গীতৰ মাজেৰে তেওঁলোকৰ কৰ্তব্য আৰু দায়বদ্ধতাৰ কথা সোঁৱৰাই দি লিখিছে—

> মানুহে মানুহৰ বাবে
> যদিহে অকণো নেভাৱে
> অকণি সহানুভূতিৰে
> ভাবিব কোনেনো কোৱা— সমনীয়া? ( হাজৰিকা (সম্পা) ,২০১০, পৃঃ ৩৯৩)

Created by Universal Document Converter

ভূপেন হাজৰিকাৰ গীতসমূহ কিছুমান আদৰ্শৰ সংমিশ্ৰণত গঢ়ি উঠিছে। ভূপেন হাজৰিকাই জীৱনৰ আৰম্ভণিৰ কালছোৱাত  লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা আদিৰ দৰে  বৰেণ্য ব্যক্তিৰ সংস্পৰ্শলৈ অহাৰ বাবেই তেওঁৰ গীতত মিশ্ৰ আদৰ্শৰ প্ৰতিফলন ঘটিছে  বুলি ভবাৰ থল আছে। বেজবৰুৱাৰ সংস্পৰ্শত ভূপেন হাজৰিকাৰ  মনত যেনেকৈ স্বদেশ প্ৰেমৰ ভাৱ জাগ্ৰত হ'ল, তেনেকৈ জ্যোতিপ্ৰসাদৰ সংস্পৰ্শলৈ আহি মানুহৰ মনত জাগ্ৰত বা সুপ্ত  অৱস্থাত থকা সুকুমাৰ  অনুভূতি আৰু সৌন্দৰ্যবোধৰ প্ৰতি তেওঁ আকৰ্ষিত হ'ল। লগতে বিষ্ণু ৰাভাৰ সংস্পৰ্শই ভূপেন হাজৰিকাক এক বৈপ্লৱিক দৃষ্টিভংগী প্ৰদান কৰিছে  আৰু এই সকলোবোৰ গীতত ব্যৱহাৰ কৰি ভূপেন হাজৰিকাই শ্ৰোতা জনতাৰ হৃদয় স্পৰ্শ কৰিছে। ( ভূএগ্ৰা (সম্পা), ২০১২, পৃ ঃ ১৮)   ভূপেন হাজৰিকাৰ বাবে জনমভূমি এই দেশখন মাতৃতুল্য। সেয়েহে খেতিয়কৰ কণ্ঠ হৈ সকাতৰে ধৰিত্ৰী আইক কাকূতি কৰিছে, ' ধৰিত্ৰী আই মোৰ / আমাক তুমি নেৰিবা/ তোমাৰ চেনেহ বিনে আই আমি নিৰুপায়...'। মন কৰিলে দেখা যায় যে দেশৰ সঙ্কটৰ মুহূৰ্ততো ভূপেন হাজৰিকাই লিখা দেশাত্মবোধৰ গীতে অসমবাসীক উদ্বুদ্ধ কৰি তুলিবলৈ সক্ষম হৈছিল। তাৰ প্ৰমাণ হ'ল ভূপেন হাজৰিকাৰ  'ৰণক্লান্ত  নহওঁ, ক'ত জোৱানৰ মৃত্যু হ'ল, বুকু হম হম কৰে মোৰ আই'  আদি  গীতসমূহ।  ভূপেন হাজৰিকাৰ  গীতত দেশৰ প্ৰতি থকা ভালপোৱাৰ আন এক প্ৰকাশ হ'ল —

লৌহিত্যৰে বহল পাৰক প্ৰণিপাত কৰো
জন্ম ললো ইয়াতেই, ইয়াতেই যেন মৰোঁ।   ( হাজৰিকা (সম্পা) ,২০১০, পৃঃ ৫৩)

জাতীয় প্ৰেমৰ  আদৰ্শই ভূপেন হাজৰিকাৰ ভালেমান গীতক অধিকতৰ সুন্দৰ আৰু জনপ্ৰিয় কৰিছে। ভূপেন হাজৰিকাই দেশমাতৃক ইমানেই ভাল পাইছিল যে প্ৰয়োজনত দেশৰ হকে জীৱন দিবলৈও কুণ্ঠাবোধ নকৰিবলৈ জনসাধাৰণক তেওঁ আহ্বান জনাইছিল। কাৰণ এজন নিষ্ঠাবান দেশপ্ৰেমিকৰ বাবে দেশৰ হকে মৰিবলৈ পোৱাটো গৌৰৱৰ হে কথা। সেয়েহে ভূপেন হাজৰিকাই 'তপ্ত তীখাৰে , অগ্নি শক্তি'  শীৰ্ষক গীতটিত লিখিছে,

Created by Universal Document Converter

দেশৰ হকে মৰিবলৈ আহাঁ কি ৰাম ৰাম

হে'— হেইয়া কি ৰাম ৰাম

দেশৰেই প্ৰজা অন্যায় যুঁজা

সত্যৰ আজি হ'ব জয় হে' জয়। ( হাজৰিকা (সম্পা),২০১০, পৃঃ ২৫২)

এজন দেশপ্ৰেমিকৰ মনত নিজৰ দেশ-খনৰ ভাষা-সংস্কৃতিৰ প্ৰতি সততেই যথেষ্ট শ্ৰদ্ধাৰ ভাৱ থাকে। নিজৰ দেশৰ ৰূপ-গুণ গৰিমাই দেশপ্ৰেমিকজনৰ হৃদয় উপচাই ৰাখে। ভূপেন হাজৰিকা আছিল এজন সঁচা অৰ্থৰ দেশপ্ৰেমিক। সেয়েহে অসমৰ গৰিমাৰাজিৰ বাবে তেওঁ গৰ্ব অনুভৱ কৰে। নিজৰ ওপজা মাটিৰ কেঁচা সুগন্ধ আৰু উমাল পৰশে তেওঁৰ মন আকুল কৰি তোলে। দেশাত্মবোধৰ প্ৰকাশ ঘটা ভূপেন হাজৰিকাৰ তেনে এটি গীত হ'ল—

অসম আমাৰ ৰূপহী গুণৰো নাই শেষ

ভাৰতৰে পূৰ্বদিশৰ সূৰ্য উঠা দেশ।

গোটেই জীৱন বিচাৰিলেও ,অলেখ দিৱস ৰাতি

অসম দেশৰ দৰে নাপাওঁ ইমান ৰসাল মাটি। (হাজৰিকা(সম্পা), ২০১০, পৃ ঃ ৫৩)

এইখন অসমৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ নৈ খনে ভূপেন হাজৰিকাৰ গীতত বিশেষ স্থান অধিকাৰ কৰিছে। এই লুইতৰ দুয়োপাৰে সিঁচৰতি হৈ থকা বিভিন্ন জাতি উপজাতিৰ মিলনভূমি স্বৰূপা বিস্তৃত অসমভূমিৰ প্ৰশস্তি বৰ্ণনাৰে তেওঁৰ গীতসমূহ মুখৰিত। তেনেদৰে ব্ৰহ্মপুত্ৰও তেওঁৰ এই ভূমিপ্ৰেমৰ আন এক অংশীদাৰ। ব্ৰহ্মপুত্ৰ তেওঁৰ গীতত বিভিন্ন ৰূপত প্ৰকাশিত হৈছে। জ্ঞানৰ শত শত বন্তিয়ে এই লুইতৰ দুয়োটি পাৰত শিক্ষাৰ দীপাৱলী পতাৰ কামনাৰে ভূপেন হাজৰিকাই 'জিলিকাব লুইতৰে পাৰ' শীৰ্ষক গীতটি ৰচনা কৰিছে। তেনেকৈ সন্দিয়াৰ অসমৰ জিলমিল জোনৰ পোহৰত উজলি উঠা এখন মৰমী গাঁৱৰ বৰ্ণনাৰে ৰচনা

Created by Universal Document Converter

কৰিছে ‘জোনাকৰে ৰাতি, অসমীৰে মাটি ’ শীৰ্ষক গীতটি। কিন্তু সেইখন অসমৰেই সন্তান অসমবাসীক তেওঁ গীতৰ মাজেৰে দেশৰ প্ৰতি থকা দায়িত্ববোধৰ কথা ‘আমি অসমীয়া নহওঁ দুখীয়া  শীৰ্ষক গীতটিৰ মাজেৰে আপোন মাতৃৰ অশ্ৰু নমচিলে , বিশ্বপ্ৰেম হ’ব বৃথা’  বুলি   সকিয়াই দিবলৈ পাহৰা নাই।  ভূপেন হাজৰিকাৰ দৃষ্টিত অসমভূমি আৰু  লুইতৰ মাজত কোনো পাৰ্থক্য নাই। শৈশৱৰে পৰা সাঁতুৰি-নাদুৰি ডাঙৰ দীঘল হোৱা লুইতখন যেন তেওঁৰ বাবে অসমৰেই অন্য এটি নাম। লুইতেই অসমবাসীৰ সপোন ভাঙোতা আৰু সপোন গঢ়োঁতা। সেই বাবেই হয়তো ভূপেন হাজৰিকাই লিখিছে— ‘লুইততে মোৰ ঘৰ / লুইতেই মোৰ পৰ / লুইতেই যে ভাঙে- গঢ়ে / সপোন মৰমৰ’ ।

ভূপেন হাজৰিকাই সমাজবাদী চিন্তাধাৰাৰে এখন নতুন অসম গঢ়াৰ পৰিকল্পনা কৰিছিল। অসমীয়া সংস্কৃতিক বিশ্বৰ দৰবাৰলৈ উলিয়াই লৈ যোৱাৰ সপোন দেখা ভূপেন হাজৰিকাই এখন শোষণমুক্ত ভাৰত গঢ়াৰ  ইচ্ছাৰে সদায় হেজাৰ জনৰ কণ্ঠ হৈ অন্যায় অবিচাৰৰ প্ৰতি মাত মাতিবলৈ প্ৰয়াস কৰিছিল।  ভূপেন হাজৰিকাৰ গীতত আছিল অপৰাজেয় শিল্পীসত্তাৰ প্ৰতিজ্ঞাবদ্ধ অভিব্যক্তি।  সেয়েহে মাথোঁ তেৰ বছৰ বয়সতে লিখি উলিয়াইছিল— ‘অগ্নিযুগৰ ফিৰিঙতি মই / নতুন অসম গঢ়িম / সৰ্বহাৰাৰ সৰ্বস্ব /পুনৰ ফিৰাই আনিম’। সেইদৰে কেতিয়াবা আকৌ মানৱতাবাদৰ পম খেদি গীতিকাৰ ভূপেন হাজৰিকাই শ্ৰমজীৱী মানুহৰ কণ্ঠ হবলৈ প্ৰয়াস কৰা দেখা যায়। তেনে ক্ষেত্ৰত মূৰৰ ঘাম মাটিত পেলাই শিল ভাঙি অতি কষ্টেৰে জীৱন যাপন কৰা শ্ৰমিক জনৰ হৃদয়ৰ বেদনাৰে তেওঁ লিখিছে , ‘ভাঙ্, ভাঙ্ ভাঙোতা শিল ভাঙ্’ শীৰ্ষক *গীতটি*। শোষিত-লাঞ্ছিত নিপীড়িত জনৰ প্ৰতি থকা সহানুভূতিয়ে তেওঁক যেন শোষণৰ বিৰুদ্ধে গীত লিখিবলৈ বাধ্য কৰাইছে। সেয়েহে অৰ্থনৈতিক বৈষম্যক দূৰ কৰাৰ চিন্তাৰে সমগ্ৰ খাটি খোৱা মানুহৰ প্ৰতিভূস্বৰূপে দোলাভাৰীসকলক লৈ  লিখিছে,

......দোলাৰ ভিতৰত তিৰবিৰ কৰিছে

চহকী পাটৰে পাগ

ঘনে ঘনে দেখিছোঁ লৰচৰ কৰিছে

Created by Universal Document Converter

শুকুলা চোঁৰৰ আগ।

মোৰহে ল'ৰাটিক এইবাৰ বিহুতে

নিদিলো সূতাৰে চোলা...... (হাজৰিকা (সম্পা), ২০১০, পৃঃ ৫১৭)

পৈণত বয়সত ভূপেন হাজৰিকাই জাতীয়তাবাদী ভাৱনাৰ পৰা আঁতৰি গৈ বিশ্বজনীন মানৱতাবাদী ভাৱধাৰাক অধিক গুৰুত্ব দি ভালেমান গীত ৰচনা কৰিবলৈ ল'লে। সেয়েহে বিদেশত যাযাবৰৰ দৰে ঘূৰি ফুৰোঁতেও গগনচুম্বী অট্টালিকাৰ কাষৰ গৃহহীন নৰ-নাৰীৰ প্ৰতি অধিক সংবেদনশীল হৈ পৰিছে। গীতৰ জৰিয়তেই ভূপেন হাজৰিকাই এখন প্ৰকৃত মানুহৰ সমাজ গঢ়াৰ সংকল্প লোৱা দেখা যায়। তেওঁ সমাজৰ দানৱ সদৃশ শক্তিসমূহকো মানৱীয় চিন্তাধাৰাৰ প্ৰভাৱেৰে পৰিৱৰ্তিত কৰি এখন অন্যায় আৰু কলুষতা মুক্ত সমাজ গঢ়াৰ সপোন দেখে। আৰু তাৰ বাবে ভূপেন হাজৰিকাই শক্তিশালী গীতসমূহকেই প্ৰধান অস্ত্ৰ বা আহিলা হিচাপে গ্ৰহণ কৰি মানুহৰ হৃদয়ৰ অভ্যন্তৰত প্ৰৱেশ কৰিবলৈ প্ৰয়াস কৰিছে।

বজ্ৰৰ কণ্ঠেৰে, ধুমুহাৰ শক্তিৰে

গীত গাই কঁপাম দিগন্ত।

দানৱৰ সমাজতো গাম মানৱৰ গীত

কলিজাৰ সঁচা সুৰ-সিক্ত। ( হাজৰিকা,২০১০, পৃঃ ৩২২)

ৰোমান্টিক মনৰ অধিকাৰী ভূপেন হাজৰিকাৰ হৃদয়ত প্ৰেমৰ চিৰ শাশ্বত স্বৰ্গীয় আভাই বিজুলীৰ চমকনি তোলা দেখা যায়। ভূপেন হাজৰিকাই যিদৰে আধ্যাত্মিক প্ৰেমৰ মহানতাক লৈ গীত ৰচনা কৰিছে তেনেকৈ মিলনমুখী বাসনাৰ উত্তাল আৱেগে তেওঁৰ দেহত শিহৰণ তুলিছে। ভূপেন হাজৰিকাৰ গীতৰ সেই আৱেগে কেতিয়াবা সমাজ আৰু সংস্কাৰৰ পৰিধি নেওচি দেহজ প্ৰেমৰ মিঠা উম লবলৈও উদ্বাউল হৈ উঠিছে। সেয়েহে তেওঁৰ প্ৰেমৰ গীতসমূহত বিবিধতাৰ প্ৰকাশ ঘটিছিল। 'তোমাৰ উশাহ কঁহুৱা কোমল শেৱালি কোমল হাঁহি.....',

Created by Universal Document Converter

বা , 'গুপুতে গুপুতে কিমান খেলিম আলিংগনৰ এই খেলা... ' , নতুবা 'কিযে তোমাৰ সংগ প্ৰিয়া, মিঠা তোমাৰ সংগ, তোমাৰ অংগ জ্বলন্ত জুইত মই যেন পতংগ.......' আদি গীতে প্ৰেমৰ ভিন ভিন স্তৰ প্ৰকাশ কৰিছে।

ধৰ্ম আৰু বৰ্ণ- বৈষম্যৰ বিৰুদ্ধে ভূপেন হাজৰিকাই সদায় মাত মাতি আহিছে। সেয়েহে ভূপেন হাজৰিকাই জাত পাত নিমিলা অসৱৰ্ণ বিবাহক গীতৰ মাজেৰে পূৰ্ণ সন্মতি জনাইছে। তাৰ বাবে সমাজক নেওচি হ'লেও হৃদয়ৰ বাসনাক পৰিপূৰ্ণ কৰিবলৈ ডেকা গাভৰু সকলক তেওঁ আহ্বান জনাইছে। সংস্কাৰকামী চেতনাৰে লিখা ভূপেন হাজৰিকাৰ বহু চৰ্চিত গীত 'ডুগ ডুগ ডুগ ডুগ ডম্বৰু, মেঘে বজাই ডম্বৰু........' আৰু ' যুৱতী অনামিকা গোস্বামী আৰু যুৱক প্ৰশান্ত দাসে বিয়াত হেনো কিছু বাধা পালে.....' আদি গীতৰ ৰচনাৰ জৰিয়তে সমাজ সংস্কাৰকৰ ভূমিকা পালন কৰিছে। জীয়াই থাকি এখন নিকা সমাজ গঢ়াৰ মানসেৰে তেওঁ লিখিছে,

............ জীয়াই থাকি এখন সমাজ
গঢ়িবৰ মোৰ মন আছে,
য'ত সোণতকৈয়ো মানুহৰ দাম
অলপ হ'লেও বেছি আছে........ ( হাজৰিকা,২০১০, পৃঃ ৪৭১)

ৰমন্যাসবাদৰ এটি প্ৰধান লক্ষণ হৈছে প্ৰকৃতি-প্ৰেম। ৰমন্যাসৰ প্ৰভাৰ পৰা কবি গীতিকাৰসকলক সততে প্ৰকৃতিয়ে আকৃষ্ট কৰে। আৰু সেই প্ৰকৃতি প্ৰীতিয়ে মনৰ দাপোনত সৌন্দৰ্যৰ প্ৰতিবিম্বৰ সৃষ্টি কৰি কল্পনাৰ এখন নান্দনিক জগতত কবি বা গীতিকাৰ জনক প্ৰৱেশ কৰোৱায়। ভূপেন হাজৰিকাও এজন প্ৰকৃতিপ্ৰেমী গীতিকাৰ। সাধাৰণ পাৰ্থিৱ বস্তু একোটাও তেওঁৰ চকুত অসাধাৰণ হৈ দেখা দিয়ে। সেই হিচাপে ভূপেন হাজৰিকাকো ৰমন্যাসিক কবিসকলৰ তালিকাত সহজেই অন্তৰ্ভুক্ত কৰিব পৰা যায়। প্ৰকৃতিৰ সৌন্দৰ্যৰ ৰহঘৰা স্বৰূপা অসমভূমিৰ প্ৰতিও তেওঁৰ আছে অপৰিসীম ভালপোৱা ভাৱ। অসমৰ নৈসৰ্গিক দৃশ্যৰ শোভাই তেওঁৰ হৃদয় আলোড়িত কৰি তোলে। গীতৰ মাজেৰে প্ৰতিটো ঋতুকেই ভূপেন হাজৰিকাই স্পৰ্শ কৰিছে। শৰত কালটোৰ

Created by Universal Document Converter

প্ৰতি গীতিকবি পাৰ্বতিপ্ৰসাদৰ দৰে  ভূপেন হাজৰিকাৰো বিশেষ দুৰ্বলতা থকা যেন অনুভৱ হয়। সেয়েহে ভূপেন হাজৰিকাৰ গীতত কঁহুৱা, শেৱালি, নিয়ৰ , শুকুলা মেঘ, আদিৰ বৰ্ণনাৰ পয়োভৰ দেখা  যায়। তথাপিও বহাগৰ পৰা চ'তলৈকে গোটেই কেইটা মাহৰ প্ৰাকৃতিক শোভায়ো তেওঁৰ মনটো মুহি ৰাখিছিল। সেয়েহে তেওঁৰ কলমৰ পৰা  চিৰ-নতুন একোটি গীত নিগৰিছিল। তাৰেই এটি উদাহৰণ—

দিখৌৰ বুকুতে সেউজী মাজুলী
ৰ'দত মিচিকিয়াই হাঁহে অ' চেনাই অ'
.......... মাজুলীৰ কঁহুৱাই বেলিৰ ফাকু সানি
ককাল ভাঙি ভাঙি নাচে..........                ( হাজৰিকা (সম্পা),২০১০, পৃঃ ২৬৭)

সুন্দৰ সৃষ্টিৰে অসমীয়া সাহিত্যক অৰিহণা যোগোৱা ভূপেন হাজৰিকাৰ গীতত মহাকবি কালিদাস, গণ শিল্পী পলৰবছন আদিৰ প্ৰভাৱো দেখা যায়। বৰ্তমানৰ সমাজ বাস্তৱিকতাৰ আলোকত ভূপেন হাজৰিকাৰ এটি গীত ‘এটুকুৰা আলসুৱা মেঘ ভাহি যায় / মোৰো বনহংসই বাট হেৰুৱাই’ অত মহাকবি কালিদাসৰ অমৰ সৃষ্টি *মেঘদূত*ৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়। যদিও কালিদাসৰ *মেঘদূত*ৰ নায়ক যক্ষক ভূপেন হাজৰিকাই গীতটিৰ মাজত সম্পূৰ্ণৰূপে উপস্থাপন কৰা নাই তথাপিও গীতটিৰ এটি কলিত বৰ্তমান সমাজৰ লগত খাপ খোৱাকৈ সেইপৌৰাণিক চৰিত্ৰটিৰ  দূৰণিবটীয়া প্ৰেয়সীক লগ পোৱাৰ যি আকুলতা তাৰ অনুৰণন শুনিবলৈ পোৱা যায়। গীতিকাৰ হাজৰিকাই এই গীতটোত ক্লাচিকেল কাব্যৰ মোটিফ গ্ৰহণ কৰি নতুন ৰূপত আধুনিক জীৱনৰ বাৰ্তা কঢ়িওৱা প্ৰতীক নিৰ্মাণ কৰিছে । মেঘদূতত যক্ষই প্ৰেমিকালৈ বাতৰি দিবলৈ আকাশৰ মেঘক দূত ৰূপে কল্পনা কৰিছিল। ভূপেন হাজৰিকাৰ গীতৰ নায়কেও শাৰদীয় বতৰত শাওণৰ প্ৰতীকেৰে  অতীতৰ প্ৰেমৰ মিঠা অনুভূতিক যক্ষৰ দৰেই  হৃদয়ৰ একেই আকুলতাৰে  সোঁৱৰণ কৰিছে।  কিন্তু বৰ্তমানৰ অধুনিক যুগৰ ৰূঢ় বাস্তৱিকতাৰ প্ৰচ্ছায়াত  কালিদাসৰ নিভাঁজ প্ৰেমৰ স্বাক্ষৰ স্বৰূপ মেঘদূতৰ প্ৰেম এক প্ৰতাৰণাময় প্ৰেমত পৰিণত হৈছে।  তথাপিও যুগ যুগ ব্যাপি শৰতৰ শুকুলা ডাৱৰবোৰৰ গতিময়তাৰ শোভা কিন্তু অপৰিৱৰ্তিত হৈয়েই

Created by Universal Document Converter

আছে। সেয়েহে ভূপেন হাজৰিকাই লিখিছে,

মই এক যক্ষ মহানগৰীৰ

মিছলীয়া মৰমত কাৰাৰুদ্ধ,

সোৰঁৰণী শ্ৰাৱণতে আৱদ্ধ। ( হাজৰিকা,২০১০, পৃঃ ১২৩)

ভালকৈ মন কৰিলে ভূপেন হাজৰিকাৰ গীতত সমাজ সচেতনতাৰ মুক্ত প্ৰকাশ দেখিবলৈ পোৱা যায়। ভূপেন হাজৰিকাই সদায় নতুনত্বৰ সন্ধান বিচাৰে। নতুন পুৰুষক সময়ৰ গতিশীলতাৰ লগত খোজ মিলাই এখন নতুন সমাজ গঢ়াৰ বাবে তেওঁ সদায় উপদেশ দিয়ে। ভূপেন হাজৰিকাই ভালদৰেই জানে যে এখন নিকা সমাজ গঢ়িবলৈ প্ৰথমতে নৱ-প্ৰজন্মই আধুনিক মানসিকতা গ্ৰহণ কৰিবই লাগিব। তাৰ বাবে নতুন প্ৰজন্মই এখন আত্মনিৰ্ভৰশীল সমাজৰ বাতাৱৰণ সৃষ্টি কৰাতো প্ৰয়োজনীয়। সেয়েহে স্বয়ং সম্পূৰ্ণ চিন্তাধাৰাৰে পৰিপুষ্ট হৈ এখন শক্তিশালী সমাজ গঢ়াৰ মানসেৰে ভূপেন হাজৰিকাই নতুন পুৰুষক এনেদৰে উদগনি দিয়ে,

নতুন পুৰুষ, নতুন পুৰুষ

তুমিতো নোহোৱা আৰু ভীৰু কাপুৰুষ ।

হাতে কামে আজি যদি নোহোৱাঁ পুৰুষ

কাইলৈ হ'বা তুমি পুৰণি পুৰুষ ।। ( হাজৰিকা,২০১০, পৃঃ ২৮৩)

কবি নৱকান্ত বৰুৱাই ভূপেন হাজৰিকাৰ 'নতুন নিমাতী নিয়ৰৰে নিশা' শীৰ্ষক গীতটিক মোহময় মন্ত্ৰৰ সৈতে ৰিজাইছে। একেটি গীততে কথা, কবিতা আৰু গীত এই তিনিবিধৰ ত্ৰিৱেণী সংগম ঘটা বুলি লেখক সমালোচক মহেন্দ্ৰ বৰাই মন্তব্য কৰিছে। ভূপেন হাজৰিকাৰ গীতসমূহক সাহিত্যিক দৃষ্টিকোণৰ পৰা বিচাৰ কৰি চালে ভাৱবস্তু আৰু ৰূপবস্তুৰ নিটোল সমন্বয় পৰিলক্ষিত হয়। ভাৱৰ স্বছতা, ভাষাৰ স্বচ্ছন্দতা , ছন্দবন্ধনৰ

Created by Universal Document Converter

পৰিপাটিতা আৰু শব্দ সমাৱেশৰ অভিব্যঞ্জনা ভূপেন হাজৰিকাৰ কিছু সংখ্যক গীতৰ বৈশিষ্ট্য বুলি কব পৰা যায়। (হাজৰিকা(সম্পা), ২০১০, পৃ.উ.না) এই সমূহৰ উপৰিও ভূপেন হাজৰিকাৰ এটি প্ৰগতিশীল মন আছে। তেখেতে আশা কৰে যে শিক্ষাৰ জ্যোতিয়ে এদিন অসমীয়া সমাজৰ সংকীৰ্ণ ভাৱধাৰাক নিৰ্মূল কৰি এখন জ্ঞানী সমাজ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ব। ভূপেন হাজৰিকাই কল্পনা কৰে যে অসম-সন্তানসকলে ৰঙা দলিচাৰে পদযাত্ৰা কৰি এদিন অসমীয়া ভাষা-সংস্কৃতিক জ্ঞানৰ নিজৰাত অৱগাহন কৰাই বিশ্বৰ দৰবাৰত অসমৰ নাম উজলাব। সেয়েহে তেখেতে লিখিছে,

আন্ধাৰৰ ভেঁটা ভাঙি
প্ৰাগজ্যোতিষত বয়
জেউতি নিজৰাৰে ধাৰ,
শত শত বন্তিৰে
জ্ঞানৰে দীপালিৰে
জিলিকাব লুইতৰ পাৰ। (হাজৰিকা,২০১০, পৃঃ ২২৪)

সমাজৰ সবাতোকৈ গুৰুত্বপূৰ্ণ কথা হ'ল মানুহৰ জীৱনৰ প্ৰতি থকা নিৰ্মোহ জীৱনবোধ। কাৰণ এই জীৱনবোধে মানুহক জীৱনৰ প্ৰতি অনুৰক্ত কৰি তোলে ; সমাজৰ এটি উপাদান হিচাপে মানুহক জীয়াই থকাৰ সমল যোগায়। যিসকল কবি বা গীতিকাৰৰ গীতত জীৱনবোধৰ পৰিচয় পোৱা যায় সেইসকল গীতিকাৰে অতি সহজে শ্ৰোতাক আকৰ্ষণ কৰিবলৈ সক্ষম হয়। ভূপেন হাজৰিকাৰ অধিক সংখ্যক গীতত এই গভীৰ জীৱনবোধ উথলি উঠা দেখা যায়। দাৰ্শনিক অভিৰুচিৰে ভৰা যদিও নান্দনিক মাধুৰ্যৰে পৰিপূৰ্ণ এই গীতসমূহৰ এটি হ'ল—

...........লক্ষ্য যদিও দিগন্ত শিল্পীহে তোমাৰ

Created by Universal Document Converter

পদুমৰে পানচৈ চপোৱা এবাৰ

দেখিবা জীৱনৰে দিগন্ত অপাৰ

বেলি যে যায়, বেলি যে যায়

বেলি যে যায় ।। (হাজৰিকা (সম্পা) , ২০১০, পৃঃ ৫৮)

ভূপেন হাজৰিকাই গীতত প্ৰায়ে কথিত ভাষা প্ৰয়োগ কৰে আৰু তেনে প্ৰয়োগে হৃদয়ৰ ভাবসমূহক স্বতঃস্ফূৰ্তভাৱে উলিয়াই লৈ আনে। গীতত থলুৱা সুৰবোৰেও লাভ কৰে এক নিজস্ব গতি। ভূপেন হাজৰিকাৰ গীতৰ সুৰে শব্দক বা শব্দই সুৰ প্ৰকাশত কেতিয়াও বিধি-পথালি দিয়া দেখা নাযায়। (ভূঞা(সম্পা), ২০১১ , পৃ ঃ ১২৫) প্ৰয়োজনত দুই তিনিটা থলুৱা সুৰক মিহলি কৰিও ভূপেন হাজৰিকাই সৃষ্টি কৰা নতুন সুৰটোৱে মৌলিক সুৰৰ ৰূপ লয়। ইতিমধ্যে উল্লেখ কৰাৰ দৰেই ভূপেন হাজৰিকাৰ গীতত অগতানুগতিক শব্দ-চয়ন, অলংকাৰ, চিত্ৰকল্প , প্ৰতীক, ৰসৰ সমাবেশ আদিয়ে তেওঁৰ গীতক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। ভূপেন হাজৰিকাৰ গীতৰ আলোচনাত গীতত ব্যৱহাৰ কৰা শব্দ সংযোজন ৰীতি , চিত্ৰকল্প আৰু প্ৰতীকৰ ব্যৱহাৰ আৰু অন্যান্য নান্দনিক সৌন্দৰ্যৰ বিষয়ে থোৰতে উনুকিওৱা উচিত—

**শব্দ সংযোজন ৰীতি ঃ** ভূপেন হাজৰিকাই গীতত ব্যৱহাৰ কৰা প্ৰতিটো শব্দই অৰ্থজ্ঞাপক। শব্দৰ যথাৰ্থ প্ৰয়োগে গীতসমূহলৈ সৌন্দৰ্য আনিছে। তেওঁৰ গীতত নিভাঁজ অসমীয়াৰ শব্দৰ লগতে সংস্কৃত, দেশী ,বিদেশী আদি বিভিন্ন শব্দৰ সংযোজন ঘটিছে। সংস্কৃত বা আৰ্যমূলীয় শব্দৰ ভিতৰত তৎসম (যেনে—অনল , কেশ, শিৰ, পুষ্প, ভ্ৰমৰ, বজ্ৰ, নৃপতি, আদি), যুৰীয়া তৎসম ( যেনে— ময়ূৰপংখী, বজ্ৰনিনাদ,অশ্ৰুধাৰ, অহোৰাত্ৰি,হংসগামিনী, বহ্নিমান, সদ্যস্নাতা , কণ্ঠৰুদ্ধ আদি), অৰ্ধতৎসম ( যেনে — ধৰম, সৰগ, সূৰুয, গিয়ানী, শকতি, সপোন, তিয়াগি, পৰশ আদি), অনাৰ্যমূলীয় শব্দ (যেনে— মিবু, গালুক, খুব্‌লেই, আবুং, চেইৰো,জেইমচেইম, মাইহাং, হেংদান আদি), ধাৰ কৰা শব্দ ( যেনে — বাতাস, শিশিৰ, মানুষ, কচি কচি, বেটা, ঝুঠা, পৰদেশী , নিকাহ, ৰমজান, কায়েম, মহব্বত, দুনীয়া , অটোৰিক্সা, ফায়াৰমেন, প্ৰফেচৰ, ৰিফাইনেৰী,

Created by Universal Document Converter

টেক্‌নিক) আদিৰ বহুল ব্যৱহাৰ দেখিবলৈ পোৱা যায়। কোনো কোনো গীতত ভূপেন হাজৰিকাই ফকৰা-যোজনা আৰু খণ্ডবাক্যক নিজস্ব প্ৰয়োগ-ৰীতিৰে নতুন বাক্য গাথঁনিৰ সৃষ্টি কৰি (যেনে — 'দুই ম'হৰ যুঁজত আজি বিৰিণা মৰে' , 'শৃগালৰ জাক জাক সিংহৰ এটাই ভাল ' , 'বাহিৰে ৰং চং দেখি আমি কোৱাভাতুৰীকে আদৰোঁ কিয়' , 'এনে আইতা নাচনী তাতে নাতিনীৰে বিয়া' আদি)ব্যৱহাৰ কৰা দেখা যায়। তেওঁৰ গীতত বিভিন্ন জতুৱা ঠাঁচ ( যেনে—' কাকিনী তামোল', 'ছন্ন পৰা', 'লাজুকী লতা' , 'হেঙুলীয়া পানী ' , 'শাৰদী পুৱা' , 'শেৱালি কোমল' , 'জিলমিলীয়া কোমল বালি' , 'কঁহুৱা কোমল' , 'আলসুৱা মেঘ' আদি) ৰ ব্যৱহাৰে শব্দ-সংযোজন ৰীতিক বলিষ্ঠ কৰি তুলিছে। (শৰ্মা(সম্পা), ২০১২, পৃ ঃ ৪৩১-৪৪৩)

**অলংকাৰৰ প্ৰয়োগ** ঃ শব্দৰ আলংকৰিক প্ৰয়োগে গীতৰ ভাষাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। ভূপেন হাজৰিকাৰ গীতত শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ ভিতৰত অনুপ্ৰাস, উপমা, ৰূপক আদি অলংকাৰৰ বহুল প্ৰয়োগে তেওঁৰ গীতৰ সৌন্দৰ্য বৃদ্ধি কৰাৰ লগতে ভাষাও শ্ৰুতিমধুৰ কৰি তুলিছে। অলংকাৰৰ প্ৰয়োগেৰে ভূপেন হাজৰিকাই গীতসমূহক ব্যঞ্জনাধৰ্মী কৰি গীতৰ সৌন্দৰ্য বৃদ্ধি কৰাৰ লগতে তেওঁৰ বাক-চতুৰতাকো প্ৰতীয়মান কৰি তুলিছে। তেনে অলংকাৰসমূহৰ উদাহৰণ হ'ল—

**অনুপ্ৰাস ঃ** (ক) গুম্ গুম্ গুম্ গুম্ মেঘে গৰজিলে / হুম্ হুম্ হুম্ হুম্ ধুমুহা আহিলে

(খ) হে' দোলা হে' দোলা / হে' দোলা হে' দোলা / একা-বেঁকা বাটেৰে কঢ়িয়াও কঢ়িয়াও / বৰ বৰ মানুহৰ দোলা

(গ)ধম্ ধমা ধম্ ধমা ধম্ জীৱন মাদল বাজে / আজি নতুন নতুন মনৰ মানুহ / নতুনভাৱে সাজে

**উপমা ঃ** (ক) 'তোমাৰ উশাহ কঁহুৱা কোমল / শেৱালি কোমল হাঁহি' । ইয়াত উপমেয় উশাহ আৰু হাঁহি, উপমান কঁহুৱা আৰু শেৱালি।

(খ)' তেওঁৰ জেইন্‌চেইম্‌খনি বিজুলীৰে বোৱা / ৰঙা ওঁঠযুৰি অ' মৌৰে বোলোৱা' । ইয়াত উপমেয়

Created by Universal Document Converter

জেইন্‌চেইম আৰু ওঠ , উপমান বিজুলী আৰু মৌ।

(গ) পখিলা উৰা দি উৰে মন । ইয়াত মন উপমেয় আৰু পখিলা উপমান।

**ৰূপক ঃ** (ক) মৰম জ্যোতিৰ পম খেদি খেদি

(খ) মৌনতাৰ সূতাৰে বোৱা

(গ) সেই ফটিকা , প্ৰেম ফটিকা।

**অতিশয়োক্তি ঃ** (ক) সৰু সৰু পুখুৰীৰ সৰু পুঠি মাছবোৰে / বিজুলীক গিলিব খোজে।

(খ) তুমি বিয়াৰ নিশাৰ শয়ন পাটীৰ / এপাহি ৰজনীগন্ধা / তোমাৰ মূল্য এনিশাৰ

(গ) মোৰ মন বাঘ যদি আজি চৰাই হয় আৰু ক'ৰবাৰ চিলনীয়ে খেদি খেদি কয়

**অপহ্নুক্তি ঃ** ক) নীলা আকাশত আজি আউজি লৈ / হালিছে জালিছে পলাশৰে ফুল /

ফুলতো নহয় , এইয়া মৰমৰে জুই.......

**উল্লেখ অলংকাৰ ঃ** (ক) আইৰে চকুৰে মুকুতানো সৰে ক'ত?

(খ) মোৰ গান হওক বহু আস্থাহীনতাৰ বিপৰীতে এক গভীৰ আস্থাৰ গান

(গ) হ'ব পাৰে কোন গাভৰুৰ শোকভৰা কথা

**উৎপ্ৰেক্ষা অলংকাৰ ঃ** (ক) সাগৰ সংগমত কতনা সাঁতুৰিলো / তথাপিতো হোৱা নাই ক্লান্ত

(শৰ্মা(সম্পা), ২০১২, পৃ ঃ ৩৪১-৩৫০), (হাজৰিকা (সম্পা) ,২০১১-১২ , পৃ ঃ ৩৯-৪৮)

এই সমূহ অলংকাৰৰ উপৰিও ভূপেন হাজৰিকাৰ গীতত সমাসোক্তি, স্বভাৱোক্তিৰো বহুল ব্যৱহাৰ দেখা যায়। কবিতাৰ গুণসম্পন্ন গীতত কম শব্দৰ মাজেৰে একোটা পূৰ্ণাংগ ৰূপ গঢ়ি তুলিবলৈ গীতিকাৰে ব্যঞ্জনাৰ আশ্ৰয় লয়। ভূপেন হাজৰিকাই সৰল স্বভাৱোক্তিৰেও একোটা ছবি সম্পূৰ্ণ কৰিবলৈ প্ৰয়াস কৰা যেন অনুভৱ হয়।

**স্বভাৱোক্তি ঃ** বুধুৰ গালত ৰঙা ৰুমাল / বাহুত তামৰ তাবিজ / ক'লা চুলিত কত যে ভাঁজ / দেহত ৰঙীন

Created by Universal Document Converter

কামিজ/কাজল সনা চকু দুটাই হাঁহে / ৰতনপুৰৰ বুধুৱা আজি তাইৰ পিনে আহে।

(পৰাশৰ , গোস্বামী (সম্পা) ,২০১১, (পৃঃ ১৬১-১৬৯)

ভূপেন হাজৰিকাৰ গীতত ৰূপক , চিত্ৰকল্প আৰু প্ৰতীকৰো বহুল প্ৰয়োগ ঘটিছে। উদাহৰণ স্বৰূপে—

**চিত্ৰকল্প ঃ** (ক) এটি এটি ক্ষণ যেন মুকুতাৰে ধন /এনেয়ে হেৰুৱালে নাহে উভতি / নীলা আকাশৰ একোটি তৰা হঠাতে খহি সাৰটি ধৰা ঘিট্‌মিট্‌ এন্ধাৰৰ নিমাত ৰাতি।

(খ) লক্ষ্য যদিও দিগন্ত শিল্পীহে তোমাৰ /পদুমৰে পানচৈ চপোৱা এবাৰ....

(গ) এটুকুৰা আলসুৱা মেঘ ভাহি যায় / মোৰো বনহংসই বাট হেৰুৱায়/ মই আছোঁ শাৰদীয় খিৰিকী মুখত/ বুকুৰে বিচৰাজনলৈ বাট চাই।

**প্ৰতীক ঃ** (ক)‘ বিস্তীৰ্ণ পাৰৰে / অসংখ্য জনৰে / হাহাকাৰ শুনিও / নিশব্দে নিৰৱে /বুঢ়া লুইত তুমি বুঢ়া / বুঢ়া লুইত বোৱা কিয়’ । গীতটিত বুঢ়া লুইত ঐতিহ্যমণ্ডিত সংস্কৃতি বা লুইত পৰীয়া গণশক্তিৰ প্ৰতীক হ’ব পাৰে।

(খ) ‘চিৰযুগমীয়া ঢৌ তুলি ঢৌ তুলি / চিৰ নতুন পানচৈ উটি যায় / জিলমিলীয়া ঢৌ তুলি ঢৌ তুলি/ সময়-নদীত পট আঁকি আঁকি যায়’। গীতটি সমূহ শিল্পী আৰু কলাকাৰক প্ৰতীকেৰে মূৰ্তমান কৰিছে।

(গ) ‘ৰাইজ আজি ভাৱৰীয়া দেশেই নাটঘৰ’ । এই গীতটি ভণ্ড ৰাজনীতিৰ প্ৰতীকধৰ্মী গীত।

ভূপেন হাজৰিকাৰ কিছুমান গীতক সাৰ্থক কবিতাৰ লগত তুলনা কৰিব পৰা যায়। এনে গীতসমূহক ভাবঘনত্বযুক্ত চিত্ৰকল্প, অৰ্থলংকাৰৰ ব্যঞ্জনা, মিতব্যয়িতাৰে কৰা শব্দৰ ব্যৱহাৰ আদিয়ে উচ্চ পৰ্যায়ৰ কবিতালৈ উন্নীত কৰাইছে। তেনে কেইটিমান গীত হ’ল , ১) শ্বিলঙৰে মনালিছা লিংডো , ২) আনৰ কাৰণে জীৱন শলিতা, ৩) এটুকুৰা আলসুৱা, ৪) কঁহুৱা বন মোৰ অশান্ত মন, ৫) কি যে তোমাৰ সংগ প্ৰিয়া, ৬) গাঁৱৰে

Created by Universal Document Converter

জীয়ৰী সপোন সুন্দৰী, ৭) জোনাকৰে ৰাতি অসমীৰে মাটি, ৮) তোমাৰ উশাহ কঁহুৱা কোমল , ৯) পলাশৰে ৰং কোনেনো সানিলে ,১০) ব'হাগ মাথোঁ এটি ঋতু নহয়, ১১) মানুহে মানুহৰ বাবে , ১২)বিমূৰ্ত মোৰ নিশাটি যেন, ১৩) মোৰ গান হওক বহু আস্থাহীনতাৰ বিপৰীতে , ১৪) সাগৰ সংগমত আৰু ১৫) স্নেহে আমাৰ শত শ্ৰাৱণৰ। ( কলিতা, ২০০৭, পৃ ঃ ৯৭)

ভূপেন হাজৰিকাৰ গীতসমূহ বিভিন্ন ৰসযুক্ত। তেওঁৰ গীতত প্ৰধানকৈ করুণ ৰস (উদাহৰণ — 'এন্ধাৰ কাতিৰ নিশাতে' শীৰ্ষক গীতটি ) , বীৰ ৰস ( উদাহৰণ — 'অগ্নিযুগৰ ফিৰিঙতি মই নতুন অসম গঢ়িম' ) আৰু শৃংগাৰ ৰস (উদাহৰণ—'নিজকে দেখি আজিকালি বেলেগ ভাব জাগে ' শীৰ্ষক গীতটি)ৰ প্ৰাধান্য দেখিবলৈ পোৱা যায়। কিন্তু সকলো প্ৰকাৰৰ নান্দনিক সৌন্দৰ্যৰ সংযোগ ঘটায়ো ভূপেন হাজৰিকাই তেওঁৰ সৃষ্টি কৰ্ম সণ্চালনিকৈ অব্যাহত ৰাখি শ্ৰোতা জনতাক তেওঁৰ সৃষ্টিৰ আনন্দ ভগাই দিয়াৰ প্ৰয়াস কৰিছে। সৃষ্টিৰ মাজেৰেই অনাবিল আনন্দ লাভ কৰা ভূপেন হাজৰিকাৰ মনত কিন্তু তেখেতৰ সৃষ্টি কৰ্মৰ মানদণ্ডৰ বিষয়ে কেতিয়াবা অমূলক সন্দেহো জাগিছে। সেয়েহে চিৰ জাগ্ৰত প্ৰহৰী স্বৰূপ তেওঁৰ গীতৰ পাঠকআৰু শ্ৰোতাগণক ভূপেন হাজৰিকাই তেওঁৰ ভুল-ভ্ৰান্তিসমূহ আঙুলিয়াই দিবলৈ সকাতৰে অনুৰোধ জনাইছে—

ভুল যদি হয় সৃষ্টিতে মোৰ
তুমি হোৱা চিন্তিত
সমালোচনাৰ অগনিৰে পুৰি
মোকো কৰা উন্নত। (হাজৰিকা (সম্পা) , ২০১০, পৃঃ ৪০৯)

গীতৰ সৃষ্টি আৰু পৰিৱেশন সন্দৰ্ভত ভূপেন হাজৰিকাই গায়ক আৰু গীতিকাৰ সূৰ্য্য দাসক এদিন কৈছিল,

Created by Universal Document Converter

বাপু গীত গালে মানুহৰ, আৰু দেশৰ কাৰণে গাবা— তোমাৰ ধৰ্ম হ'ব , তাতেই তুমি ঈশ্বৰক পাবা। কাকো হিংসা কৰি গান নাগাবা। সময়ে যিটো গান বিচাৰে সেইটো গীত সেই সময়তেই গাবা আৰু যেতিয়া সেই গীতৰ প্ৰয়োজন শেষ হ'ল, তাক পেলাই দিবা আকৌ নতুনৰ সৃষ্টি কৰা। সৃষ্টি যদি সঁচা হয়, আদৰ্শৰ হয়, তেনেহ'লে সেই গীত থাকিবই জনগণৰ মাজত। জনগণেহে তোমাৰ সৃষ্টিৰ মূল্য নিৰ্ধাৰণ কৰিব, ভাল নে বেয়া। ( ভূঞা (সম্পা) , ২০১১, পৃ ঃ ১৩৪)

ভূপেন হাজৰিকাই ৰচনা কৰা গীতসমূহৰ প্ৰধান বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি গীতবোৰক একো একোটা সুকীয়া শ্ৰেণীত স্থাপন কৰিব পৰা যায়। কিন্তু সামগ্ৰিক ভাৱে লক্ষ্য কৰিলে দেখা যায় যে প্ৰায় সকলোবোৰ গীততে ভূপেন হাজৰিকাই শব্দ , ভাৱ আৰু সুৰৰ সুষম সংযোগ সাধনেৰে গীতৰ এক স্বকীয় নিৰ্মাণ শৈলী ৰচনা কৰিলে। এইখিনিতে নিজৰ গীতৰ জনপ্ৰিয়তা সম্পৰ্কে ভূপেন হাজৰিকাই ভূপেন্দ্ৰ সংগীত সমিতি, অসমৰ উদ্বোধনী অনুষ্ঠান উপলক্ষে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড০ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত ২৩ মে' , ১৯৯৯ চনত দিয়া ভাষণৰ এটি অংশ অৱশ্যেই প্ৰণিধানযোগ্য ,

মোৰ গানত মই যৌৱনৰ কথা লিখিছো। নতুন প্ৰজন্মৰ ওচৰতে থকা সৰু প্ৰজন্মটোৰ কথাও লিখিছো—

তুমি নতুন পুৰুষ তুমি নতুন নাৰী

অনাগত দিনৰ জাগ্ৰত প্ৰহৰী ,.... আৰু কৈছো—

নতুন পুৰুষ তুমি নতুন পুৰুষ

তুমিতো নোহোৱা আৰু ভীৰু কাপুৰুষ

মই সদায় ইয়ং জেনেৰেচনৰ বেছি আগলৈ , তেওঁলোকৰ পোৱা-নোপোৱাৰ কথা কৈ দিওঁ কাৰণে বোধহয় চাৰিটা জেনেৰেচনে এতিয়া গ্ৰহণ কৰি আছে। চাৰিটা জেনেৰেচনৰ আশীৰ্বাদ পাইছোঁ। (ওজা , ২০১৩ , পৃ ঃ ৩৭০)

বৈচিত্ৰ্য আৰু বৈবিধ্যৰ অলঙ্কাৰ পিন্ধি ভূপেন হাজৰিকাই প্ৰায় ছয়টা দশক জুৰি বিশ্বৰ গীত ৰচকৰ ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰি অসমৰ গীতিকাৰসকলৰ তালিকাত সোণালী আখৰেৰে নিজৰ নাম খোদিত

Created by Universal Document Converter

কৰিবলৈ সক্ষম হ'ল।

## ৩.৫ সংগীতকাৰ ভূপেন হাজৰিকা

নিজৰ সৃষ্টিশীল মনটোৰ তাগিদাত নতুবা পৃথিৱীৰ অনিন্দ্য ৰূপ মাধুৰ্যৰ আহ্বানত কবি এজনৰ মন যেতিয়াই থৌকি বাথৌ হয়, তেতিয়াই তেওঁৰ কলমেৰে হৃদয়স্পৰ্শী কবিতা বা গীতসমূহ নিগৰি ওলায়। সাধাৰণতে গীত ৰচনা কৰা কবিজনক গীতিকাৰ বুলি কোৱা হয়। আকৌ সেই একেজন গীতিকাৰৰ মনত যেতিয়া গীতৰ সুৰে খলকনি তোলে আৰু বিভিন্ন বাদ্য-যন্ত্ৰৰ সহযোগত যেতিয়া সেই সুৰ গীতসমূহত সফলভাৱে প্ৰয়োগ কৰি শ্ৰোতা -জনতাৰ অন্তৰত খোপনি পুতিবলৈ গীতিকাৰজন সমৰ্থ হয়, তেতিয়াই তেওঁক এজন সফল সংগীতকাৰ বুলি আখ্যা দিয়া হয়। এনে দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰি চালে গীতিকাৰতকৈও ভূপেন হাজৰিকা এজন অধিক সফল সংগীতকাৰ। তেখেতৰ গীতসমূহত গীতিব্যঞ্জক শব্দ, ভাৱপূৰ্ণ ভাষা, কোমল সুৰ আৰু দাৰ্শনিক দৃষ্টি ভংগীয়ে সণ্চালনিকৈ উপস্থিত থাকি গীতৰ মাধুৰ্য বঢ়াই তুলিছে। এক সম্পূৰ্ণ সাংগীতিক পৰিৱেশত ডাঙৰ দীঘল হোৱা ভূপেন হাজৰিকাই বিভিন্ন বাদ্যযন্ত্ৰৰ লগত উমলি জামলি ডাঙৰ হোৱা বাবেই হওক, বা মাতৃপক্ষৰ পৰা জন্ম সূত্ৰে লাভ কৰা সুকণ্ঠৰ প্ৰভাৱৰ বাবেই হওক, নতুবা পিতৃৰ পৰা সৃষ্টিশীল প্ৰতিভা লাভ কৰাৰ বাবেই হওক, স্বকীয় প্ৰতিভা অংকুৰিত হোৱাৰ দিনৰে পৰা ভূপেন হাজৰিকাই গীতসমূহত সফল ভাৱে সুৰ প্ৰয়োগ কৰিছে। প্ৰথম গীতটোৰ ৰচনাৰে পৰা তেওঁ নিজে লিখা গীতসমূহক সুৰেৰে সজাই তুলিছে। ভূপেন হাজৰিকাই সাংগীতিক জীৱনৰ শৈশৱকালত গীত আৰু সুৰৰ ওজাস্বৰূপ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণু প্ৰসাদ ৰাভাৰ হাতত নিৰ্দিষ্ট আকাৰ লবলৈ সুযোগ লাভ কৰিছিল। জ্যোতিপ্ৰসাদ আগৰৱালাক নিজৰ সংগীত ক্ষেত্ৰৰ গুৰু বুলি ভূপেন হাজৰিকাই বিনা দ্বিধাই স্বীকাৰ কৰি আহিছে। (হাজৰিকা, ২০১১, পৃঃ ৩১-৪৫) ভূপেন হাজৰিকাৰ বাবে জ্যোতিপ্ৰসাদ আৰু বিষ্ণু ৰাভা আছিল গুৰু স্বৰূপ। অকপটে ভূপেন হাজৰিকাই স্বীকাৰ কৰিছে —

Created by Universal Document Converter

"মই কালচাৰেলী (সাংস্কৃতিক ভাৱে ) ভূপেন হাজৰিকা হৈ উঠিছো গুৰু স্বৰূপ বিষ্ণু ৰাভা আৰু জ্যোতিপ্ৰসাদৰ সান্নিধ্যত"।

( কলিতা, ২০০৭, পৃঃ ২০)

ভূপেন হাজৰিকা সংগীতজ্ঞ হোৱাৰ ক্ষেত্ৰত গীতিকাৰ পিতৃ নীলকান্ত হাজৰিকাৰ প্ৰেৰণা অৱশ্যেই উল্লেখনীয়। 'ইন্দ্ৰমালতী' কথাছবিত সন্নিবিষ্ট হোৱা 'মইনা কেতিয়া আহিলি তই' শীৰ্ষক গীতটিৰ ৰচনা নীলকান্ত হাজৰিকাৰ। এই গীতটিত কণ্ঠদান কৰাৰ লগতে সুৰ দি সংগীতকাৰ হিচাপে ভূপেন হাজৰিকাই সংগীতৰ জগতত প্ৰথম খোজটো দিয়ে। ভূপেন হাজৰিকাই নিজে সংগীতৰ ক্ষেত্ৰত তেওঁৰ প্ৰৱেশ সম্পৰ্কে কোনো দ্বিধা নৰখাকৈ এনেদৰে কৈছে,

মোক যদি জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভাই কলিকতালৈ লৈ গৈ গান গোৱাৰ সুযোগ নিদিলেহেঁতেন তেতিয়া হ'লে মই সংগীতক মোৰ জীৱনত এনেভাৱে হয়তো আকোঁৱালি নল'লোহেঁতেন । সংগীতক মাত্ৰ বাথৰুম ছং হিছাপেই ব্যৱহাৰ কৰিলোহেঁতেন। ( ওজা(সম্পা) , ২০১৩, পৃ ঃ ৫৯)

১৯৩৯ চনতেই ভূপেন হাজৰিকাই 'অগ্নিযুগৰ ফিৰিঙতি মই' শীৰ্ষক গীতটি ৰচনা কৰে আৰু তাত সুৰো সঞ্চাৰ কৰে। এই গীতটি ৰচনা কৰোঁতে ভূপেন হাজৰিকাই মাৰ্ক্স আৰু লেনিনৰ বিষয়ে নাজানিছিল যদিও হাজৰিকাৰ গুৰুসদৃশ বিষ্ণুপ্ৰসাদ ৰাভাৰ মাৰ্ক্সবাদী-লেনিনবাদী চিন্তাধাৰাই হাজৰিকাৰ অজানিতেই সেই গীতটোত প্ৰভাৱ পেলাইছিল। (ওজা(সম্পা), ২০১৩, পৃ ঃ ৫৯) সেই একেটা বছৰতে ভূপেন হাজৰিকাই কলকাতাৰ ৰেডিঅ'ত প্ৰথম বাৰৰ বাবে গীত গোৱাৰো সুযোগ পায় ।(হাজৰিকা , ২০১১, পৃঃ ৫১) ১৯৪৩ চনত ভূপেন হাজৰিকাই তেওঁৰ প্ৰথম সুৰাৰোপিত গীতটি ভগ্নী কুইন হাজৰিকাৰ সৈতে দ্বৈতকণ্ঠত বাণীবদ্ধ কৰে। ( হাজৰিকা , ২০১১, পৃ ঃ ৫১৪) কৈশোৰ আৰু যৌৱন কালত আধুনিক বনগীতৰ জন্মদাতা গীতিকাৰ - সুৰকাৰ আনন্দিৰাম দাসৰ সান্নিধ্যই ভূপেন হাজৰিকাৰ সংগীতৰ ভেটি অধিক গাঢ় কৰিলে।

Created by Universal Document Converter

> গীত ৰচনাৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদ আগৰৱালা এতিয়াও অপ্ৰমাদী গীতিকাৰ স্বৰূপে পৰিগণিত হৈ আছে·; কিন্তু সুৰ ৰচনাৰ ক্ষেত্ৰত ভূপেন হাজৰিকাই তেওঁৰ গুৰুক অতিক্ৰম কৰি নানা বৈচিত্ৰৰ সংযোজনাৰে আধুনিক অসমীয়া সংগীতৰ দিগন্ত প্ৰসাৰিত কৰিলে আৰু নিজকে যোগ্য গুৰুৰ যোগ্য শিষ্য বুলি প্ৰতিপন্ন কৰিলে। এই দিশত তেওঁৰ সহজাত স্বকীয় অৱদান কম নহয়। (দত্ত, ২০১১, পৃঃ ১৬)

ভূপেন হাজৰিকাই সুদীৰ্ঘ সাংগীতিক পৰিক্ৰমা অসমৰ পৰা আৰম্ভ কৰি কলিকতা, মুম্বাইৰ লগতে পৃথিৱীৰ নানা দেশৰ মাজেৰে অতিক্ৰম কৰাৰ সুবিধা লাভ কৰে। সেয়েহে থলুৱা, জনজাতীয়, বাংলা, হিন্দুস্থানী আদিৰ লগতে পাশ্চাত্য সংগীতৰ ধাৰাসমূহ যোগ হৈ ভূপেন হাজৰিকাৰ গীতসমূহক ভিন্নসুৰীয়া কৰি তুলিছে। সুৰ আৰু শব্দৰ এক অভূতপূৰ্ব তাল-মিলেৰে ভূপেন হাজৰিকাৰ গীতবোৰ সংগীতময় হৈ উঠিছিল। উদাহৰণ স্বৰূপে ‘ দোলা দোলা ’ শীৰ্ষক গীতটিত ব্যৱহৃত ‘হেইয়া না-হেইয়া না..’ শব্দই বংগদেশৰ দোলাভাৰীয়ে দোলা কঢ়িওৱাৰ সময়ত ব্যৱহাৰ কৰা হুন-হুনা শব্দটোলৈ মনত পেলাই দিয়াৰ লগতে গীতটিক অধিক প্ৰাণৱন্ত আৰু স্বাভাৱিক কৰি তুলিছে। সেইদৰে মোৰ গীতৰ হেজাৰ শ্ৰোতা গীতটিত হেজাৰ শব্দটোৰ বিস্তৃতিৰ ক্ষেত্ৰত ‘হে’ আৰু ‘জাৰ’ ৰ মাজত এটা gap বা পাৰ্থক্যৰ সৃষ্টি কৰি হেজাৰৰ বিশালতাক শ্ৰোতাৰ কাষ চপাই আনিছে। পাশ্চাত্য সংগীতৰ Tied note অৰ আৰ্হিত শব্দৰ উচ্চাৰণৰ এনে তাৰতম্য ফুটাই তুলি গীতটিক অধিক মোহনীয় কৰি তুলিবলৈ সক্ষম হৈছে। এনেদৰে পাশ্চাত্য চিম্ফনীৰ আৰ্হিত তেখেতে আন ভালেমান গীত সজাই তুলিছে। যেনে — ‘আমি অসমীয়া, নহওঁ দুখীয়া, বুলি সান্ত্বনা ...’ , ‘মানুহে মানুহৰ বাবে’ , আদি শীৰ্ষক গীতসমূহৰ কথা উনুকিয়াব পৰা যায়। (ভূঞা , (২০১১) , পৃঃ ১৫০) এই সন্দৰ্ভত স্বপ্ননীল বৰুৱায়ো এনেদৰে মন্তব্য কৰিছে,

> “ ড০ ভূপেন হাজৰিকাৰ অস্ত আকাশৰে’, ‘ মানুহে মানুহৰ বাবে’ আদি গীতত আন্তঃৰাষ্ট্ৰীয় সুৰে স্থান লাভ কৰিছে”।
>
> (ওজা (সম্পা), (২০১৩ ), পৃ ঃ ২০৭)

সেইদৰে আধুনিক গীত যদিও ‘শিল ভাঙ্’ , ‘সাগৰ সংগমত’ , ‘ৰ’দ পুৱাবৰ কাৰণে’ , ‘জোনাকৰে ৰাতি’

Created by Universal Document Converter

আদি বহুতো গীতৰ সুৰৰ লহৰত ভূপেন হাজৰিকাৰ সাংগীতিক প্ৰতিভাৰ চিনাকি পোৱা যায়। এনে গীতবোৰত থলুৱা সুৰৰ স্বকীয় প্ৰকাশ আৰু গীতটিত উঠলি উঠা পৰিৱেশ অনুযায়ী ছন্দৰ উপযুক্ত বিন্যাসে গীতবোৰক অধিক শ্ৰুতিমধুৰ কৰি তুলিছে। গীতিকাৰ তফজ্জুল আলিয়ে ভূপেন হাজৰিকাৰ গীতৰ সম্পৰ্কত এনেদৰে মন্তব্য আগবঢ়াইছে,

> ঘাইকৈ ব্যক্তিনিষ্ঠ আৰু সৃষ্টিধৰ্মী নতুন সুৰৰ কাৰিকৰ ড০ হাজৰিকাৰ সুৰৰ মাজত সময়ে সময়ে ভাৰতীয় শাস্ত্ৰীয় সংগীতে লুকাভাকু খেলি গৈছে। ( দত্ত, ২০১১, পৃঃ১৮)

জীৱনমুখী ধাৰাৰ গীতিকাৰ ৰূপে খ্যাত ভূপেন হাজৰিকাৰ গীতসমূহত ওপজা মাটিৰ গোন্ধ, তেওঁৰ নিজস্ব চিন্তাধাৰা, গীতত উপস্থিত বিভিন্ন চৰিত্ৰৰ অভিজ্ঞতাপুষ্ট গভীৰ জীৱনবোধ ফটফটীয়াকৈ প্ৰতিবিম্বিত হৈছে। সেইসময়ৰ অন্যান্য প্ৰসিদ্ধ গীতিকাৰসকলৰ তুলনাত ভূপেন হাজৰিকাই ৰচনা কৰা 'মানুহে মানুহৰ বাবে', 'বিস্তীৰ্ণ পাৰৰে' , 'আন্ধাৰ কাতিৰ নিশাতে' , 'শীতৰে সেমেকা ৰাতি' আদি গীতসমূহে সাধাৰণ জনতাৰ হৃদয় আলোড়িত কৰি এক সাম্যবাদী চিন্তা সঞ্চাৰ কৰা দেখা যায়। ভূপেন হাজৰিকাৰ গীতৰ স্বকীয় বৈশিষ্ট্যপূৰ্ণ দিশটি হ'ল যে সৰ্বসাধাৰণ গীতসমূহৰ দৰে ভূপেন হাজৰিকাৰ প্ৰথম অন্তৰাৰ সৈতে দ্বিতীয় বা তৃতীয় অন্তৰাৰ মিল নাথাকে বা প্ৰতিটো অন্তৰাৰ পিছত স্বাভাৱিক ৰীতি অনুযায়ী স্থায়ী অংশ ঘূৰি নাহে। এনেক্ষেত্ৰত সংগীতকাৰ ভূপেন হাজৰিকাই প্ৰতিটো অন্তৰাৰ বাবে স্বাধীনচিতীয়া সুৰ সৃষ্টি কৰি, স্থায়ীৰ স্বকীয়তা বজাই ৰাখি গীতসমূহত সুৰৰ এক নতুন প্ৰৱাহৰ সৃষ্টি কৰা পৰিলক্ষিত হয়। এনে কৰাৰ ফলত শ্ৰোতাৰ বাবে গীতসমূহ হৈ পৰে ক্ষণে ক্ষণে ভিন্নসুৰীয়া আৰু ভিন্নস্বাদৰ। সেয়েহে গীতটি শুনিলে শ্ৰোতাসকল আৰম্ভণিৰে পৰা গীতটিৰ শেষ পৰ্যন্ত অৰ্থপূৰ্ণ কথা, মৌলিক সুৰ, ভিন্ন ৰুচিৰ তাল, অভিনৱ লয় আৰু কণ্ঠশিল্পীৰ আবেগৰ মাজত অনায়াসে মোহাচ্ছন্ন হৈ পৰে।

Created by Universal Document Converter

স্বাভাৱিক ৰীতি অনুযায়ী স্থায়ী স্বৰ বা সুৰলৈ ঘূৰি নহা ভূপেন হাজৰিকাৰ এটি জনপ্ৰিয় গীত হ'ল, ' জোনাকৰে ৰাতি, অসমীৰে মাটি,জিলিকি জিলিকি পৰে' । এই গীতটি পঢ়িবলৈ এটি কবিতাৰ দৰে আৰু গীতটিৰ অন্তৰাৰ ছন্দসমূহৰ ইটোৰ লগত সিটোৰ মিল দেখা নাযায়। তথাপিও গীতটিক সম্পূৰ্ণ সুৰীয়াকৈ সজাই ভূপেন হাজৰিকাই শিল্পী লতা মংগেশকাৰৰ কণ্ঠেৰে গোৱাইছে। গীতটিত কোনো স্থায়ী নাই, সেইদৰে প্ৰতিটো অন্তৰাই স্বয়ংসম্পূৰ্ণ। তথাপিও গীতটিয়ে প্ৰথমৰ পৰা শেষ ফাঁকি পৰ্যন্ত সুৰৰ এক অভিনৱ মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছে। গীতটিৰ শেষত ব্যৱহৃত ডবা আৰু কণ্ঠশিল্পীৰ humming অৰ মিশ্ৰণৰ যথাযথ প্ৰয়োগে গীতটিৰ মাজত অসমীয়া গাৱঁৰ সন্ধিয়াৰ চিত্ৰ এখন জিলিকাই তুলিবলৈ সক্ষম হৈছে। ঠিক সেইদৰে প্ৰতিধ্বনি বোলছবিৰ কণ্ঠশিল্পী সুমন কল্যাণপুৰৰ কণ্ঠৰ 'অয় অয় আকাশ শুব' গীতটিক ভূপেন হাজৰিকাই নিৰ্দিষ্ট তালত বান্ধি নাৰাখি তাত পাহাৰৰ গাত ঠেকা খাই প্ৰতিধ্বনিত হোৱা শব্দৰ ধ্বনি ব্যৱহাৰ কৰি গীতটিক এক সুকীয়া মাত্ৰা দিছে। উল্লেখনীয় যে এজন সফল সংগীতকাৰ হিচাপে ভূপেন হাজৰিকাৰ বাদ্যযন্ত্ৰ নিৰ্বাচন পক্ৰিয়ায়ো গীতসমূহক অনন্য কৰি তোলে। আধুনিক যন্ত্ৰ সংগীতৰ বাহুল্য পৰিহাৰ কৰি ভূপেন হাজৰিকাই অতি প্ৰয়োজনীয় কেইবিধমান মাথোঁ প্ৰচলিত বাদ্যযন্ত্ৰৰ সংগতেৰে গীতসমূহক অধিক ৰুচিৱান কৰি তোলা দেখা যায়। উদাহৰণ স্বৰূপে ভূপেন হাজৰিকাৰ 'সময়ৰ অগ্ৰগতি' শীৰ্ষক গীতটিৰ prelude অত ব্যৱহৃত মাথোঁ গীটাৰৰ ঝংকাৰে শ্ৰোতাৰ মনত অগ্ৰগামী সময়ৰ সাঁচ বহুৱাবলৈ সক্ষম হৈছে। গীতটি শুনিলে মনৰ মাজত আগবাঢ়ি যোৱা সময়ো যেন দৃষ্টিগোচৰ হৈ পৰে। এনেক্ষেত্ৰত সময়ৰ চকৰি আৰু গীটাৰৰ ছন্দ যেন একাকাৰ হৈ পৰে। আন এটি গীত ' মই কোহিমাৰে আধুনিকা ডালিমী...' অৰ prelude অৰ symphony য়ে ৰেলগাড়ীৰ চলন শক্তিক প্ৰকাশ কৰিবলৈ সক্ষম হৈছে আৰু তাৰ লগতে ব্যৱহৃত খৰটকীয়া ছন্দই গীতটিক গতিময়তা প্ৰদান কৰিছে। ১৯৮৪ চনত এটি সাক্ষাৎকাৰত ভূপেন হাজৰিকাই এই প্ৰসংগত মনোৰঞ্জন গোস্বামীক কৈছিল,

> কথা এফালে গান এফালে যাব নোৱাৰে। মই যদি ৰেল চলে গাওঁ, তেনে ৰেল চলাৰ দৰে লাগিব লাগিব। মই যদি কওঁ ধুমুহা আহিবৰ হ'ল তেনে ধুমুহা অহা যেন অনুভৱ কৰিব লাগিব। (ভূঞা, ২০১১, পৃঃ ৭৯)

Created by Universal Document Converter

এইখিনিতে ভূপেন হাজৰিকাৰ গীতৰ সংগীতময়তাৰ বিষয়ে মহেন্দ্ৰ বৰাই কৰা মন্তব্য অৱশ্যেই প্ৰণিধানযোগ্য,

এই গীতবোৰৰ কথা আৰু সুৰ দুয়ো পিনৰ পৰাই অনিৰ্বচনীয়। ....... তেওঁৰ গান মানেই কথা আৰু সুৰৰ হৰগৌৰী-বসতি। কথা আৰু সুৰৰ কোনটোৱে পোনতে প্ৰকাশৰ পটিটো বিচাৰি পায়, সেয়া কোনেও নাজানে। হয়তো তেওঁ নিজেও। অসংখ্য গীতৰ লেখক আৰু সুৰকাৰ ভূপেন হাজৰিকা মোৰ বিচাৰত একেধাৰে এজন কবি আৰু সুৰস্ৰষ্টা। হয়তোবা এজাক বৰষুণ দিছিল, মনৰ সপোন কুঠৰীত এটা সুৰৰ গুণ্‌গুণনিয়ে বুৰবুৰনি কাঢ়িছিলহি। তাৰ মাজতে আহ্বান আহিল, এজাক ডেকা গাভৰুৱে জীৱনৰ সঞ্জীৱনী মন্ত্ৰ দিবগৈ লাগে। সেয়ে তেওঁৰ সুৰৰ গুণ্‌গুণনিটোৱে কথাৰ সাজ পিন্ধি ল'লে, *স্নেহে আমাৰ শত শ্ৰাৱণৰ / ধাৰাসাৰ বৃষ্টিৰ প্লাৱন আনে.............* গীত হিচাপে ই আধুনিক গানৰ প্ৰথাগত স্থায়ী, অন্তৰা, আভোগ আৰু সঞ্চাৰিৰ চাৰিটা স্পষ্ট স্তৱকত বিভক্ত আৰু সুৰপ্ৰবাহৰ তৰলিত ৰূপত বিন্যস্ত। বৰ্তমান কালৰ আধুনিক গীতৰ ক্ষেত্ৰত হাজৰিকাৰ গীতসমূহৰ প্ৰধান বৈশিষ্ট্য এইটোৱেই। অনায়সে ক'ব পাৰি , তেওঁৰ গানত পোৱা যায় —কথা আৰু সুৰৰ একপ্ৰকাৰৰ যুগলবন্দী। (বৰা, ২০১১ , পৃ ঃ ৪৪)

ভূপেন হাজৰিকাৰ গীতৰ উল্লেখযোগ্য দিশটো হ'ল যে তেখেতে গীতৰ কথা আৰু সুৰৰ মাজেৰে শ্ৰোতাৰ কল্পনাত গীতটিক দৃশ্যমান কৰি তোলে। এনে ক্ষেত্ৰত আধুনিক বেলাডৰ আৰ্হিত ভূপেন হাজৰিকাই গীতৰ জৰিয়তে একোটি সফল কাহিনী শ্ৰোতাৰ মনৰ দাপোনত ৰূপায়িত কৰে। 'এন্ধাৰ কাতিৰ নিশাতেঃ' , 'অটোৰিক্সা চলাওঁ আমি দুই ভাই' , 'ডুগডুগ ডুগডুগ ডম্বৰু' , 'যুৱতী অনামিকা গোস্বামী ' , 'শৈশৱতে ধেমালিতে' , 'শ্বিলঙৱে মনালিছা লিংডো' , আদি গীতবোৰ এনে মানৰ গীত। এইবোৰ কাহিনী ধৰ্মী গীত। তাৰে ভিতৰত 'ডুগ্‌ডুগ্ ডুগ্‌ডুগ্ ডম্বৰু' , 'যুৱতী অনামিকা গোস্বামী ' আদি শীৰ্ষক গীতবোৰত আকৌ melodrama বা মিলনাত্মক নাটক ধৰ্মী গীতৰ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়।

ভূপেন হাজৰিকাৰ আন এক বিশেষত্ব আছিল যে গীতৰ কথা আৰু সুৰৰ ধৰণ অনুযায়ী কণ্ঠশিল্পীৰ

Created by Universal Document Converter

নিৰ্বাচন। কণ্ঠশিল্পীৰ গায়কীক সূক্ষ্ম ভাৱে পৰ্যবেক্ষণ কৰি গীতত সংস্থাপন কৰাৰ কলা বা art ভূপেন হাজৰিকাৰ সম্পূৰ্ণ আয়ত্তৰ ভিতৰত আছিল। সেয়েহে ‘মনপ্ৰজাপতি’ বোলছবিত আশা ভোঁসলেৰ কণ্ঠত ‘এই ধুনীয়া গধূলি লগন ’, চামেলি মেমচাব বোলছবিৰ ঊষা মংগেশকাৰৰ কণ্ঠত ‘অসম দেশৰ বাগিছাৰে ছোৱালী’ , ‘চিক্‌মিক্ বিজুলী’ বোলছবিত কুমাৰ কিশোৰৰ আৰু আশা ভোঁসলেৰ গায়কীৰ লগত খাপ খোৱাকৈ প্ৰস্তুত কৰা ‘পক্ষীৰাজ ঘোঁৰা’ গীতকেইটিয়ে শ্ৰোতাৰ মন পৰশিবলৈ সক্ষম হৈছিল। ‘এই ধুনীয়া গধূলি লগন’ গীতটিৰ বাবে প্ৰয়োজন হৈছিল এটি যৌন আবেদনময়ী কণ্ঠৰ। মহাৰাষ্ট্ৰৰ গায়িকা আশা ভোঁসলেৰ কণ্ঠত তেনে আবেদন বিদ্যমান। ‘অসম দেশৰ বাগিচাৰে ছোৱালী ’ গীতটিৰ বাবে প্ৰয়োজন আছিল এটি আধাভঙা অসমীয়া উচ্চাৰণৰ গায়িকাৰ কণ্ঠ। সেয়েহে ঊষা মংগেশকাৰৰ কণ্ঠ নিৰ্বাচিত হৈছিল । ‘ পক্ষীৰাজ ঘোঁৰা, খট্ খট্‌কে দৌৰা গীতটিৰ বাবে প্ৰয়োজনীয় উপলুঙা সনা কণ্ঠৰ বাবে নিৰ্বাচন কৰা হৈছিল কুমাৰ কিশোৰক।

ভূপেন হাজৰিকাৰ ‘হে মাই যশোৱা হে’ গীতটি যেনেকৈ কামৰূপী লোকগীতৰ আধাৰত ৰচিত, সেইদৰে ‘কুসুম্বৰ পুত্ৰ শ্ৰীমন্ত শংকৰে ধৰিলে নামৰে তান’ গীতটিত ভক্তি ভাৱৰ মুক্ত প্ৰকাশ দেখিবলৈ পোৱা যায়। তেনেদৰে শাস্ত্ৰীয় সংগীতৰ আধাৰত সৃষ্ট গীত ‘নতুন নিমাতী নিয়ৰৰে নিশা’ (কেদাৰ ৰাগৰ আধাৰত), ‘স্নেহেই আমাৰ শত শ্ৰাৱণৰ’ (মেঘমল্লাৰ ৰাগৰ আধাৰত), ‘বুকু হম হম কৰে ’( ভূপালী ৰাগৰ আধাৰত) আদি গীতত পৰিষ্কাৰকৈ উপযুক্ত ৰাগৰ বিন্যাস ফুটি উঠা দেখা গৈছে। (দত্ত, ২০১১, পৃঃ ১৭-১৮) ভূপেন হাজৰিকাৰ সংগীতৰ ‘ বিজুলীৰ পোহৰ মোৰ নাই ’ গীতটি ৰচনা কৰা হৈছিল আভোগী-কানাড়া ৰাগক আশ্ৰয় কৰি। ‘ শাৰদী ৰাণী ’ গীতটি ইমন কল্যাণ ৰাগৰ আধাৰত ৰচিত হৈছিল। তেখেতৰ ‘ৰিমঝিম ৰিমঝিম বৰষুণে’ গীতটিক গৌৰ মালাহাৰ ৰাগৰ সুৰেৰে সজাই তুলিবলৈ প্ৰয়াস কৰিছিল। ইয়াৰ উপৰি আন ভালেকেইটি গীত যেনে ‘ কি যে তোমাৰ সংগ প্ৰিয়া’ (ৰাগ ভৈৰৱ) , ‘ গংগা মোৰ মা’ (ৰাগ কলাৱতী), ‘ঘৰ আমাৰ মাটি হয়’ ( ৰাগ নট ভৈৰৱ), ‘ চিত্ৰলেখা চিত্ৰলেখা’ (ৰাগ ঝিন জোটি), ‘ চিৰযুগমীয়া ঢৌ তুলি ’ (ৰাগ দেশকাৰ), ‘জিলমিলিয়া কোমল বালি’ ( ৰাগ তিলং) , ‘তুমি বিয়াৰ নিশাৰ ’ (ৰাগ ৰাগেশ্ৰী ), ‘ নিজকে দেখি আজি কালি ’ ( ৰাগ কলাৱতী) , আদিৰ কথা উল্লেখ কৰিব পৰা যায়। শাস্ত্ৰীয় সংগীতৰ ওপৰত থকা ভূপেন হাজৰিকাৰ আয়ত্তৰ

Created by Universal Document Converter

এটি উদাহৰণ হ'ল যে বিগত শতিকাৰ পঞ্চম দশকৰ প্ৰথম ছোৱাত গুৱাহাটীত হোৱা অসম সংগীত সন্মিলনত আয়োজন কৰা নৃত্যানুষ্ঠান এটিত সংগত কৰিবলৈ প্ৰয়োজনীয় মালকোশ ৰাগটো যেতিয়া অনাতাঁৰ কেন্দ্ৰৰ স্থায়ী বাহী বাদক কৰুণাশংকৰ ঠাকুৰীয়াই শুদ্ধকৈ বজাব পৰা নাছিল তেতিয়া ভূপেন হাজৰিকাই সেই ৰাগৰ এটি বন্দিচ প্ৰদৰ্শন কৰি ৰাগটো ঠাকুৰীয়াক আয়ত্তলৈ আনিবলৈ সহায় কৰি সকলোৰে প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। (ওজা, ২০১৩, পৃঃ ১৭৫, ১৯২)

ভূপেন হাজৰিকাই আধুনিক গীতত প্ৰায় সকলোবোৰ তালতেই সুৰ ৰচনা কৰিছে। কাহাৰ্‌বা, দাদ্‌ৰা, ৰূপক, দীপচন্দী, খেম্‌তা, বিজয়তাল আদি আটাইবোৰ তালৰে ওপৰত পৰীক্ষা-নিৰীক্ষা চলাইছে। ভূপেন হাজৰিকাৰ আধুনিক গীতত ব্যৱহৃত কাহাৰবা তালে সুৰৰ চলন অনুসৰি কেতিয়াবা মধ্যলয় আৰু কেতিয়াবা ইয়াৰ দুগুণ লয় বা দ্ৰুতলয়ত বজোৱা হয়। ভূপেন হাজৰিকাৰ প্ৰায়ভাগ গীতৰ সুৰ চলনত মধ্যলয়ৰ প্ৰাধান্য দেখা যায় যদিও মঞ্চত গীত পৰিবেশন কৰোঁতে নতুন নিয়মেৰে দুগুণ লয়ৰ ঠেকা খাপখোৱাকৈ পৰিবেশন কৰি শ্ৰোতাৰ মতলীয়া কৰি তোলে। ( সিং, বৰুৱা (সম্পা) , ২০১১, পৃ ঃ ৪৩১-৪৩৩) সংগ্ৰামী জীৱন বীক্ষাৰে সাংগীতিক জীৱন পৰিক্ৰমাত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ওচৰত শাস্ত্ৰীয় সংগীতৰ ছোটা খেয়াল ,বড়াখেয়ালৰ আদি পাঠ লোৱা ভূপেন হাজৰিকাই গুৱাহাটীৰ বংশীপদ পাণ্ডে নামৰ সংগীতজ্ঞ এজনৰ ওচৰতো কিছুদিন শাস্ত্ৰীয় সংগীত শিকি ৰাগ ৰাগিনীসমূহৰ লগত চিনাকী হৈছিল। কিন্তু সম্পূৰ্ণকৈ শাস্ত্ৰীয় সংগীতৰ শিক্ষা গ্ৰহণ কৰিব নোৱাৰা বাবে ভূপেন হাজৰিকাৰ গীতবোৰত শাস্ত্ৰীয় সংগীত প্ৰকট ৰূপত উপস্থাপন নহৈ শাস্ত্ৰীয় ৰাগসমূহে লুকা- ভাকু খেলি যোৱা যেন হে অনুভৱ হয়। এই সন্দৰ্ভত সংগীত শিল্পী পৰিণীতা গোস্বামীয়ে আগবঢ়োৱা মন্তব্য উল্লেখনীয়—

> ড০ ভূপেন হাজৰিকাৰ সংগীতৰ সৈতে থকা সহমৰ্মিতা আৰু সহগামিতাৰ ফলত হয়তো তেখেতৰ জ্ঞানোপলবদ্ধ চেতনাৰে শাস্ত্ৰীয় সংগীত আৰু সুগম সংগীতৰ মাজত থকা পাৰ্থক্য মৰ্মে মৰ্মে উপলব্ধি কৰিছিল, যাৰ ফলত সুৰ বিন্যাস বা সুৰ বন্ধনৰ ক্ষেত্ৰত বিভিন্ন সময়ত শাস্ত্ৰীয় ৰাগৰ কোলাত শুই পৰিও

Created by Universal Document Converter

সেই সুৰ ভাৱনাই কেৱল ৰাগৰেই আভাস নিদি তৎ মূহুৰ্ততেই অন্যান্য সংগীতৰ সুৰ শয্যাতো বিচৰণ

কৰিছিল। (ওজা (সম্পা), ২০১৩, পৃঃ ১৯৩)

ভাৰতৰ অন্যান্য প্ৰান্তৰ লোকগীতৰ সুৰেও ভূপেন হাজৰিকাৰ গীতৰ সুৰৰ মাজত ছেগা-চোৰোকাকৈ ভূমুকি মাৰি গৈছে। উদাহৰণ স্বৰূপে 'নতুন নাগিনী তুমি কাল নাগিনী ' আৰু 'জিলিকাব লুইতৰে পাৰ ' গীত দুটাকে ল'ব পাৰি। গীতিকাৰ তফজ্জুল আলিৰ মতে এই গীত দুটিৰ প্ৰথমটোত কামৰূপী লোকগীত আৰু দ্বিতীয়টিত বিহু হুঁচৰিৰ সুৰ ব্যৱহৃত হৈছে। সেইদৰে পৰিবেশ অনুযায়ী লিখা গীতসমূহত পৰিবেশৰ লগত খাপ খোৱা জনজাতীয় সুৰ , যেনে মিছিং, খাছী, অৰুণাচলী আদি লোক-সংগীতৰ প্ৰভাৱেৰে পৰিপুষ্ট কৰি তুলিছে (দত্ত, ২০১১, পৃঃ১৯)। তাৰে এটি উদাহৰণ স্বৰূপে মিজোৰামৰ থলুৱা সুৰেৰে সিক্ত এই গীতটিৰ কথা উল্লেখ কৰিব পাৰি—

কাঃ মঙাইহ চেঃ মিজোৰাম

তোমাক ভাল পাওঁ মিজোৰাম।

খট্ খট্ 'চেইৰো'ৰ ছন্দ লৈ

গীটাৰৰ সুৰে বয় কল'দাই নৈ

সুউচ্চ ফাংপুই নীলা পাহাৰে

মৌন ভাষাৰে কিবা হুংকাৰে। (ওজা, ২০১৩, পৃঃ ৬৬)

সেইদৰে খাছী গীতৰ সুৰেৰে প্ৰতিধ্বনিত গীতৰ কলি এটি হ'ল,

অ' আকাশ------

মোৰ লগৰীক তুমি জানো দেখিছা?

Created by Universal Document Converter

তেওঁৰ জেইমছেম খনি বিজুলীৰে বোৰা

ৰঙা ওঁঠযুৰি মৌৰে বোলোৰা

তুমি জানো মন কৰিছা?                    (দত্ত, ২০১১, পৃঃ৩৩০)

এনেদৰে নগা, অৰুণাচলী, বড়ো, মিছিং, আদিবাসী আদি জনগোষ্ঠীৰ লগত মিলি পৰাকৈ থলুৱা সুৰৰ লেছেৰি বুটলি, পাহাৰ ভৈয়ামৰ সমন্বয়ৰ সাকোঁ নিৰ্মাণৰ হেঁপাহেৰে ভূপেন হাজৰিকাই ভালেমান জনপ্ৰিয় গীত ৰচনা কৰিছিল। ভূপেন হাজৰিকাৰ গীতসমূহ ইটোতকৈ সিটো পৃথক। মন কৰিবলগীয়া কথা যে প্ৰায় চাৰিশ গীতৰ স্ৰষ্টা ভূপেন হাজৰিকাৰ গীতবোৰত সুৰৰ দৰেই ছন্দৰো বৈচিত্ৰ্য দেখিবলৈ পোৱা যায়। সাধাৰণতে কাহাৰ্‌বা, দাদ্‌ৰা , খেমতা তালতেই তেওঁ অধিকাংশ গীত সুৰাৰোপিত কৰিছিল। আনকি সুন্দৰ প্ৰকাশ ভংগীৰে পৰিৱেশন কৰা গীতি-কবিতাসমূহো সাৱলীল ছন্দত সুকোমলকৈ বন্ধা আছিল। সুৰ আৰু ছন্দৰ মধুৰ মিলনে গীতি-কবিতাসমূহক অধিক শ্ৰুতি-মধুৰ কৰি তুলিছিল। ভূপেন হাজৰিকাৰ গীতৰ তাল সম্পৰ্কত নিৰ্দিষ্ট আৰ্হি নাই যদিও তালৰ ছন্দৰ বিচিত্ৰতাই গীতবোৰক শুৱলা কৰি তোলাৰ লগতে তাল সম্পৰ্কে থকা তেখেতৰ সহজাত গভীৰ জ্ঞানৰ কথা ফুটাই তুলিবলৈ সক্ষম হৈছে। লোক-সংগীতৰ সুৰৰ জ্ঞান আৰু কোনো কোনো ক্ষেত্ৰত পশ্চিমীয়া সংগীতৰ ছন্দই ভূপেন হাজৰিকাৰ গীতসমূহ অধিক প্ৰাণময় কৰি তোলা যেন অনুভৱ হয়। পশ্চিমীয়া সুৰে প্ৰাধান্য পোৱা গীতৰ উদাহৰণ স্বৰূপে 'বিস্তীৰ্ণ পাৰৰে' আৰু 'তোমাৰ উশাহ্ কহুঁৱা কোমল' শীৰ্ষক গীত দুটিলৈ আঙুলিয়াব পাৰি —

(ক)

বিস্তীৰ্ণ পাৰৰে

অসংখ্য জনৰে

হাহাঁকাৰ শুনিও

নিঃশব্দে নীৰৱে

বুঢ়া লুইত তুমি

Created by Universal Document Converter

বুঢ়া লুইত বোৱা কিয়?        (দত্ত, ২০১১, পৃঃ ৫৩)

(খ)

তোমাৰ উশাহ        কহুঁৱা কোমল

শেৱালি কোমল হাঁহি

হাঁহিয়ে হৃদয়        ভৰিলে শুনাই

এটি কিবা মিঠা বাঁহী        (দত্ত, ২০১১, পৃঃ ১৫৯)

উল্লেখ কৰা গীত দুটিত পশ্চিমীয়া সংগীতৰ সুৰ আৰু তালৰ ব্যৱহাৰ দেখা যায়। 'বিস্তীৰ্ণ পাৰৰে' শীৰ্ষক গীতটিৰ সংগীত পল্ৰবছনৰ বিখ্যাত গীত Old Man River অৰ আধাৰত কৰা হৈছে। এই গীত দুটিত ভূপেন হাজৰিকাই পশ্চিমীয়া সংগীতৰ Waltz beat সুন্দৰ কৈ ব্যৱহাৰ কৰিছে। Walz অৰ (যথা) হিন্দুস্থানী সংগীতৰ দাদ্ৰা তালৰ এবিধ প্ৰকাৰ বিশেষ। সেইদৰে তেখেতৰ গীতত এক বাদ্যযন্ত্ৰ 'বংগো'ৰ ব্যৱহাৰ বিশেষ মনকৰিবলগীয়া। অসমীয়া আধুনিক গীতত ভূপেন হাজৰিকাই সৰ্বপ্ৰথম এই বাদ্যযন্ত্ৰবিধ ব্যৱহাৰ কৰি গীতসমূহক হৃদয়স্পৰ্শী কৰি তুলিছিল। তেনে এটি গীত হ'ল,

চিৰ যুগমীয়া ঢৌ তুলি ঢৌ তুলি

চিৰ নতুন পানচৈ উটি যায়

জিলমিলীয়া ঢৌ তুলি ঢৌ তুলি

সময় নদীত পট আঁকি আঁকি যায়।        (ওজা, ২০১৩, পৃঃ ১৮০)

এই গীতটিত ভূপেন হাজৰিকাই স্থান বিশেষে গীতত বোলৰ ছন্দৰ বিশেষকৈ একগুণ-দুগুণ আদি লয়ৰ

Created by Universal Document Converter

সদ্ব্যৱহাৰ অতি নিপুণভাৱে কৰিছে। (ওজা, ২০১৩, পৃ ঃ ১৮০) বহুতো সংগীতজ্ঞই পশ্চিমীয়া আৰ্হিত ভূপেন হাজৰিকাই ব্যৱহাৰ কৰা এবিধ ছন্দৰ নাম horse beat বুলি নামকৰণ কৰিছে যদিও প্ৰকৃততে তেনে নামৰ পশ্চিমীয়া তালৰ বিষয়ে জনা নেযায়। তথাপিও এনে ছন্দই শ্ৰোতাক মোহাচ্ছন্ন কৰি তোলে। তেনে ছন্দৰ গীত দুটি হ'ল,

(১) কহুঁৱা বন মোৰ অশান্ত মন
আলফুল হাতেৰে লোৱা সাৰটি

২) তপ্ত তীখাৰে
অগ্নি শক্তি
ৰক্ত বৰ্ণে জ্বলে ——এ জ্বলিলে।
মুক্তি পিয়াসী সুপ্ত মানুহৰ
বক্ষ তীখা হৈ গ'লে —— এ গলিলে ।। (দত্ত ,২০১১, পৃঃ ৩২৭)

ঠিক তেনেদৰে তথাকথিত horse beat আৰু হিন্দুস্থানী কাহাৰবাৰ সংমিশ্ৰণেৰে সজাই তোলা হৈছে এই গীতটি —

আহ্
আহ্
ওলাই আহ্
সজাগ জনতা —
আহ্

Created by Universal Document Converter

আহ্

ওলাই আহ্

পোহৰ আনোতা

ৰামৰে দেশতে থকা ৰাৱণ বধোতে

যায় যদি যায় জীৱনটো যাক ! (দত্ত, ২০১১, পৃঃ ৫৪)

ছন্দ আৰু তালৰ লগত ঠেকাৰ এগুণ আৰু দুগুণৰ সদ্ব্যৱহাৰে ভূপেন হাজৰিকাৰ গীতসমূহক এক অভিনৱ মাত্ৰা প্ৰদান কৰিছে। গীতৰ কোনটো স্থানত ঠেকা , ঠাহ বা বৰাবৰ লয়ত বজাব লাগিব কোন স্থানত দুগুণত বজাব লাগিব , কোন স্থানত কোমল কৰিব লাগিব, সেয়া ভূপেন হাজৰিকাৰ সম্পূৰ্ণ উপলব্ধিৰ ভিতৰুৱা বিষয়। গীতৰ কথা আৰু ভাৱাৰ্থৰ লগে লগে ভূপেন হাজৰিকাৰ গীতৰ ঠেকাও সলনি হোৱা দেখা যায়। ' মানুহে মানুহৰ বাবে ' গীতটিত ঠেকাৰ তাৰতম্য সহজেই দৃষ্টিগোচৰ হয়।

মানুহে মানুহৰ বাবে

যদিহে অকণো নেভাৱে

................................

মানুহ যদিও নহয় মানুহ

দানৱ কাহানিও নহয় মানুহ

যদি দানৱ কাহানিবা হয় মানুহ

লাজ পাব কোনেনো কোৱা — সমনীয়া? (ওজা, ২০১৩, পৃঃ ১৮১-১৮২)

পৰিৱেশ অনুযায়ী ৰচনা কৰা গীতসমূহত ভূপেন হাজৰিকাই ছন্দ আৰু তালৰ পৰম্পৰাগত পদ্ধতি অৱলম্বন কৰা দেখা যায়। উদাহৰণ স্বৰূপে, 'জিগিজা গিজাওঁ ,অ' গিজাওঁ ' গীতটিত চাহ বাগিছাৰ পৰম্পৰাগত

Created by Universal Document Converter

তাল ; ‘গৌৰীপুৰীয়া গাভৰু দেখিলোঁ ’ গীতটিত গোৱালপৰীয়া লোকগীত আৰু শিৱসাগৰৰ বিহুনামৰ মিশ্ৰণ , ‘গোদাৱৰী নৈৰে পাৰৰে ’ গীতটিত মহাৰাষ্ট্ৰৰ লোক-সংগীতত ব্যৱহৃত নালৰ ব্যৱহাৰেৰে ভূপেন হাজৰিকাই শ্ৰোতাৰ হৃদয়ত সোমাই পৰিবলৈ সক্ষম হৈছিল (ওজা, ২০১৩, পৃঃ ১৮৫)।

ভূপেন হাজৰিকাই স্বৰচিত গীতৰ লগতে আন ভালেকেইজন গীতিকাৰৰ গীতকো সযত্নে সুৰেৰে সজাই তুলিছে।তেনেক্ষেত্ৰত গীতিকাৰ পুৰুষোত্তম দাস , নিৰ্মলপ্ৰভা বৰদলৈ, নৰকান্ত বৰুৱা, মুকুল বৰুৱা আদিৰ ৰচনাৰ গীতসমূহ সফল উদাহৰণ। বহুক্ষেত্ৰত আকৌ প্ৰথমতে সুৰৰ সৃষ্টি কৰি তাৰ ওপৰত মনৰ আবেগ ঢালি ভূপেন হাজৰিকাই গীত ৰচনা কৰাৰো দৃষ্টান্ত দেখিবলৈ পোৱা যায়। উল্লেখনীয় যে , লোক-সংগীতৰ পৰা আৰম্ভ কৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈকে ভূপেন হাজৰিকাই সমূহ সুৰৰ ক্ষেত্ৰকে স্পৰ্শ কৰিছে যদিও কোনো এটা গীতেই গাইগুটীয়া এটি সুৰৰ অধীন বুলিব পৰা নাযায় , বৰং গীতবোৰ বহু সুৰৰ সমাহাৰ সদৃশ। (ওজা, (২০১৩ ), পৃ ঃ ২০৭) , এইখিনিতে ভূপেন হাজৰিকাৰ সংগীতৰ বিষয়ে ডক্টৰ দিলীপ কুমাৰ দত্তই দিয়া মন্তব্য অৱশ্যেই উল্লেখনীয় —

> এনেহে লাগে যেন ভূপেন হাজৰিকাই ৰাভাৰ মাটিৰ মানুহৰ ধূলি মাকতিবোৰ আৰু জ্যোতিপ্ৰসাদৰ ৰঙীন ৰামধেনুখনৰ মাজত থিয় হৈ তেওঁলোক দুজনে সমাপ্ত কৰিব নোৱাৰা গীতবিলাককে গাবলৈ আবিৰ্ভাৱ হ’ল। তেওঁ জ্যোতিপ্ৰসাদৰ ছিঙি যোৱা বীণাখনিত তাঁৰ সংযোগ কৰিলে আৰু ৰাভাৰ নুমাই যোৱা বন্তিগছিত নতুন শলিতা লগালে। সেই বীণৰ সুৰ আৰু সেই বন্তিৰ পোহৰে অসমীয়া সমাজলৈ আনি দিলে এক নতুন প্ৰাণ, এক নতুন উদ্দীপনা, যি সকলো অসমীয়াৰে জীৱন ভৰপূৰ কৰিছে। ( দত্ত, ২০১১, পৃঃ ৩৭)

Created by Universal Document Converter